# ভাষণ

DHSK COLLEGE
LIBRARY
Accession No 17111
Call No 891.45/GOS

শৰৎ চন্দ্ৰ গোস্বামী

গুৱাহাটী

১৯৪৮

প্ৰকাশক—

শ্ৰীপ্ৰতুল গোস্বামী।

গুৱাহাটী।

১ম সংস্কৰণ ১৯৪৮।

...প্ৰেছত, শ্ৰীগিৰীজানন্দ চৌধুৰীৰ দ্বাৰা মুদ্ৰিত

## সূচী-পত্ৰ


১। সাহিত্য সৌষ্ঠবত কীৰ্ত্তন ... ... ... ১

২। আৰ্য্য ধৰ্ম্ম ... ... ... ৩৮

৩। বিহু উৎসৱ ... ... ... ৫৫

৪। শিখ ধৰ্ম আৰু গুৰু গোবিন্দ সিংহ ... ... ৬০

৫। আমাৰ দেশত আয়ুৰ্বেদ চৰ্চা ... ... ৭৮

৬। ছাত্ৰ সকললৈ তিনি আখৰ কথা ... ... ৮৭

৭। সংস্কৃত শিক্ষাৰ চৰ্চা ... ... ৯৯

## "সাহিত্য-সৌষ্ঠৱত "কীৰ্ত্তন"

**কীৰ্ত্তনৰ বুৰঞ্জীঃ—**

কীৰ্ত্তনৰ "নামাপৰাধ" অধ্যায়ৰ শেষত আছেঃ—

"আসিল শাস্ত্ৰ বাৰানসী হন্তে।
নকৰিবা নিন্দা মোক মহন্তে॥
তাহাকে চাই নিবন্ধিলো পদ।
হৰি হৰি বুলি তৰা আপদ॥"

বাৰানসীৰ পৰা অহা শাস্ত্ৰ আৰু তাক চাই পদ কৰা সম্বন্ধে শঙ্কৰদেৱৰ চৰিত্ৰ কেইখনত বিশদৰূপে বৰ্ণোৱা আছে। দৈত্যাৰি ঠাকুৰৰ কৃত চৰিত্ৰত এই সম্বন্ধে এইদৰে লিখিছে—

"বিচাৰ কৰিয়া পাচে ভাগৱত গ্ৰন্থ।
কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি পন্থ॥
হৰিত ভকতি অতি কৰিবে প্ৰবন্ধ।
প্ৰথমতে কৰিলন্ত কীৰ্ত্তনৰ ছন্দ॥"

এই পুথিখনৰ বেলেগ বেলেগ অংশ ভিন্ ভিন্ সময়ত ৰচিত হৈ চাৰিওফালে সিচৰিত হৈ পৰি আছিল। পাছত মাধবদেৱৰ আদেশ মতে ৰামচৰণ ঠাকুৰে অশেষ পৰিযত্ন কৰি গোটাই পুথিখন সঙ্কলন কৰে।

পুথিৰ কথাত মাধৱদেৱে কৈছেঃ—

"পায় সংসাৰক অ'মি পাহৰিলোঁ।
ইটো মানে থানে গৈল।
আক একেখান কৰিবাক প্ৰতি
পূৰ্বে মোৰ মন ভৈল ॥
এতেকে ই ৰাজ্যে আইলো, একেথান
কৰিবেক নাপাৰিলোঁ।
ৰাম চৰ্ণে আক একে ঠাই কৰি
মোৰ যে কাম কৰিল ॥"

পাছত ৰামচৰণে একে ঠাই কৰি যেতিয়া পুথিখন আনি মাধৱদেৱৰ হাতত দিলে, তেতিয়া তেওঁ—

"দেখি পুথিখান, আনন্দিত মন
তাক্ষণে উঠিলন্ত।
শিৰৰ উপৰ পুথিখান ধৰি
আনন্দতে নাচিলন্ত।"

সেই সময়তে "কীৰ্ত্তন"ৰ কিমান আদৰ আছিল, ইয়াৰ পৰা আমি তাৰ অলপ আভাস পাওঁ। এনেস্থলত আজি যে অসমীয়াই "কীৰ্ত্তন"ত ধৰ্ম্মৰ থাপনা পাতিব তাত আচৰিত কি?

২। কীৰ্ত্তনৰ নাম আৰু ভাৰ অৰ্থ :—

"কীৰ্ত্তন" অসমীয়া বৈষ্ণৱসকলৰ প্ৰধান ধৰ্ম-পুথি। তেওঁবিলাকে কি কাৰণত ইয়াৰ নাম "কীৰ্ত্তন" দিলে তাক

সকলোৱে জানে। সেইদৰে "কীৰ্ত্তনত" থকা আটাইবিলাক পদ তাল আৰু চাপৰি বজাই গাবৰ কাৰণে তৈয়াৰ কৰা দেখিয়েই প্ৰধানতে ইয়াৰ নাম "কীৰ্ত্তন"। "কীৰ্ত্তন"ৰ আধ্যা-বিলাক ভিন ভিন সময়ত লিখা আৰু পাছত হে একেলগ কৰা। সেইদেখি সাহিত্যৰ লেখত সকলো বিলাক সমানে উৎকৃষ্ট নহয়। কিন্তু সকলোৰে অন্তৰ্গত একেটা ভগৱদ্ভক্তি শিক্ষা।

"কেৱল কীৰ্ত্তনে সংসাৰ তৰি।
বন্ধ ছিণ্ডি হোৱে আপুনি হৰি॥
কলিত কীৰ্ত্তনে হোৱে ভকত।
আতপৰে লাভ নাহি লোকত॥ [ পাষণ্ডমৰ্দন ]

আৰুঃ—

"কীৰ্ত্তন মহিমা শুনা উৎসুকে।
বাৰয় স্কন্ধত যি কৈলা শুকে॥
সকল ধৰ্ম্মত কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ॥

৪

"অনাদৰি আন ধৰ্ম সম্প্ৰতি।
দিয়ো উপদেশ হৰি ভকতি॥
* * * * *
চাৰিও বেদক ব্ৰহ্মায়ে আনি।
বিচাৰিলা তিনি বাৰ প্ৰমাণি॥
এহি মানে মাত্ৰ কৰিলা সাৰ।
এৰি কীৰ্ত্তনেসে তৰে সংসাৰ॥" [ঐ]

একপ্ৰকাৰে গোটেই পুথিখনৰ এক মাত্ৰ উদ্দেশ্য ঈশ্বৰ ভক্তি। কিন্তু অসমীয়া মানুহৰ কোটি পুণ্যৰফল যে এই ঈশ্বৰ ভক্তি প্ৰচাৰ কৰা পুথিখন সাহিত্যৰ দানৰ পৰা চাবলৈ গলেও এটি অমূল্য ৰত্ন। সৎ সাহিত্যৰ প্ৰভাৱৰ দ্বাৰাই ঈশ্বৰ প্ৰেম শিক্ষা দিব খোজাতহে "কীৰ্ত্তন"ৰ বিশেষত্ব।

আগেয়ে কৈছোঁ যে "কীৰ্ত্তন" সম্প্ৰদায় বিশেষৰহে ধৰ্মপুথি। কিন্তু অতি উদাৰ ধৰ্মবাদী সকলেও ইয়াত ৰাম, হৰি, কৃষ্ণ এই তিনটা শব্দৰ ঠাইত ঈশ্বৰ শব্দ লগাই পঢ়িলে অকনমানো সাম্প্ৰদায়িকতাৰ দোষ দেখা নাপাব। ইয়াৰ এটা কাৰণ আছে যে "কীৰ্ত্তন" পুথিখনে আৰু "কীৰ্ত্তন"ৰ লগৰ মণিষীসকলে সেই সময়ত আচাৰৰ মেৰপাকত জট্‌পটাই থকা ধৰ্মৰ বিৰোধেহে উদাৰ ধৰ্ম এটা প্ৰচাৰ কৰিছিল। সেই উদাৰতাত সাম্প্ৰদায়িকতাৰ দোষ থকা অসম্ভৱ। যি হক, ধৰ্মপুথি স্বৰূপে "কীৰ্ত্তন" আলোচনা আমাৰ উদ্দেশ্য নহয়; আৰু ধৰ্মৰ ফালৰ পৰা "কীৰ্ত্তন"ৰ ঠাই ক'ত তাক কবলৈ আমাৰ সামৰ্থ্য নাই, "কীৰ্ত্তন" শব্দটোৰ অৰ্থটো প্ৰকাশ কৰি এতিয়া তাৰনো সাহিত্যিক মূল্য কিমান আমি তাক চাবলৈ যত্ন কৰিম। গুৰিতে লেঠা ভাঙি থোৱা ভাল দেখি এতিয়াই কব খোজো যে "কীৰ্ত্তন"ৰ গৌৰৱৰ ফাললৈ চাই যিমান পৰা যায় আলোচনা সংক্ষেপ কৰা হৈছে।

৩। অসমীয়া সাহিত্যত কীৰ্ত্তনৰ প্ৰভাৱ :—

অসমীয়া সাহিত্যৰ শঙ্কৰী যুগটোৱেই প্ৰধান যুগ। ইয়াক

ইংৰাজী সাহিত্যৰ এলিজাবেথৰ যুগৰ লগত তুলনা কৰিব পাৰি, আৰু এই যুগৰ যিজনা গুৰিয়াল তেওঁৰ সাহিত্য-কৃত্যৰ প্ৰথম কীৰ্ত্তি "কীৰ্ত্তন"। এইদৰে বুৰঞ্জীৰ মানত "কীৰ্ত্তন" অসমীয়া সাহিত্যৰ নতুন যুগ প্ৰৱৰ্ত্তক। সাহিত্যিক সৌন্দৰ্য্যত নিতান্ত নিঃকিন হোৱা হলেও এই কাৰণত 'কীৰ্ত্তন'ৰ আদৰ চিৰকাল অসমীয়া সাহিত্যত থাকিলহেঁতেন। কিন্তু সৌন্দৰ্য্যতো "কীৰ্ত্তন" এনে এখন পুথি যি কাৰো আগত—কোনো সাহিত্যৰ কোনো পুথিৰ আগতে—মূৰ নমাব লগাত নপৰে। শঙ্কৰদেৱৰ দৰে মহাপ্ৰাণী ব্যক্তিৰ এয়ে বিশেষ কীৰ্ত্তি। মহাকবি ৰাম সৰস্বতীয়ে যাৰ প্ৰখৰ কল্পনা-শক্তি, স্বভাৱৰ সত্যবৰ্ণনা আৰু অসমীয়া সমাজৰ চিত্ৰ অঙ্কণৰ অতুল ক্ষমতাৰ যথেষ্ট সন্মান কৰিবলৈ আজিও আমি শিকা নাই—তেওঁ নিজৰ পদ লিখোতে কৈ গৈছে :—

"কীৰ্ত্তনৰ ছন্দে আমি নিবন্ধিলো পদ।"

ৰাম সৰস্বতী শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক। ইয়াৰে পৰা পাচৰ কবিসকলৰ ওপৰত 'কীৰ্ত্তনৰ'ৰ প্ৰভাৱ অনুমানকৰিব পাৰি, আৰু দুটা সাধাৰণ কথা :— 'কীৰ্ত্তন'ৰ আৰম্ভ আৰু শেষ ভনিতা :—

"শুক নিগদতি শুনা কুৰুপতি" ইত্যাদি বা "শুকমুনি বদতি শুনিও পৰিক্ষীত।" আকো ;

"কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভনে।
বোলা হৰি হৰি সমস্ত জনে॥"

"কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে কৃষ্ণকথা।" ইত্যাদি এই ভনিতা সেই যুগৰ সকলো কবিৰ প্ৰধান আদৰ্শ। পদ, ঝুমুৰি, কুসুমমালা, লেচাৰি দুলৰি আদি ছন্দৰ কথাই নাই। শঙ্কৰৰ সময়ত অসমীয়া সাহিত্যৰ যি সুৱৰ্ণময় যুগৰ অৱতাৰণা হল "কীৰ্ত্তন" আছলতে সেই যুগৰ উপযোগী আদি পুথি; আৰু ই অসমীয়া মানুহৰ গৌৰৱৰ কথা যে তেওঁবিলাকে এই পুথিৰ উপযুক্ত আদৰ কৰিব পাৰিছে।

**৫। অলঙ্কাৰ শাস্ত্ৰৰ মানত "কীৰ্ত্তন এখন মহাকাব্য**

এই যুগ প্ৰৱৰ্ত্তক পুথিখন আছলতে এখন মহাকাব্য। উৎকৃষ্ট সাহিত্য কি ইয়াৰ এটা সুন্দৰ সমিধান দিয়া কঠিন। এদিনা এজন বন্ধুৱে কৈছিল বোলে, "যি টিকি যায় বা যিহে সকলো মানুহৰ মুখে মুখে থাকে সাহিত্যৰ ভিতৰত সেয়ে উৎকৃষ্ট সাহিত্য।" এনে সাহিত্যৰ এটা লক্ষন যে ই মানুহৰ মনত নিভাজ আনন্দ দিব পাৰে। কি গুণত দিব পাৰে তাক বিচাৰি উলিওৱা টান। সাধাৰণৰ এই মাপত চাব গলে যে কীৰ্ত্তনৰ পদবিলাক অতি উৎকৃষ্ট সাহিত্য তাক নকলেও চলে। অৱশ্যে সেইদৰে অনেক কুৰুচিপুৰ্ণ গ্ৰাম্য কথাও টিকি আছে। সাহিত্যৰ ফালৰ পৰা নিৰপক্ষ ভাৱে কব গলে, এইবিলাকো আছলতে সৌন্দৰ্য্য বিশিষ্ট—এইবিলা-কেও মানব স্বভাৱৰ কোনো নিগুঢ় ভাৱ বা কোনো এটা সাৰ্বজনীন অনুভূতি প্ৰকাশ কৰে; কোনো এটা সত্যৰ আচল প্ৰাণখিনি খুলি দেখুৱায়, ইফালে সি বৰ্তমান

সভ্যসমাজৰ মানত সিমানেই কু বা অসৎ যেন নেদেখাওক। কিন্তু সাধৰণ লোকৰ এই আদৰ্শ নলই, সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ কটকটীয়া নিয়মবোৰৰ দ্বাৰা বিচাৰি চালেও আমি দেখোঁ যে কীৰ্ত্তন স্বভাৱতে এখন মহাকাব্য।

**কীৰ্ত্তনৰ পদৰ ভাষাঃ—**

অলঙ্কাৰ শাস্ত্ৰত তিমান স্পষ্ট কৈ উল্লেখ নাথাকিলেও ভাষাৰ প্ৰঞ্জলতা উৎকৃষ্ট কাব্যৰ এটা প্ৰধান লক্ষণ। ইংৰাজী, সংস্কৃত আৰু আন আন সকলো ভাষাৰ ডাঙৰ ডাঙৰ কাব্যবিলাকৰ ভাষাৰ গৌৰৱ এটা প্ৰধান সম্পদ। আমাৰ ঘৰৰ ওচৰৰ মাইকেলৰ "মেঘনাদ বধ কাব্যৰ" প্ৰতি মনকৰিলেই কথাটো বেচ বুজা যায়। কীৰ্ত্তনত আৰু শঙ্কৰদেৱৰ পদ মাত্ৰতে মাৰ্জ্জিত ভাষাৰ বাধগতি যেনে সুস্পষ্ট, বোধকৰো আন অনেক কবিৰ ৰচনাত তিমানখিনি প্ৰাঞ্জলতা দুৰ্লভ। অতি নীৰস বিষয়তো এই গুণটি অতি উজ্জলভাৱে দেখা যায়।

জয়দেৱৰ দশাবতাৰ বন্দনা—"প্ৰলয় পয়োধি জলে ধৃত বানসি, বেদম্।" প্ৰভৃতি প্ৰবন্ধত ভাৱৰ বা অৰ্থৰ গৌৰব সমূলি নাই ; অথচ ভাষাৰ প্ৰাঞ্জলতাৰ কাৰণেই সংস্কৃত সাহিত্যৰ এটা অমূল্য ৰত্ন। শঙ্কৰদেৱৰ 'চতুৰ্বিংশতি অৱতাৰ, সেই দৰে তাৰ আৰু অৰ্থৰ গুৰুত্বহীন প্ৰবন্ধ ; অথচ :—

"কুৰ্ম অৱতাৰ ভৈলা ক্ষীৰদধি তীৰে।
লক্ষ প্ৰহৰৰ পন্থ জুৰিলা শৰীৰে॥

কৰিলেক পৰিস্তুতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠ ভাগে॥
* * * * *
বামণ স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্ৰক থকিলা স্বৰ্গে বলিক নিকালি!
ত্ৰৈলোকক আক্ৰমিলা চৰণৰ গতি।
তযু পাদোদকে গঙ্গা ভৈলা উতপতি॥"

আদি কবি ৰচনা ভাষাৰ গৌৰৱত চিৰকাললৈ গৌৰৱান্বিত। সেইদৰে কৃষ্ণ জন্মৰ সেই সুপৰিচিত পদঃ—

"কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ॥
পীত বস্ত্ৰে শোভে অতি শ্যাম কলেৱৰ।
কমল লোচন চাৰু অৰুণ অধৰ॥
* * * * *
ভাগিল নিহাল ভৈলা মেলাল কপাট।
দেখি ভয়ে যমুনা আপনি দিলা বাট॥
বৰিষে কণিকা মেঘে ওপৰত গাজে।
ফণায়ে ধৰিলা ছত্ৰ আসি স্বৰ্পৰাজে॥"

এই বিলাক অতি সাধাৰণ কথা; অথচ বৰ্ণনাৰ মহিমাত কেনে মহিমান্বিত, কেনে মধুময়। যেন কোনো পৰ্বতৰ পৰা ষ্ফটিক জলৰ নিৰ্ঝৰ ঝৰ-ঝৰকৈ নামি আহিছে।

ভাষাৰ আৰু এটা প্ৰধান গুণ-চমুকৈ, সহজ কথাত কৰলগীয়া কথা প্ৰকাশ কৰা, ইয়াকে ইংৰাজী প্ৰবাদত বোলে

Brevity is soul of wit. এই সম্বন্ধে গোটাইখন "কীৰ্ত্তনে"ই চিৰ কাললৈ সাহিত্যত আদৰ্শ হৈ থাকিব। দ্বাদশ স্কন্ধৰ ভাগৱতৰ জানিব লগীয়া আটাই খিনি কথা—তাৰ উপৰি ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আৰু বিষ্ণুপুৰাণৰ কথা 'কীৰ্ত্তন'ত আউটি যেন গোটা কৰি থৈ দিছে। নৰ নাৰায়ণৰ ৰজাৰ সভাত "হাতী মাৰী ভুৰুকাত ভৰাই" অৰ্থাৎ একে ৰাতিৰ ভিতৰতে "গুণমালা" ৰচনা কৰি যি জনা পণ্ডিতে খ্যাতিলাভ কৰিছিল এজন মহৎ সাহিত্যিকৰ কীৰ্ত্তি তেওঁৰহে সম্ভৱ।

ৰামায়ণৰ ক্ষুদ্ৰ সংস্কৰণ এটাৰ নমুনা চাওঁক :—

"শ্ৰীৰাম ৰূপে কোশল্যাত অৱতৰী।
বনবাস খপিলা পিতৃৰ বাক্য ধৰি॥
বিৰাট কৱন্ধ মাৰীচৰ লৈলা প্ৰাণ।
খৰ-দূষণক তুমি কৰিলা নিৰ্বান॥
একপাট শৰে বালি সঙ্কলিলা জীৱ।
তোমাৰ প্ৰসাদে ৰাজা ভৈলন্ত সুগ্ৰীৱ॥
লঙ্কাত পশিলা সাগৰত বান্ধি সেতু।
বধিলা ৰাৱণ সীতা হৰণৰ হেতু॥
মাৰিলা বনত আৰো ৰাক্ষস অনেক।
ভক্ত বিভীষণক কৰিলা অভিষেক॥
অগ্নিত পৰীক্ষা আনি কৰিলা সীতাক।
ব্ৰহ্মদেৱে স্তুতি বাণী বুলিলা তোমাক॥

সম্বৰিলা সীতা দশৰথৰ বচনে।
অযোধ্যাক আসিলা সভার্যে ৰঙ্গমনে ॥
কৰিলাহা ৰাজ্য দশহাজাৰ বৎসৰ।
লগে স্বৰ্গে নিলা সবে অযোধ্যা নগৰ ॥''

ভাষাৰ আৰু এটা মাহাত্ম্যলৈ মন কৰিলে শঙ্কৰদেৱৰ কৱিত্বত আচৰিত হব লাগে। আন কোনো মহাকবিৰ কাব্যত এই বিশেষত্বটো তিমান পৰিমাণে লক্ষ্য কৰিব নোৱাৰি। মিল্টনৰ Paradise Lost ৰ এটা মাত্র ছন্দঃ। কালিদাশৰ কুমাৰ সম্ভৱ বা ৰঘুবংশতো ছন্দৰ তিমান বৈচিত্র দেখা নাযায়। অথচ "কীৰ্ত্তন"লৈ মন কৰিলে দেখা যায় যে ভাৱৰ সলনিৰ লগে লগে ভাৱত খাপ খোৱাকৈ ছন্দবো সলনি হৈছে।

প্ৰহ্লাদ চৰিত্ৰত চাৰি সিদ্ধক জয় বিজয়ে অপমান কৰাত বিষ্ণুৱে আহি কৈছে:—

"আমাৰ তনু যত বিপ্ৰগণ।
তাসমাৰ দ্ৰোহ চিন্তে যি জন
যমৰ দূতে কৰে তাক দণ্ডি
গৃধ্ৰগণে খায় মাংস চিণ্ডি ॥
*       *       *       *
পাৰিষদ জয় বিজয় দুই।
তোমাসাৰ শাপে অসুৰ হুই ॥
তুনাই বৈকুণ্ঠক ঝাণ্টে আসোক।
হেন অনুগ্ৰহ কৰিয়ো মোক ॥"

ঈশ্বৰৰ মুখৰ এনেহেন বাক্য শুনি চাৰি সিদ্ধ বিস্ময়তে অভিভূত হৈ কৈছে, কেনে খৰকৈ !

"তোমাৰ বচন স্বামী, নুবুজিলোঁ কিছু আমি ॥
আপুনি ঈশ্বৰ হুয়া, বোলাহা কৰিয়ো দয়া ॥
ত্রিজগতে কৰে সেৱ, বোলা মোৰ বিপ্রেদেৱ ॥
যত দেৱ দ্বিজ তুমি সবাৰ দেৱতা তুমি ॥

ইত্যাদি ।

সেইদৰে "স্যমন্তক হৰণ"ত কৃষ্ণত আৰু জাম্বুবানৰ যুদ্ধতঃ—

"দুয়ো হুয়া মহা ক্রুদ্ধ, লগাইলেক ঘোৰ যুদ্ধ ॥
দুয়ো মাতঙ্গৰ লীলা; বৰিষে পৰ্বত শীলা ॥
যুজিলন্ত মাল বান্ধে, ভৰি ভৰি ভৰি ছান্দে ॥
দুইৰো দুইকো নাহি তুষ্টি হানে ব্রজসমমুষ্টি ॥
মাংসৰ কাৰণে যেন যুজন্ত দুগোটা সেন ॥"

'দামোদৰ বিপ্রোপাখ্যান'ত পুৰণা দুজনা বন্ধুৰ আলপত :—

গুৰু পত্নীগণে আসি, আমাক বুলিলা হাসি,
খড়ি লুড়ি দিয়া শিষ্যগণ ।
আমি সবো হেন শুনি কটিত বান্ধিয়া ভূণি
আনন্দে লড়িলোঁ ৰঙ্গমন ॥

কেনে জুইৰ গোৰত বহি গুৰগুৰাই কৈ যোৱা কথা ।

হিৰণ্যকশিপুৰে খণ্ডৰ সময়ত কেনেকৈ কৈছে, মন কৰক :—

"হিৰণ্যকশিপু শুনিয়া হেন ।
ক্রোধত কাম্প অতি যম যেন ॥

ঝঙ্কৰে মাথা অতি কৰি দৰ্প।
লাথি পাই যেন ফোঁকাৰে সৰ্প ॥
অসুৰে গৰ্জ্জয় কটাক্ষে চাই।
খাইবো আজি তোৰ মুণ্ড পুতাই।
শুনৰে অধম নগণ মোক।
দেখাইবো আজি যমপুৰ তোক ॥
ত্ৰিদশ কম্পে দেখি মোৰ খণ্ড।
কৰস কেন তই আজ্ঞা ভঙ্গ ॥”

কথাৰ ঠাচতে যেন হিৰণ্যকশিপুৰ সৰ্বগ্ৰাসী খং ব
হৈ ৰৌ ৰৌৱাই উঠিছে।

এতিয়া কথা এটাৈল মন কৰিব লাগে যে “কীৰ্ত্তন
যি বিলাক অতি দুৰুহ আৰু গভীৰ ভাৱৰ পদ, সেই বিল
সংস্কৃতৰ পৰা অনুবাদ। অথচ অনুবাদ যেন মূলতকৈ
বেচি মধুৰ। ইয়াত মুঠতে দুটা বা এটা শ্লোকৰ মূল আ
অনুবাদৰ তুলনা তুলিদিলোঁ, আপোনালোকে বিচাৰ কৰিব

দৰ্শনৰ অতি কঠিন তত্বৰ সংস্কৃত শ্লোক আৰু তাৰ অসমী
ভাঙনীও শুনক, যেনে :—

“অথ যথাবন্ন বিতৰ্ক গোচৰং
চেতোমনঃ কৰ্ম বচোভি ৰঞ্জসা।
যদাশ্ৰয়ং যেন যতঃ প্ৰতীয়তে
সুদুৰিভাব্যং প্ৰণতাস্মি তৎপাদম্” ॥

অসমীয়াত ঃ—

"যিটো ব্রহ্ম নোহে তর্কৰ গোচৰ।
নাপাৱে বচনে মনে ওচৰ ॥
নাহি উতপতি নাহি মৰণ।
সদায় প্রণামো তানে চৰণ ॥

আৰু এটা ঃ—

"উৎক্ষেপনং গর্ভগতস্য পাদয়োঃ
কিং কল্পসে মাতুৰধোক্ষ আগসে।
কিমস্তি নাস্তি ব্যপদেশ ভূষিতং
তবাস্তি কুক্ষেঃ কিয়দপ্যনন্তঃ"।

অসমীয়াত ঃ—

"গর্ভত থাকন্তে উদাত ঘানে পাৱে।
তাৰ অপৰাধক নধৰে যেন মাৱে ॥
তোমাৰ কুক্ষিত আমি আছোঁ চৰাচৰ।
হেন জানি ক্ষমিয়োক দোষ দামোদৰ" ॥

কোনটো মূল, কোনটো অনুবাদ বুজিব পাৰিবনে ? ভাষাত
…নে অসীম অধিকাৰ কবিসকলৰ শ্লাঘাৰ বিষয়।

মহাকবি সকলৰ আৰু এটা লক্ষণ থাকে যে তেওঁ-
…লাকৰ অনেক ৰচনা প্রবাদৰ দৰে হৈ যায়। বোধকৰো
…শ্বেক্সপীয়েৰেই এই বিষয়ত শ্রেষ্ঠ কৃতী। কিন্তু আন
…কবিসকলৰো কম কথা এইদৰে গোটমাৰি মুখে মুখে ফুৰা
…নাই।

কালিদাসৰ :—

"শৰীৰমাদ্যং খলু ধৰ্ম সাধনম্"
যাঙ্গা মেঘো বৰমধিগুণে নাধমে লব্ধকামা
নীচৈৰ্গচ্ছত্যুপৰিচ দশা চক্রনেমি ক্রমেণ" ॥

ভৱভূতিৰ "লোকত্তৰাণাঃ চেতাংসি কোনু বিজ্ঞাতুৰ্মহতি" প্ৰভৃতি কথাবিলাক এই ধৰণৰ। এইবিলাকে সমূহ মানৱ মনৰ সত্য ভাৱ ঐটাক সুন্দৰ আৰু সহজ ভাষাত প্ৰকাশ কৰে ; আৰু সেইদেখি সকলোৰে আদৰণীয় হয়। শঙ্কৰদেৱ এই বিষয়তো কম কুশল নহয়। কীৰ্ত্তনৰ পৰা তাৰ উদাহৰণ অনেক দিব পাৰি। যেনে :—

১। পূৰ্ণ নুহি যত যজ্ঞৰ অঙ্গ !
হৰি নামে কৰে সবে সুসাঙ্গ ॥ [ পাষণ্ড মৰ্দন ।

২। "বৰুণৰ পাশে বান্ধি থৈয়া কত কাল।
আপুনি বয়স হৈলে বুদ্ধি হৈবে ভাল ॥" [ প্ৰহ্লাদ চৰিত্ৰ ]

৩। "দ্বেষ কৰি শিশুপালে লভিলা মুকুতি।
বুদ্ধিক নেপোসে মহৌষধিৰ শকতি ॥ [ ৰাসক্রীড়া ]

৪। "দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়ো গৃহতে থাকি কৰিয়ো ভকতি ॥" [ ঐ ]

৫। "পৰম ঈশ্বৰে কৰে অকৰ্ম।
তেজস্বিত কিছু নাহি অধৰ্ম ॥
সৰ্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো কিছু নোছোৱে দোষ।" [ ঐ ]

৬। "সর্বভূত ময় ৰাজা শাস্ত্ৰত কহয় ।
ৰাজা তুষ্ট ভৈল সৰ্বজন তুষ্ট হয় ॥" [ ঐ ]

আৰু অনেক যাক "নকহিলোঁ বাহুল্যক ভয়ে ॥"

৭। **কীৰ্ত্তনৰ বৰ্ণনা ঃ—**

ভাষাৰ মাধুৰ্য্যৰ কথা অলপহে কোৱা হল। কাৰণ বিস্তৃতকৈ আলোচনা কৰাৰ ইয়াত ঠাই নাই। কেৱল ভাষা এৰি বিষয়লৈ আহিলে "কীৰ্ত্তন"ত প্ৰথম চকুত পৰে তাৰ সুন্দৰ সুন্দৰ বৰ্ণনাবোৰ। যিহকে যেতিয়াই বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিছে, সকলো যেন কি এক সুমধুৰতাৰে পৰিপূৰ্ণ হৈছে। "হৰমোহন"ৰ ফুলনি বৰ্ণনাৰ কথা ইয়াত তুলি নিদিওঁ, কাৰণ তাক অসমীয়া আবাল বনিতাই জানে। আন আন ঠাইৰ দুটামাণ বৰ্ণনা লৈ মন কৰক ঃ—

বৈকুণ্ঠ বৰ্ণন ঃ—

"একমনে শুনা হৰিৰ ধ্যান ।
বৈকুণ্ঠ নামে আছে মহাথান ॥
সাৰি সাৰি ৰঞ্জে বিমানচয় !
বৈদূৰ্য্য হীৰা মৰকত ময় ॥
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি ।
নাজানি যাত পশি দিন ৰাতি ॥
চাৰু সৰোবৰ নিৰ্মল জল ।
সুগন্ধি পদ্ম শোভে উতপল ॥
আছে ৰাজহংস সমূহে ৰঞ্জি ।

লীলায়ে মৃনাল ভুঞ্জে উভঙ্গি ॥
পাৰে পাৰিজাত মলয়া বায় ।
চটকে তাজে সুললিত ৰায় ॥
ভ্ৰমৰগণে গায়ে হৰি গীত ।
বৈষ্ণবগণ শুনি আনন্দিত ॥” [ ধ্যাণ বৰ্ণন ]

ইফালে আকৌ নৰসিংহৰ ৰূপ বৰ্ণনা আৰু তাৰ ভাষা আৰু ছন্দ কেনে !—

“অদ্ভুত দেখিয়া দৈত্যপতি ভৈলা চূপ
নোহে সিংহ নোহে ইটো মনুষ্যৰ ৰূপ ॥
তপ্ত সুবৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই ।
পৰ্বত সমান কায় আছে স্বৰ্গ ছুই ॥
শৰীৰৰ লোম চন্দ্ৰ সম শুক্লবৰ্ণ ।
তুলি আছে উৰ্দ্ধক স্তবধ দুই কৰ্ণ ॥
বাইল মুখ যেন গিৰি গহবৰ পৰায় ।
প্ৰচণ্ড বতাস যেন নিশ্বাস বজায় ॥
প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ ।
ভ্ৰূকুটি কুটিল মুখ বিকট দৰ্শন ॥
লহ লহ কৰে জিহ্বা যেম ক্ষুৰ ধাৰ ।
জ্বলে বহু শত তীক্ষ্ণ নখ চমৎকাৰ ॥
বহল হৃদয় দীৰ্ঘ গ্ৰীবা কৃশ কটি ।
জিহবা মেলি আছে দুই দশন প্ৰকটি ॥”

[ প্ৰহ্লাদ চৰিত্ৰ ]

কেনে ভয়ঙ্কৰ ৰূপৰ বৰ্ণনা ! নৰসিংহই যেন জিভা মেলি দাত নিকটাই খাবলৈহে উঠিছে ! ইফালে আকৌ আন এটা ৰূপ :—

"হেন মহা দিব্যবন দেখিলন্ত ত্রিনয়ণ ।
দিব্য কন্যা এক আছে তাতে ।
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্রৈলোক্য মোহে
ভণ্টা খেৰি খেলে দুয়োহাতে ॥
তপ্ত সুবৰ্ণৰ সম জ্বলে দেহা নিৰুপম
ললিত বলিত হাত পায় ।
চক্ষু কমলৰ পাসি মুখে মনোহৰ হাসি
সঘনে দৰশৈ কাম ভায় ॥
লোলকে উচ্ছল খোপা খসে পৰিজাত থোপা
বামহাতে সম্বৰন্ত তাক ।
উৰ্দ্ধক ক্ষেপন্ত ভণ্টা কৰন্ত কটাক্ষ ছটা
লীলা গতি দেখাই ফুৰে পাক ॥
কৰ্ণৰ কুণ্ডল দোলে স্তন হলফল কৰে
গলে ৰত্নমালা জিকি পাৰে ।
সুবৰ্ণ কঙ্কণ ধ্বনি কৰে ৰুন ঝুন শুনি
প্ৰকাশে হৃদয় হেম হাৰে ॥
দৰশান্ত কাষ পিঠি খনো হাসে সমদিঠি
চাহি লাজে চান্ত চক্ষু মুদি ।
ভ্ৰমন্ত অনেক ভাৱে উৰুৱাৱে বস্ত্ৰ বাৱে

উচ্চ কুচ কুম্ভ হোৱে উদি ॥
কঙ্কালে কিঙ্কিনী বাজে চৰণ কমল মাজে
ৰত্নৰ নুপূৰ ৰুন-ঝুন ।
হালে অতি মধ্যদেশ সংসাৰ মোহিনী বেশ
একো অঙ্গে নাহি খতিখুন" ।

[ হৰমোহন ]

কবিৰ লগতে কব নালাগেনে বাক্, কি ভাষা, কি ছন্দ, কি শব্দ, কি ৰূপ, মোহিনী বৰ্ণনাত কোনো অঙ্গতে খতি-খুন নাই ! ইয়াৰ পাছত দুটা প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা শুনক :—

"ক্ষীৰ সাগৰৰ মাজে ত্ৰিকুট পৰ্ব্বত ।
প্ৰকাশন্তে আছে তিনি লোকতে বেকত ॥
সুবৰ্ণ ৰজত লোহা জ্বলে তিনি শৃঙ্গ ।
চক্ষুত জমক লাগে দেখিতে বিৰিঙ্গ ॥
অযুত যোজন জুৰি জ্বলে গিৰিবৰ ।
উচ্ছিত দেখিয়া দশ হাজাৰ প্ৰহৰ ॥
ক্ষীৰ সাগৰ ঢউ চৌভিতে উথলে ।
পখালে পৰ্বত সুশীতল দুগ্ধ জলে ॥
নদী নদ অশেষ বিশেষ সৰোবৰ ।
স্ফটিক নিৰ্মল জ্বল দেখি মনোহৰ ॥
বিদ্যাধৰী সৱে তাত নামি কৰে স্নান ।
পখালি শৰীৰ বৱে সুগন্ধিত ঘ্ৰাণ ॥

পৰম অমূল্য গন্ধ উথলে সদায় ।
দশদিশ জুৰি তাৰ বায়ু বহি যায় ॥
ছয় ঋতু এককালে বসন্ত উদয় ।
ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চমে পূৰয়” ।
[ গজেন্দ্ৰোপাখ্যান

ক্ষীৰ সাগৰৰ মাজৰ এই ত্ৰিকুট পৰ্বতখন চাই আহিবৰ মন নাযায় নে ? সেইদৰেঃ—

“শৰত কালৰ ৰাত্ৰি অতি বিতোপন ।
ৰাসক্ৰোড়া কৰিতে কৃষ্ণৰ ভৈল মন ॥
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে ।
কামতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জন্তে ॥
অখণ্ড মণ্ডল চন্দ্ৰ দেখিলন্ত হৰি ।
কুঙ্কুমে অৰুণ লক্ষ্মী মুখ পদ্মসৰি ॥
বনকো দেখিল চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত ।
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত” ॥ [ ৰাসক্ৰীড়া ]

ইয়াৰ পাছত নগৰ এখনৰ বৰ্ণনালৈ মন কৰক :—

যিটো বিতোপন পুৰী দেখিলা সাক্ষাত ।
পৰম আনন্দে প্ৰৱেশিলা মথুৰাত ॥
স্ফটিকে গঠিত পুৰ দ্বাৰ দুহি খাট ।
লগায়াছে সুবৰ্ণৰ বৃহত কপাট ॥
হেমময় তোড়ণ চিৰণে অলঙ্কৃত ।
চতুৰ্ভিতি গড়খায় দেখি ভয়ে ভীত ॥

বহুবিধ উদ্যান শোভিত কাছে কাছে ।
শাৰি শাৰি গৃহসব প্ৰকাশন্তে আছে ॥
হীৰা মৰকত ৰত্ন ৰঞ্জে ঠাৱে ঠাৱে ।
শোভা কৰে পৰাৱত ময়ূৰৰ ৰাৱে ॥
ৰাজপন্থ চৌপন্থাক সাঞ্জি মাঞ্জি আতি ।
পহুলি পহুলি দীপ ঘট আছে পাতি" ॥

এনে মথুৰাই বোধকৰো আজিকালিৰ ডাঙৰ ডাঙৰ নগৰ বিলাকৰ আগত লাজ পাব নেলাগে !

## ৮। ভাষাৰ দ্বাৰা ভাৱৰ প্ৰকাশ :—

বৰ্ণনা বিষয়ৰ দুটা এটা নমুনা দেখা গ'ল । এনে বৰ্ণনাৰে গোটেইখন কীৰ্ত্তন পূৰ । এতিয়া কোনো বিশেষ বিশেষ ভাৱ প্ৰকাশ কৰিবলৈ ভাষাৰ কেনে প্ৰয়োগ হৈছে এবাৰ মন কৰিব লাগে ।

প্ৰহ্লাদ চৰিত্ৰত, চাৰি সিদ্ধই খং কৰিছে, শুনিব :—

কৃষ্ণৰ দৰশন আশাভঙ্গে ।
কোপে চক্ষু পকাই মাতন্ত খঙ্গে ॥
বৈষ্ণৱ বোলা তোৰা দুয়োজন ।
বৈকুণ্ঠবাসীৰ নোহে লক্ষণ ॥
প্ৰশান্ত পুৰুষ আনন্দময় ।
তাহাতো তোমৰা কৰা সংশয় ॥
পাৰিষদ বোলাই কৰাহা চটি ।
নোহিকা বৈষ্ণৱ দুয়ো কপটী ॥

বৈকুণ্ঠৰো আনা ত্বৰ্যশ বৰ ।
ঐৰ পৰা তোৰা ত্বহান্তো পৰ" ।

সাধু মানুহৰ কেনে গভীৰ খং—জয় বিজয়ক "তই" বুলিও নকয় ।

ইফালে ষণ্ডামাৰ্কই ৰজা আৰু অন্নদাতাৰ লৰা প্ৰহ্লাদক ঘৰলৈ মাতি আনি হাঁহি হাঁহি সুধিছে :—

"কোনে তোক হেন বিপৰ্যায় বুদ্ধি দিল" ।

প্ৰহ্লাদৰ উত্তৰৰ গভীৰতা এবাৰ উপলব্ধি কৰক—

"ব্ৰহ্মা আদি কৰি যত দেৱতা পণ্ডিত ।
যাহাৰ পথত হোন্ত মায়ায়ে মোহিত ॥
যাৰ মায়া বিভৱৰ নাহি পৰিচ্ছেদ ।
হেন হৰি কৰন্ত আমাৰ বুদ্ধিভেদ ।
চুম্বকৰ কাছে লোহা ভ্ৰমে যেন ঠানে ।
ভিন্ন ভৈল বুদ্ধি মোৰ বিষ্ণু সন্নিধানে" ।

"হৰমোহন"ত বিষ্ণুৱে মহাদেৱক উপদেশ দিছে :—

"দৰশনে কৰে তপ জপ যোগ ভঙ্গ
সিটো স্ত্ৰীৰূপক দেখিবা কোন কাজে" ।

তেতিয়া মহাদেৱে যিটো উত্তৰ দিলে তাত যেন তেওঁৰ মহা অহঙ্কাৰ ফাটি ফাটি পৰিছে :—

"মহা যোগ বলে শুদ্ধ কৰি আছোঁ কায়া ।
ব্ৰহ্মময় দেখোঁ কি কৰিব পাৰে মায়া" ।

যেতিয়া এই অহঙ্কাৰৰ ফল হাতে হাতে পালে তেতিয়া

আকৌ মহাদেৱে নিজক কিমান তাচ্ছিল্য কৰিছে :—

"কটাক্ষে সৃজন্ত ব্ৰহ্মাণ্ডকো কোটি কোটি।
এগোটা ডিমাৰ মই ৰুদ্ৰ এক গুটি"।

আকৌ ৰাসক্ৰীড়াৰ সময়ত গোপীসকলক এৰি কৃষ্ণ লুকাল। গোপীসকলৰ কাৰুণ্য শুনিব :—

"ব্ৰজ হন্তে ধেনু চাৰিবাক যাহা
আমাৰ মন অসুখ।
জানো পাদ পদ্মে তৃণ শিলা লাগি
প্ৰাণনাথে পান্ত দুখ॥
তোমাৰ চিন্তায়ে দিন বহি যায়
গধূলি গোপাল আসি।
অলকা আবৃত গোৰজে ৰঞ্জিত
দেখোৱা মুখ প্ৰকাশি"॥

কৃষ্ণ-বলৰামৰ বিক্ৰম দেখি হিতাহিত-জ্ঞান-শূন্য কংসৰ কথা চাব :—

"কিনো অসজ্জন বসুদেৱ সুত দুই"
নগৰৰ বাজ কৰি খেদোৱা আমাৰ।
দুষ্ট বসুদেৱক সত্বৰ কৰিয়া মাৰ॥
গোৱালৰ ধনক আগ্ৰহি সৱে লবা।
দুৰ্ম্মতি নন্দক লোহা লগাই বান্ধি থৱা॥
পিতৃ উগ্ৰসেনক সত্বৰ মাৰা নিয়া।
নাৰাখিবি যত আৰ আছে লগৰীয়া॥

আন বিলাক সকলোকে কৰ, সকলোকে মাৰ, পিতৃ উগ্রসেনকো একেলগে মাৰা।

আনফালে দামোদৰ বিপ্রৰ:—

“আতি পতিব্রতা তাহান ব্রাহ্মণী
দুখে দণ্ডে যুগ যায়।
কাম্পন্তে আসিয়া স্বামীক বুলিলা
মুখৰ মাত নোলায়॥
শুনিয়োক স্বামী মন্দভাগী আমি
সহিবো কত নিকাৰ”।

পতিব্রতা গৃহিনীৰ এই কেইটা কথাত দাৰিদ্র্যৰ কিমান নিঠুৰ নিপীড়ন ফুটি ওলাইছে। এইদৰে আৰু কিমান যে অসংখ্য উদাহৰণ আছে, তাৰ সীমা নাই।

৯। কীৰ্ত্তনৰ স্তুতি ঃ—

আদিতে কৈ আহিছোঁ যে “কীৰ্ত্তন” প্রধানতঃ আৰু ইয়াৰ গ্রন্থকৰ্ত্তাৰ উদ্দেশ্য আছিল মুখ্যতঃ লোকশিক্ষা—ধৰ্ম্ম বিষয়ত। সেই কাৰণে গোটাই কাব্যখনতে চাৰিওফালে নানাবিধ নানা প্রকাৰ স্তুতিৰে ভৰা। “নামাপৰাধ,” ‘পাষণ্ড মৰ্দ্দন’ আৰু “বেদস্তুতি”ৰ তিনটা অধ্যায় স্তুতি স্বৰূপেই লিখা; কিন্তু উপাখ্যান ভাগতো ইয়াৰ বাহুল্য কম নহয়। বৰঞ্চ উপাখ্যান ভাগৰ স্তুতিবিলাক যেন বেছ সজীৱ, আৰ্ত্ত মানু-হেহে কৰিছে। এই আটাইবিলাক স্তুতিৰ এটা বিশেষত্ব যে এইবিলাক সকলো কেইটা অত্যন্ত উদাৰ আৰু সাৰ্ব্বজনীন

বশ্ব নিয়ান্তাৰ উদ্দেশে গীত। প্ৰহ্লাদ-চৰিত্ৰৰ সেই বিখ্যাত স্তুতিঃ—

"ব্ৰহ্মা সিদ্ধ মুনি আদিয়ো নপাৰে
পূজিবে তোমাৰ পায় ।
কিবা স্তুতি নতি কৰিবোহোঁ আমি
অমূঢ় ক্ৰূৰ স্বভায় ॥

ইয়াত যেন সকলো ভক্তৰ অন্তৰৰ বাণী প্ৰকাশিত হৈ পৰিছে। এই স্তুতিবিলাকৰ আৰু এটা প্ৰধান বিষয়— দাৰ্শনিক তথ্যবোৰ। এই দুৰুহ দুৰ্বোধ্য তত্ত্ব কিমান সহজ ভাষাত কি সুন্দৰ ৰূপে প্ৰকাশ কৰিছে। তাৰ দুটা এটা চানেকি ইয়াত তুলি দিলো :—

"সমস্তে ভুতৰে যদি তুমি হৃদিগত ।
তথাপি কৰ্ম্মীৰ মান নুহিকা বেকত ॥
তুমি পৰমাত্মা তত্ব জানিলো সম্প্ৰতি ।
সত্য-মূৰ্ত্তি ধৰি সাধ অগতিৰ গতি ॥
চৰণক চিন্তে চিত্তে বিঘ্নিকো নগণি ।
নাৰকী জন্মত তেৱে আমাৰ বাঞ্ছনি" ॥

[ প্ৰহ্লাদ চৰিত্ৰ ]

এই ধৰণৰ আৰু এটা স্তুতি :—

"তুমি পৰমাত্মা জগতৰ ঈশ এক ।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক ॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ ॥

তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন" ॥ [ হৰমোহন ]

সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ব নাপাই তোমাক বিচাৰে বাহিৰত ॥
নমাগোহো সুখ ভোগ নলাগে মুকুতি।
তোমাৰ চৰণ মাত্র থাকোক ভকতি" ॥

ৰাজত্যাগী সন্ন্যাসী মুচুকুন্দৰ স্তুতিৰ দৈন্য কেনে ফুটি ওলাইছে :—

"মায়ায়ে মোহিত হুয়া যিটো জন
নভজে প্রভু তোমাক।
সুখক আশায়ে গৃহ বাসে থাকে
দৈবে বঞ্চিলেক তাক ॥
গৃহ ঘট সম দেহত নৃপতি
বোলাওঁ কৰি মতি বটি।
তোমাক নগণি হয় হস্তী ৰথে
পৃথিবী ফুৰো পর্য্যটি ॥
সুবর্ণৰ ৰথে যিটো হস্তী স্কন্ধে
ফুৰয় ৰাজা বোলায়।
কানে প্রাণে গৈল সেহিতো শৰীৰে
হোৱে বিষ্ঠা পলু ছাই ॥
সংসাৰ চক্রত চিৰকাল প্রমোদ
তোমাত নভৈল বোধ।

একোৱে প্ৰকাৰে সুখ শান্তি নাই
নিজিনিলেঁা কাম ক্ৰোধ" ॥

এই বিষয়ে বেচি কোৱা অনাৱশ্যক। যিহৰ মহিমাত শঙ্কৰ দেৱে "ভক্তিৰ হাটপাতি" গোটাই অসমবাসীক আজি প্ৰায় পাঁচ শ বছৰৰ ঈশ্বৰৰ প্ৰেমত মুগ্ধ ৰাখিছে, কীৰ্ত্তন সেই মহিমাৰ এক অপূৰ্ব্ব সৃষ্টি!

১০। **অলঙ্কাৰ ঃ—**

আৰু এটা লেখ কৰিবলগীয়া কথা অৰ্থালঙ্কাৰ আৰু শব্দালঙ্কাৰ। যিদৰে তিৰোতা মানুহে গোটাই শৰীৰতে অতি সুন্দৰ সুন্দৰ অলঙ্কাৰ আৰিলেও ভাল দেখা নহয়, অথচ সুৰুচি থকা তিৰোতাই ভালে-বেয়াই যেই সেই অলঙ্কাৰকে উপযুক্ত পৰিমানে পিন্ধিলে সৌন্দৰ্য্য ফুটি উঠে, কাব্য শাস্ত্ৰতো অলঙ্কাৰৰ ব্যৱহাৰ তেনেকুৱা। অৰ্থাৎ ভাল ভাল কবি সকলৰ কাব্য অলঙ্কাৰ গৌৰৱত কোনো অংশ নিকৃষ্ট নহয়; কিন্তু ভালকৈ গমি চালেহে অলঙ্কাৰ যে আছে তাক ধৰিব পাৰি। এনেই দেখোঁতে সুন্দৰী কামিনীৰ নিচিনা নিজৰ সৌন্দৰ্য্যতে আৰু নিজৰ সুষমাতে এই ধৰণৰ কাব্য বিলাক পৰিপূৰ্ণ। "কীৰ্ত্তন"তো কোনো অলঙ্কাৰৰ অভাৱ নাই—অথচ অলঙ্কাৰৰ চাকচিক্যই তাৰ ভিতৰত কোনো কদৰ্য্যতা লুকাব-লগীয়া হোৱা নাই, স্বভাৱতে সুন্দৰ পদক ই সুন্দৰতৰ কৰিহে তুলিছে। লোহা, চিচা, ৰূপ, সোণ—যিহৰ তিহৰ অলঙ্কাৰেৰে পূৰ্ণ নগা বা গাৰো তিৰুতাৰ দৰে সংস্কৃতৰ

দুই এক কাব্য আছে—যেনে নলোদয়; কিন্তু এনেবোৰ কাব্যৰ স্বাভাৱিক লাৱণ্য অতি কম ! কীৰ্ত্তন পঢ়ি এই দোষটো কোনেও অলপো ধৰিব নোৱাৰে। অথচ ইয়াত কেনে সুন্দৰ সুন্দৰ অলঙ্কাৰৰ সমাবেশ ! বাহুল্যৰ ভয়ত ইয়াত মুঠে "অনুপ্রাস" আৰু "উপমা" অলঙ্কাৰৰ দুটা বা এটা উদাহৰণ দিয়া হল :—

"এড়াইলন্ত" নৰসিংহে কাতি কৰি কায়
পাজৰত ফুৰে দৈত্য পতঙ্গ পৰাই ।"

বৃন্দাবন বৰ্ণনাত :—

"দেখিলাহা ইটো বিকসিত বৃন্দাবন ।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন ॥
পুষ্পিত মন্দাৰ কুণ্ড গন্ধে হুয়া ভোল ।
মধুমত্ত অনেক ভ্রমৰে কৰে ৰোল ॥" [ ৰাসক্রীড়া, ]

এনেবোৰ অনুপ্রাসৰ জক্‌মকনি এঠাইত নহয়, গোটেইখন পুথিত। ইফালে উপমাত—কৃষ্ণৰ ৰূপ বৰ্ণাইছে :—

"উৰস্থলে লক্ষ্মী দিলন্ত দেখা ।
কষটিত যেন সোণাৰ ৰেখা ॥
পীতবস্ত্রে শোভে শ্যামল কায় ।
তড়িত্ত জড়িত জলদ প্রায় ॥"

"হৰমোহ"ত মহাদেৱৰ অৱস্থা বৰ্ণনা, যেনে :—

"মদনৰ পীড়াক এড়ায়া মহাযোগী ।
ব্যধিৰ সকাশ পাইল যেন চিৰৰোগী ॥"

চিৰৰোগীয়ে ব্যাধিৰ সকাশ পোৱা যে কি আৰাম, এই পদফাঁকি পঢ়ি তাৰ ধাৰণা হয় কিছু ! শ্ৰীকৃষ্ণৰ নেত্ৰৰ বৰ্ণনা নো কি ধুনীয়া ।

"শৰত কালৰ বিকশ পদ্মাৰ
উদৰৰ শ্ৰীক নিন্দে ।
হেনয় নেত্ৰৰ কটাক্ষে আমাক
মাৰিছা তুমি গোবিন্দে ॥" [ ৰাস ক্ৰীড়া । ]

**১১। শব্দৰ বিন্যাস :—**

কীৰ্ত্তনৰ কবিতাৰ সৌন্দৰ্য্যৰ বিষয়ে অলপ কথা কোৱা হল । ৰচনাত—

বিশেষ অৰ্থ জ্ঞাপক শব্দ বিন্যাস কৰাও সুৰচকৰ এটা ডাঙৰ কীৰ্ত্তি, এই সম্বন্ধেও শঙ্কৰদেৱৰ প্ৰতিভা কীৰ্ত্তনত যিমান দেখা যায় তাক অলপ আলোচনা নকৰিলে প্ৰবন্ধ সম্পূৰ্ণ নহয় । হিৰণ্যকশিপুৱে তপ কৰে ব্ৰহ্মাক। ব্ৰহ্মা সন্তুষ্ট হৈ আহি কৈছে :—

"শৰীৰৰ মাংসক খাইলেক তোৰ উই ।"

এই "তোৰ" পদটোৰ দ্বাৰা হিৰণ্যকশিপুৰ প্ৰতি ব্ৰহ্মাৰ কিমান মৰম কিমান বেথা প্ৰকাশ পাইছে ! সেইদেখিয়েই শেষত বৰ দিছে :—

"যদ্যপি দুৰ্ল্লভ বাপ ইটো মহাবৰ ।
তথাপিতো দিলো বৰ বাঞ্ছা হোক সিদ্ধি ॥"

ইয়াত সেইদৰে "বাপ" কথাটিৰ কিমান আত্মীয়তা ।

এনে আত্মীয়তা বুজাবৰ কাৰণে এই অন্তৰঙ্গ "তোৰ" শব্দটো আৰু ব্যৱহৃত হৈছে। হৰে মোহিনীক কৈছে :—

"যেহি লাগে বোল বান্ধে তাক মই কৰোঁ।
মুখ চাই নমাত আতেসে বৰ হাৰোঁ॥
কতনো কৰিলোঁ তোৰ ঘোৰ অপৰাধ।
এভু হেন কৰ বান্ধে বচন নবাধ॥"

অথচ আন অনেক ভাৱৰ অনেক অন্তৰঙ্গ কথা আছে; আন কতো তুচ্ছাৰ্থক সম্বোধনৰ ইমান সম্ভ্ৰম নাই। সেইদৰে আন এটা শব্দ "বিপৰীত" :—

"বিপৰীত স্ত্ৰী মায়া দেখি মাধবৰ।
শুনা কেন মতে কামাতুৰ ভৈলা হৰ!"

ইয়াত 'বিপৰীত' শব্দটোৱে যেনেকৈ প্ৰথমতে প্ৰকাশ কৰিছে "অতি অদ্ভুত, অতি আচৰিত।" সেইদৰে সঙ্কেততে যেন পুৰুষৰূপী শ্ৰীকৃষ্ণই স্ত্ৰী মায়া ধৰা ওলোটো কথাটোকে কৈ দিছে। এনে দৰৰে প্ৰয়োগ :—

"গোপিকাৰ দেখি প্ৰেম ভাৱ বিপৰীত।
ভৈলন্ত গোপাল অতি ব্যাকুলিত চিত॥"

ইয়াত "বিপৰীত' প্ৰেম দেখি গোপাল ( মাধৱ, কৃষ্ণ বা আন নাম দিয়া নাই ) হে গোপিকাৰ কাৰণে ব্যাকুল হল।

'হৰমোহন' ত হৰ-পাৰ্ব্বতী কৃষ্ণক দেখা কৰিবৰ কাৰণে বৈকুণ্ঠলৈ আহিল। কৃষ্ণই—

শঙ্কৰক দেখি পাছে তুলিলন্ত হাসি।"

এই "তুলিলন্ত হাসি" কথাটোৰ প্ৰয়োগৰ দ্বাৰা যেন অ
র্য্যামী হৰিয়ে মহাদেৱৰ কি লটি ঘটি হবলৈ আছে তা
জানিহে ৰহস্যৰ হাঁহি মাৰিছে—এই ভাৱটো কেনে সুন্দ
ৰূপে প্ৰকাশ হৈছে !

ৰাসক্ৰীড়াৰ সময়ত গোপীসকলে নিশা বৃন্দাবনত যমুনা
বালিত ক্ৰীড়া কৰে, আৰু দিনত যশোদাৰ আগত কৃষ্ণ
গুণ বখানে। এদিন কৈছিলঃ—

"যেখনে বংশীক চুম্বি তোলে স্বৰজাতি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱো হোৱে মোহ আতি ॥"

ইয়াত "চুম্বি" শব্দৰ দ্বাৰা গত ৰজনী কাম ক্ৰীড়াৰ চুম্বন
স্মৃতি কি সুমধুৰ ভাৱে প্ৰকাশ কৰা হৈছে। গোপীকা
যেন পূৱ ৰজনীৰ স্মৃতিও গা শিহঁৰাই শিহঁৰাই হে কৈছে—
"যেখনে বংশীক চুম্বি তোলে স্বৰজাতি।" শ্ৰীকৃষ্ণ
মথুৰালৈ গৈ তাত কংসক মাৰিলে আৰু ৰাজ্যৰ লেঠাত
পৰি বৃন্দাবনলৈ আহিব নোৱাৰি সখি উদ্ধৱক পঠালে গোপী
সকলক সান্ত্বনা দিবলৈ :—

"আমাৰ পৰম তুমি ভকত।
যায়ো গোকুলক চৰি ৰথত ॥
বচন সন্দেশ গোপীক কই।
প্ৰবোধ দিবা কত দিন ৰই ॥"

গোপীক যি বচনৰ বাৰ্ত্তা দিবা সি যেন সন্দেশ তুল্য হয়
অথবা গোপী সকলৰ মনত সেই বাৰতা সন্দেশ তুল্য হব !

এনেকুৱা ব্যৱহাৰ, শব্দৰ এনে বিচিত্ৰ বিন্যাস আৰু অলেখ, পাতে পাতে, ছত্ৰই ছত্ৰই, অৱশ্যে আমি ভাবিব নালাগে যে কবি সকলে ভাবি চিন্তি চাইহে এই শব্দবোৰ এইদৰে ব্যৱহাৰ কৰে। কবি প্ৰতিভাৰ ই এটা প্ৰধান অঙ্গ।

শব্দ বিন্যাসৰ প্ৰসঙ্গত আমি আৰু এটা কথা উনুকিয়াব লাগে। আমাৰ অনেকৰ বিশ্বাস যে শঙ্কৰদেৱ প্ৰভৃতি "অপ্ৰমাদী পূৰ্ব কবি" সকলে সদাই কথা-বাৰ্ত্তা কোৱাত অসমীয়া শব্দবোৰ ব্যৱহাৰ নকৰিছিল। ই এটা আমাৰ ভুল ধাৰণা। কীৰ্ত্তনৰ ৰচনাৰ পৰা এনে দুটা মান শব্দৰ প্ৰয়োগ দেখুৱা হল:—

"কৃষ্ণৰ কীৰ্ত্তন, নকৰি থাকয়,
আনসে কথা চোবাই।"
"আনন্দে লোতক পৰে ঝৰি,
গেৰি পাৰি বোলে ৰাম হৰি।"
"হস্তি—হস্তিনীক কৰায়ে স্নান,
পীয়াৱে জল গৃহস্থৰ ঠান।"
"কতো উঠি কন্যাক কৰন্ত কাওবাও।"
,থয় দঙ্গা দিয়া পাছে তুমি দামোদৰ।
অনৰ্থ কৰিয়া ফুৰা গোৱালীৰ ঘৰ॥"
"আখাতে থাকিল চক্ৰ দুগ্ধ সৈতে পৰি।"

প্ৰতিটি শব্দৰ কেনে সুসঙ্গত ব্যৱহাৰ, তাকো লক্ষ্য কৰিব লগীয়া।

১২। **শব্দৰ দ্বাৰা ছবিৰ ভাৱ প্ৰকাশ :—**

শব্দ—সমাবেশৰ এই কৌশলৰ লগত কেৱল শব্দৰ দ্বাৰা কেনে সুন্দৰ সুন্দৰ একোখন ছবি অঁকা হৈছে তাকো মন নকৰি নোৱাৰি। বোধকৰোঁ এনে যিবোৰ ছবি আছে, সুনিপুণ চিত্ৰকৰে তাৰ পৰা অতি সুন্দৰ চিত্ৰ আঁকি লব পাৰে। ব্ৰহ্মাৰ পুত্ৰ চাৰি সিদ্ধৰ বৰ্ণনা অতি সংক্ষেপ অথচ পঢ়িলেই যেন সিদ্ধ সকলক আগতে দেখিলোঁহে।

"ব্ৰহ্মাৰ মানস চাৰি তনয়।
ভ্ৰমন্ত আকাশে আনন্দ ময়॥
পঞ্চ বৰষীয়া শিশু সঙ্কাশ।
নাহিকে বস্ত্ৰ সবে দিগবাস॥

শ্ৰীকৃষ্ণৰ দুটা ভঙ্গিমাৰ বৰ্ণমালৈ মন কৰক :—

"বাম বাহুত বাম কপোল থাপিয়া।
মধুৰ বেণুক আনি অধৰে অৰ্পিয়া॥
ৰন্ধ্ৰমধ্যে কোমল আঙ্গুলীচয় চালি।
যেতিক্ষনে বংশী ডাক দেন্ত বনমালী॥"

তেতিয়া গোপীকাৰ নালাগে, সেই ভুবন মোহন ৰূপ আৰু প্ৰাণ উতলোৱা সুৰত কি জানি বৃন্দাবনখনেই শিহঁৰি উঠিছিল। যমুনাই আনন্দতে ওফন্দি পৰিছিল আৰু লীলা ৰহস্যময় ব্ৰজৰ চৰাই চিৰকিটিয়েও অৱশ হৈ আনন্দ উপভোগ কৰিছিল। আকৌ—

"এক প্ৰিয় গোপৰ কান্ধত হস্ত থই ।
গৰুক গণন্ত কদাচিত ননী লই ।
পিন্ধিয়া গলত গণ্ঠা তুলসী মালাক ।
যেবে সেহি বেলাত বংশীৰ দেন্ত ডাক ॥
শুনি কৃষ্ণসাৰ হৰিণাৰ ভাৰ্য্যাগণে ।
কৃষ্ণৰ সমীপ চাপে উত্ৰাৱল মনে ॥"

কৃষ্ণসাৰ মৃগাঙ্গনাসকলৰ এনে ভাৱত আচৰিত হোৱাৰ আৱশ্যক নাই। তেনে হেনে সুমধুৰ বংশীৰ নিঃস্বনত কি জানি সাধুকথাৰ ফকীৰৰ বীনাত গোটেই গাওঁ বিমুগ্ধ হোৱাৰ দৰে গোটেই বিশ্ব উত্ৰাবল হলহেতেন।

এনে আবেগময় চিত্ৰৰ পাছতে মহাদেৱৰ এটা হাঁহিউঠা চিত্ৰলৈ চাই মনটো পাতলাবলৈ বোধকৰো বেয়া নহব :—

"বহ্নিৰ সংযোগ যেন উথলিল ঘৃত ।
দুঃসহ মদন শৰে জৰ্জৰিত চিত্ত ॥
একো নেদেখন্ত কামাতুৰ ভৈলা হৰ ।
কন্যাক ধৰিবে মন দিলেক লৰঁৰ ॥
খটমট কৰি বাজে গলে মুণ্ডমাল ।
কঙ্কালৰ সুলকি পৰিল বাঘ ছাল ॥"

মহাদেৱৰ এনে হেন মূৰ্ত্তি দেখিতো সুৰাসুৰ সকলো অবাক ! আশ্ৰমৰ মজেদি লৰি যাওঁতে—

"দেখি ঋষি পত্নীগণে হাসে নিৰন্তৰে ।
কেহো মুখে বস্ত্ৰ দিয়া পশে অভ্যন্তৰে ॥

উন্মত্ত পাগল কিনো ভৈলা মহাদেৱ।
কেনমতে আঙ্ক সুৰাসুৰে কৰে সেৱ ॥
উলঙ্গতে খেদন্ত কাহাৰ বউ জীউ ॥
লাজ কাজ মৰ্য্যদা এৰিলা সদাশিউ।
এহি বুলি ঝুমা-ঝুমি হাসে সব সখী ॥

যি হক, ঋষি পত্নী সকলো পৃথিবীৰে তিৰুতা। তেওঁ বিলাকৰ হাঁহি দেখি আমাৰো বৰ হাঁহি উঠিব খোজে, বিশেষকৈ এই বুঢ়া যোগীটোৰ বুঢা বয়সৰ এনে লাঞ্ছনাত।

১৩। **কীৰ্ত্তনৰ কবিতা** (Lyrics & Ballads)

এইখিনি গল সংক্ষেপতে ৰচনাৰ সৌন্দৰ্য্যৰ কথা। এই সৌন্দৰ্য্যখিনি চোৱাৰ চকু হৈছে সমালোচকৰ critics. কিন্তু— সচৰাচৰ critic আৰু শৱব্যবচ্ছেদকৰ চকু একে, ভাঙি পাতি কাটি-মাৰি খণ্ড-বিখণ্ডকৈ চোৱাৰ সৌন্দৰ্য্য। Operation Room আৰু পৰীক্ষাৰ কাকতত বাদে এনে আলোচনাৰ বৰ মূল্য নাথাকে! গোট গোট হিচাবে কবিতাত চাবলৈ গলেও কিন্তু কীৰ্ত্তনখন কম সৌন্দৰ্য্যপূৰ্ণ নহয়। প্ৰহ্লাদ চৰিত্ৰ এখন নিজ সম্পূৰ্ণ কাব্য। সেইদৰে স্যমন্তক হৰণ এটি সুন্দৰ খণ্ড কবিতা যাক ইংৰাজীত বোলে ballad. বিপ্ৰপুত্ৰ আনয়নৰ দৰে Romantic কবিতা দুটা এটাহে সাহিত্যত পোৱা যায়! দামোদৰ বিপ্ৰোপাখ্যান এনে এটা সৰ্ব্বাঙ্গ সুন্দৰ Ballad যে কেৱল এই উপখ্যানটো ৰচনা কৰিয়েই আন এজন মানুহে "কবিযশঃ প্ৰাৰ্থী" হলে তাক "মন্দ" আখ্যান দিয়া টান হলহেতেঁন।

সেইদৰে Lyrical কবিতাত আৰু প্ৰেমৰ বা বিৰহৰ সঙ্গীতত শঙ্কৰ দেৱৰ মধুৰতো সুমধুৰ কবি প্ৰতিভা যেন কি ৰসত উচ্ছসিত হৈ উঠে ! অথচ "কীৰ্ত্তন" এইজনা কবিৰ প্ৰথম ৰচনা আৰু মাজে সময়ে কৰা ৰচনাৰ এটি সংগ্ৰহ । শঙ্কৰদেৱৰ ৰচনাৰ মানত কীৰ্ত্তনৰ সাহিত্যিক ঠাই কিছু নামত । ইয়াৰে দুটা খণ্ড-কবিতা ইয়াত তুলি দিয়াৰ লোভ সামৰিব পৰা টান হল, ধৰ্ম্মৰ ভাৱত—

"অসাৰ সংসাৰ নাই ইহাত বিশ্বাস ।
জানি হৰি ভকতিক কৰিয়ো অভ্যাস ॥
মনুষ্যৰ আয়ুসত বৰিষ সংখ্যাত ।
অৰ্দ্ধেক নিস্ফলে যায় জানিবা নিদ্ৰাত ॥
বিংশতি বৰিষ আৰ যায় ওমলন্তে ।
নেয় দশ বৰিষ ধনক উপাৰ্জন্তে ॥
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি ।
একো কাৰ্য্য সাধিবাক নাহিকে শকতি ॥
শৰীৰকো পীড়ে ব্যাধি চক্ষুৱে নাকলে ।
আশা পাশে থাকিয়া গৃহত থাকি গলে ॥
হেনজানি শিশুসৱ এৰা আন কৰ্ম ।
কৰিয়ো কুমাৰ কালে ভাগবত ধৰ্ম ॥"

এনে হেন গম্ভীৰ ধৰ্মোপদেষ্টাৰ এটা বিৰহ সঙ্গীতলৈ অলপ কান দিব যেন । ৰাসৰ সময়ত কৃষ্ণ লুকাই আছে ; গোপীসকলে বিচাৰি নাই পোৱা ; বিৰহতে আকুল হৈ—

"উচ্চ বৃক্ষ দেখি সোধে সাদৰি ।
শুনিও অশ্বথ বট পাকৰি ॥
যাহন্তে দেখিলা নন্দ কুমাৰ ।
নেন্ত চুৰি কৰি চিত্ত আমাৰ ॥
হে কুৰুবক অশোক চম্পা ।
কহিয়া কথা কৰা অনুকম্পা ॥
মানিনীৰ দৰ্প কৰিয়া চুৰ ।
জানাহা কৃষ্ণ যান্ত কতদূৰ ॥
ওবা তুলসী সমিধান দিয়া ।
তুমি গোবিন্দৰ চৰণ প্ৰিয়া ॥
যাহন্তে দেখিলা নন্দ কুমাৰ
প্ৰণাতো অধিক প্ৰিয় আমাৰ ॥
হে জাতি যুতি সখী মালতী ।
কৃষ্ণ পৰশে কি লভিলা গতি ॥
সমস্তে গোপীৰ জীৱন ধন ।
দেখিলা যাহন্তে নন্দ নন্দন ।
হে আম জাম বেল বকুল ।
নাহি উপকাৰী তোমাৰ তুল ॥
কৃষ্ণৰ বিৰহে দেখোঁ আন্ধাৰ ।
কোৱা কৈক গৈলা প্ৰাণ আমাৰ ।
কিনো তপ ওবা কৰিলা ভূমি ।
কৃষ্ণৰ চৰণ পৰশি তুমি ॥

মিলি আছে অতি আনন্দ ভাৰ ।
দেখোঁ ৰোমাঞ্চিত তোমাৰ গাৱ ॥
পূৰ্বতো বৰাহে আছে আলিঙ্গি ।
তুমি সৰ্বকালে কৃষ্ণৰ সঙ্গী ॥
দেখিছা কৃষ্ণক জানো নিশ্চয় ।
কহিয়ো আমাত হুয়া সদয় ॥
মৃগ পত্নী সখি দেখিলা হৰি ।
তোমাৰ নেত্ৰৰ আনন্দকাৰী ॥
যান্তে প্ৰিয়া সমে গতি বিলাসে ।
হেৰা কুন্দ গন্ধ কুঙ্কুম বাসে ॥
কতো গোপী বোলে শুনিয়ো বাণী ।
লতাত কৃষ্ণৰ পুছা কাহিনী ॥
কৃষ্ণৰ নখৰ পৰশ পাই ।
দেখো পুলকিত সমস্ত কায় ॥”

এই সঙ্গীতটিৰ প্ৰতি শব্দত আৰু প্ৰতি শাৰীত কেনে বিষম বিৰহৰ ব্যাকুল ব্যথা বাজি উঠিছে ! এনে নিখুত কবিতা জগতৰ যেই সেই সাহিত্যৰ আৰু পৃথিবীৰ যেই সেই ভাষাৰ গৌৰৱ বস্তু ।

( অসম সাহিত্য সভা পত্ৰিকা । )

---

২৩।১২।১৭ তাৰিখে শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত পঠিত ।

# আৰ্য্য ধৰ্ম্ম

লোকনাথ ধৰাধীশ বেদ-বেদান্ত কীৰ্ত্তিত ।
দেহি মে কৃপয়া শক্তিং লোকানামুপকাৰিনীম্ ॥
ময়া নৰসেবাং কৃত্বা সৰ্বাবস্থাসু সৰ্ব্বদা ।
সকলঃ জীৱিতশ্চাহং কৃত কৃত্যশ্চ নৰ্ম্মদঃ ॥”

“উপজিলা ৰাজা হৈয়া
দৈত্য অসংখ্যাত ।
বলৰ দৰ্পত কৰে
সন্তক বিঘাত ।
তাৰ ভাৰ সহিবে
নপাৰী বসুন্ধৰী ।
ব্ৰহ্মাণ্ড শৰণ লৈলা
ধেনুৰূপ ধৰি ॥

শ্ৰীমদ্ভাগৱতৰ দশমস্কন্ধত কৃষ্ণঅৱতাৰ বৰ্ণনাৰ প্ৰসঙ্গত আদিতে কোৱা হৈছে যে ভগৱতী ধৰিত্ৰীয়ে অসুৰ বিলাকৰ অত্যাচাৰত নিপীড়িত হৈ ধেনুৰূপ ধৰি ব্ৰহ্মাত গোচৰ দিলে— তেওঁৰ ভূভাৰ হৰণ কৰিবলৈ । ব্ৰহ্মায়ো ধৰিত্ৰীক প্ৰবোধ দি পঠালে । আৰু তাৰ পাচত কৃষ্ণৰূপী ভগবান অৱতাৰ হৈ দুষ্টক দমন কৰি সন্তক পালন কৰিবলৈ দিহা লগাই থৈ গ'ল । সেই কথা এক অতীত যুগৰ ।

DIBRUGARH R. S. KANOI COLLEGE LIBRARY Accession No. 12411



ছলিকালত এই কথা পঢ়ি সাধুকথা যেন লাগিছিল । মহাভাৰতৰ ৰামায়ণৰ কথাও কাল্পনিক উপন্যাস বুলি ভাৱ হৈছিল। এইবিলাক আখ্যানৰ ঐতিহাসিক ভেটি থাকক বা নাথাকক, যি যি অৱস্থাত সেই সেই ঘটনা ঘটিছিল সেইবোৰ অৱস্থাযে যুগে যুগে মানুহজাতিৰ ইতিহাসত ঘটি আহিছে তাক এতিয়া বুজিব পৰা অভিজ্ঞতা আমাৰ বয়সৰ মানুহৰ হৈছে ।

বৰ্ত্তমান সময় তেনে এটা যুগ পৰিবৰ্ত্তনৰ সময় । বিংশ শতাব্দীৰ আগ ভাগৰ পৰা এই প্ৰায় অৰ্ধ শতাব্দীকাল মানবজাতিৰ ইতিহাসত এটা আমূল পৰিবৰ্ত্তন ঘটিব ধৰিছে, এই পৰিবৰ্ত্তনৰ শেষ ফল কি হয় কোনেও কব নোৱাৰে । অনেকে ভাবে যে এই মহাযুদ্ধৰ ফলত বৰ্ত্তমান প্ৰতীচ্য কৃষ্টি-মূলক সভ্যতাৰ নাশ হব, আৰু মানব জাতি এটা ঘোৰ অন্ধ-কাৰ যুগৰ মাজত সোমাব লাগিব । আন কিছুমানে এই দুৰ্ব্বাৰ যুদ্ধ মহাধ্বংশৰ পাচত এটা শান্তি পূৰ্ণ আৰু সমৃদ্ধিশালী সময়ৰ আশা কৰে । এনে দুশ্চিন্তা আৰু অনিশ্চয়তা পূৰ্ণ সময়ত আমি সকলোৱে আমাৰ নিজৰ নিজৰ বুদ্ধি বৃত্তি অনুসাৰে আমাৰ কৰ্ত্তব্যাকৰ্ত্তব্য এবাৰ এবাৰ বিচাৰ কৰি চোৱা উচিত । কোৱা বাহুল্য যে আমি পাৰিলে সকলোৱে সুখ শান্তি আৰু স্বচ্ছন্দতাত পুত্ৰ পৰিবাৰ লৈ বহি থাকিবলৈ আকাঙ্খা আৰু আশা কৰোঁ ।

বৰ্ত্তমান এই মহাযুদ্ধৰ মূল কাৰণ ভাবিবলৈ গলে এটা কথাত ওলাব—অৰ্থলোভ । অৰ্থলোভ নিজৰ কাৰণে, নিজৰ

বিলাসৰ কাৰণে, নিজৰ ভোগৰ কাৰণে। এই লোভৰ সীমা নাই। শ-পতিয়ে হাজাৰ আকাঙ্খা কৰে। হাজাৰ-পতিয়ে লক্ষ, লক্ষ-পতিয়ে কোটি ইত্যাদি। এই আকাঙ্খাৰ আগত ভাল-বেয়া, সৎ-অসৎ, নীতি-অনীতি—একোৰে স্থান নাই। এই দুষ্পুৰ অনলৰ নিছিনা অৰ্থ তৃষ্ণাই মানুহৰ মনৰ উচ্চ বৃত্তি সমূহক পুৰি ছাই কৰে; এই দুৰ্ব্বাৰ আকাঙ্খাৰ হেচাৰ তলত পৰি মানুহৰ সুকুমাৰ বৃত্তি সমূহ ভাঙি চুৰমাৰ হৈ যায়। ইয়াৰ শেষ নাই। এয়ে "দানবোশ্বা বাধা" 'ধৰ্ম্মৰ গ্লানি, অধৰ্ম্মৰ অভ্যুত্থান। এই বাধা গুচাবলৈ এই গ্লানি দূৰ কৰিবলৈ আৰু ধৰ্মৰ সংস্থাপনৰ অৰ্থে আমাৰ শাস্ত্ৰমতে ভগবন্তৰ যুগে যুগে অৱতাৰ হয়। আন জাতিৰ শাস্ত্ৰতো এনে এটা আশীষ বাণী দেখা যায়। তেওঁলোকেও বিশ্বাস কৰে যে জগতত চিৰকাল দুৰ্নীতি আৰু দানৱতাৰ তাণ্ডব লীলা চলি থাকিব নোৱাৰে। প্ৰচণ্ড ধুমুহাৰ পাচত আকাশ মুকলি হোৱাৰ দৰে, নানা প্ৰকাৰ অনাচাৰ অত্যাচাৰৰ ক্ৰিয়াৰ পাছত জগতত ধৰ্মৰাজ্য বিস্তাৰ হয়।

আমাৰ শাস্ত্ৰতনো মানৱ জাতিয়ে কি প্ৰকাৰে এনে অৱস্থাৰ পৰা মুক্ত হৈ থাকিব পাৰে তাৰ অৰ্থে কি উপদেশ দিছিল। আমাৰ ধৰ্মই নো এই জটিল সমাজ শৃঙ্খল হৈ চলিবলৈ কি উপায় উলিয়াইছিল, তাৰ আলোচনা আজিৰ এই সংকট সময়ত অতি উপযোগী বুলি মই ভাবোঁ।

আৰ্য্য শব্দৰ অৰ্থ শ্ৰেষ্ঠ ; ব্যুৎপত্তিগত অৰ্থ মূলত যি কি নাথাকক। সেই দেখি আৰ্য্য ধৰ্ম হিন্দু ধৰ্ম বুলিলে সাধাৰণতে যি বুজা যায় অকল সেই কথাই নহয়। আৰ্য্য ধৰ্মৰ অৰ্থ এই— প্ৰাচীন কালত আৰ্য্যসকলে যি ধৰ্ম আচৰণ কৰি নিজৰ নিজৰ আৰু নিজৰ সমাজৰ সংৰক্ষণ আৰু উন্নতি কৰিছিল সেই বিলাক আচৰণ, সেই বিলাক অনুষ্ঠান। ধৰ্ম্ম শব্দটোৰ অৰ্থ মই অলপ পাছতেই কৈছোঁ। বুৰঞ্জীৰ মতে আৰ্য্যবিলাকৰ বাসস্থান কেৱল ভাৰততে আৱদ্ধ আছিল। কিন্তু পাচলৈ আৰ্য্য আৰু আৰ্য্যবৰ্ত্ত' আদি শব্দই ভাৰতৰ অধিবাসী আৰু ভাৰত-বৰ্ষ দেশকে প্ৰধানতঃ বুজাই আহিছে। ইয়াতো ভাৰতৰ প্ৰাচীন ঋষিমুনি সকলে সমাজ তথা ৰাজ্য শাসনৰ কি ব্যৱস্থা কৰি প্ৰজা পালনৰ কি দিহা দিছিল আৰু ব্যক্তিগত জীৱনৰ সুখ শান্তি বিধানৰ কাৰণে কি উপায় উলিয়াইছিল —এই কথা সংক্ষেপ কৰি আলোচনা কৰিব খুজিছোঁ।

ইংৰাজী শিক্ষাৰ ফলত এটা কথা হৈছে যে আমি বিশেষ কৰি হিন্দুবিলাক "ধৰ্ম্ম" শব্দটো শুনা মাত্ৰকতে ভয় খাওঁ। আমি ভাবোঁ ধৰ্ম্ম, অৰ্থ, পূজা, শ্ৰাদ্ধ, ফুল নৈবেদ্য, কাপোৰ, দক্ষিণা আৰু শেষত অৰ্থ-গৃধ্নু চতুৰ বুদ্ধিৰ ব্ৰাহ্মণ। মুছলমান সমাজতো আৰু খৃষ্টান সকলৰ মাজতো গুৰু-পুৰোহিতৰ প্ৰতি এনে অৱজ্ঞা আৰু অসূয়া পূৰ্ণ ভাৱৰ অভাৱ নাই। এনে ভাৱৰ কাৰণ নাই বুলিও মই কব খোজা নাই। কিন্তু সেই কথা আজিৰ আলোচ্য নহয়। শাস্ত্ৰত ধৰ্ম্ম শব্দৰ অৰ্থ বৰ ব্যাপক।

"প্ৰভাবাৰ্থায় ভূতানাং ধৰ্ম্ম প্ৰবচনম্ কৃতম্ ।
যঃ স্যাৎ প্ৰভব-সংযুক্তঃ স ধৰ্ম্মবিতি নিশ্চয়ঃ" ॥
[ মহাভাৰত শান্তি পৰ্ব ।

ভূতবিলাকৰ ( of all beings ) প্ৰভাৱ বা উন্নতিৰ অৰ্থে ধৰ্ম্ম এই কথা কোৱা হৈছে । যি প্ৰভৱ-সংযুক্ত সেয়ে ধৰ্ম্ম । ই নিশ্চয় ।

এনে ধৰণৰ কথা আমাৰ শাস্ত্ৰত অলেখ । মহাভাৰত নিজেই অনেক শাস্ত্ৰ আৰু উপদেশৰ এখন মহাসাগৰ । তাৰ ভিতৰত শান্তি পৰ্বত নানা প্ৰকাৰ নীতি আৰু উপদেশৰ সাৰ সংকলন আছে ।

এই ধৰ্ম্মৰ সাধন প্ৰণালী সাধাৰণৰ পক্ষে আচাৰ—ব্যৱহাৰ । "আচাৰ প্ৰভৱো ধৰ্ম্মঃ আচাৰাৎ মুক্তি মাপ্নুয়াৎ"—এনেকুৱা বচনে অনুষ্ঠান আৰু ক্ৰিয়াৰ মূল্যৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰে । এইটো হৈছে সাধাৰণ লোকৰ পক্ষে । প্ৰতিজন মানুহে জ্ঞান বিজ্ঞান যুক্ত হৈ নিজৰ নিজৰ কাৰণে কোনো এটা মাৰ্গ বা পথ বিচাৰি উলিয়াব নোৱাৰে । সমাজবিধি কৰ্ত্তাসকলে সকলো মানুহ কি অৱস্থাত থাকি কি আচাৰ ব্যৱহাৰ পালন কৰি কি খাদ্যাখাদ্য খাই প্ৰাণ-ধাৰণ কৰিব আৰু জীৱন স্বাস্থ্য আৰু শান্তি আৰু স্বচ্ছন্দতাৰ মাজত নিয়াব পাৰিব তাৰ ব্যৱস্থা কৰে । আজিকালিৰ সমাজতো কৰে আৰু পূৰ্ব্ব পূৰ্ব্ব সমাজতো কৰিছিল । সকলো সমাজব্যৱস্থাপক তথা

ৰাজ্য-পালকসকলৰ মুখ্য উদ্দেশ্য হব লাগে প্ৰজা-পালন। প্ৰজা-পালন অৰ্থ দোৰ্দণ্ড প্ৰতাপেৰে শাসন কৰা বা মানুহক ভয় আৰু অভাৱৰ বলত ৰাখি নিৰ্জীৱ শান্ত অৱস্থাত ৰখাই নহয়। পালন অৰ্থে ৰক্ষণ। যাৰ যি ভাল আছে তাক ৰাখিব লাগে। যাৰ যি বেয়া আছে তাক গুচাব লাগে। যাৰ দৈন্য আছে তাৰ দৈন্য গুচাব লাগে। যাৰ প্ৰাচুৰ্য্য আছে তাৰ পৰা দীনক দিয়াবৰ উপায় কৰিব লাগে। জীৱনত আনন্দ লাগে, নিৰ্ভয়তা লাগে, উৎসাহ লাগে, আকাঙ্ক্ষা লাগে। বলীয়ে নিৰ্ব্বলক সহায় কৰিব লাগে; উৎপীড়ন কৰিলে বলৰ অপব্যৱহাৰ হয়। বিজ্ঞজনে অজ্ঞ-জনক সজশিক্ষা দিব লাগে; বুদ্ধি ভ্ৰংশ কৰালে নিজৰ আৰু সমাজৰ অপকাৰ কৰা হয়। ধনবন্তই নিৰ্ধনীক উপাৰ্জনৰ বাট দেখুৱাই দিব লালে; শোষণ কৰিলে নিজৰ বুদ্ধিৰ নিজৰ সামৰ্থ্যৰ সদ্ ব্যৱহাৰ কৰা নহয়। এই প্ৰকাৰে সকলোৱে মিলি জুলি সংঘবদ্ধ হৈ পৰস্পৰে পৰস্পৰৰ হিতৰ অৰ্থে জগতৰ গতি নিয়ত কৰিব লাগে।

ইয়াকে কৰিব নোৱাৰাৰ পৰা, অথবা এই লক্ষলৈ মন কৰি, নিজৰ নিজৰ সংকীৰ্ণ আৰু ক্ষুদ্ৰ স্বাৰ্থৰ অৰ্থে সক-লোৱে যত্নপৰ হোৱাৰ পৰা সমাজত নানা প্ৰকাৰ দুৰ্গতি, দুৰ্নীতি, নিৰ্যাতন আৰু ভীতি সমূহৰ উৎপত্তি হৈছে। শৰীৰ ভালে থাকিবলৈ শৰীৰৰ প্ৰতি অঙ্গ ভালে থাকিব লাগে। সমাজ ভালে থাকিবলৈ সমাজৰ প্ৰতিজন লোক কুশল

অৱস্থাত থাকিব লাগে। আৰু জগত ভালে থাকিবলৈকে প্ৰতি সমাজ, প্ৰতি জগৎবাসী পৰস্পৰে পস্পৰৰ প্ৰতি মৈত্ৰী, প্ৰীতি আৰু সহানুভূতিশীল হব লাগে।

এনে সবল, সুন্দৰ, স্নেহশীল জীৱন তথা সমাজ গঠনৰ কাৰণে আমি তলত দিয়া প্ৰশ্ন কেইটা গভীৰ ভাৱে বিবেচনা কৰি চোৱা আৱশ্যক।

(১) জীৱনৰ লক্ষ্য কি অৰ্থাৎ আমি কি কৰিবলৈ জীয়াই আছো আৰু জী থাকিবলৈ ইচ্ছা কৰো।

( ২ ) ইয়াৰ বাবে আমাৰ জীৱনটোক কি প্ৰকাৰে নিয়ন্ত্ৰণ কৰা উচিত।

আৰু [ ৩ ] প্ৰতিজন মানুহে কি প্ৰকাৰে চলিলে আমি নিজে আৰু আন সকলোৱে সুখ শান্তিত থাকি, অভাব আৰু ভয়ৰ পৰা মুক্ত হৈ থাকিব পাৰিমহঁক। প্ৰেসিডেণ্ট ৰুজভেল্টে তিনি প্ৰকাৰ মুক্তি কামনা কৰে—জগৎবাসী লোকৰ পক্ষে—তাৰে দুৰকম হৈছে ভয়ৰ পৰা মুক্তি, অভাৱৰ পৰা মুক্তি।

আৰ্য্য ধৰ্ম্মৰ ব্যৱস্থাপক সকলে এই বিলাক সমস্যা-সাধনৰ কাৰণে তিনিটা উপায় বিধান কৰি গৈছে। প্ৰথম চতুবৰ্গ, দ্বিতীয়—চতুৰ্বৰ্ণ, আৰু তৃতীয় চতুৰাশ্ৰম। সংক্ষেপতে ইয়াক বৰ্ণাশ্ৰম ধৰ্ম্ম বোলা হয়। এই বৰ্ণাশ্ৰম ধৰ্ম্মৰ কথা মই যি বুজিব পাৰিছো তাৰে চমু আলোচনা ইয়াত কৰিব ইচ্ছা কৰিছো।

চতুৰ্বৰ্গ হৈছে ধৰ্ম্ম,-অৰ্থ,-কাম-মোক্ষ। ধৰ্ম্ম শব্দৰ অৰ্থ আগত অলপ আলোচনা কৰা হৈছে। কৰ্ত্তব্য, সদাচাৰ, ক্ৰিয়াপতুতা, আদি কথাবিলাক এই অম্বয়ৰ ভিতৰত পৰে। অৰ্থ শব্দৰ অৰ্থ হৈছে জীবিকা নিৰ্ব্বাহ কৰিবৰ উপায় কৰি তাৰ পৰা ধনাদি সম্পত্তি সংগ্ৰহ আৰু তাৰ ভোগ। টকা কৰি, ঘৰদুৱাৰ, যান বাহন, মাটি-সম্পত্তি, পুত্ৰ-পৰিবাৰ, ভৃত্য-পোষ্য, বিলাসৰ উপকৰণ, ভোগৰ সামগ্ৰী—এই সকলো বিলাক অৰ্থ। আমি নানাজনে নানাৰকমে অৰ্থ উপাৰ্জ্জন কৰোঁ। কিন্তু অৰ্থৰ প্ৰকৃত ব্যৱহাৰ আমি খুব কমহে জানো। শাস্ত্ৰত আমি পাইছো

"আত্মানং ধৰ্ম্ম কৃত্যঞ্চ পুত্ৰ দাৰামাম্ চপীড়য়ম্।
মোহাদ্ মঃ প্ৰবিনোত্যৰ্থং সকদৰ্য্য ইতি স্মৃতঃ॥"

[শ্ৰীধৰ স্বামীৰ টীকা।

আকৌ "পঞ্চধা বিভজেৎ অৰ্থং যশায় চ সুখায় চ।
ধৰ্ম্ম সঞ্চয় পৰেভ্যঃ তদৰ্থং সদুপাৰ্জিতম্॥"

[ভাগৱত ৭ম স্কন্ধ।

"ধৰ্মাৰ্থ কাম মোক্ষানাং প্ৰাণাঃ সংস্থিতি হে এব" কথাষাৰ আমাৰ সকলোৰে মুখে মুখে। ইয়াৰ বহল বাখ্যা নিস্প্ৰয়োজন।

কাম শব্দেটোৰ অৰ্থ বিপৰ্য্যয় ঘটিছে। এতিয়া এই শব্দৰে আমি ভোগৰ আকাঙ্খা মাত্ৰ বুজো। কিন্তু কম্ ধাতুৰ মূলগত অৰ্থ লৈ চালে কাম শব্দৰ প্ৰকৃত তাৎপৰ্য্য ধৰিব পাৰি। যিহক কামনা কৰা যায় সেয়ে কাম্য। যিয়েই কমনীয়, যিহে কান্তি দিয়ে সেই সকলোবিলাক "কাম"ৰ ভিতৰত পৰে।

মূঠতে কলা বিদ্যা, সুকুমাৰ শিল্প আদি শব্দেৰে যি বুজা য
"কাম" সমষ্টিগত সেই অৰ্থত ব্যৱহৃত হৈছে। বাৎস্যায়
প্ৰভৃতিৰ কাম সূত্ৰত এই কথাবিলাক স্পষ্ট ভাৱে উল্লে
আছে। শেষত মোক্ষ হ'ল সকলো সাংসাৰিক চেষ্টাৰ পৰ
ফল। সংসাৰ বন্ধনৰ পৰা, মোহ দ্বেষাদিৰ পৰা, সুখ দু
জ্ঞান আদিৰ পৰা মুক্তি।

এই চাৰিবিধ মানুহৰ পুৰুষাৰ্থ। ধৰ্ম-অৰ্থ-কাম-মোক্ষ
এই পুৰুষাৰ্থৰ লাভৰ কাৰণে মানুহে মানুহৰ জীৱন আৰু
সমাজ নিয়ন্ত্ৰিত কৰি চলিব লাগে। ধৰ্ম শাস্ত্ৰ বিলাকত
আমাৰ জীৱন নিয়মিত ৰূপে চলাবলৈ উপযোগী উপদেশ
দিয়া আছে। মনু সংহিতা মানব ধৰ্ম শাস্ত্ৰ; অৰ্থাৎ মানুহে
কি প্ৰকাৰে চলিলে চতুৰ্বৰ্গ, চাৰি পুৰুষাৰ্থ লাভ কৰি জীৱন
নিয়াব পাৰে তাৰ উপদেশ দিয়া আছে।

চাৰি পুৰুষাৰ্থৰ অৰ্থ বুজি তাক লাভ কৰিবৰ উপায়—
ব্যক্তিগত জীৱনৰ শিক্ষা আৰু সমাজ বন্ধন। শিক্ষা অৰ্থত
বহল ভাৱে গোটাই জীৱনৰ সকলো কৰ্তব্য কাৰ্য্যকে বুজোৱা
হৈছে। ইয়াৰ কাৰণে জীৱন কালক চাৰিটা আশ্ৰমত ভগোৱা
হৈছে, ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস॥ এই চাৰি আশ্ৰ-
মৰ কথা সকলোৱে কিছু নহয় কিছু জানে। প্ৰতি আশ্ৰমৰ কাল,
কৰ্ত্তব্য আদি ধৰ্মশাস্ত্ৰবিলাকত বিশেষ ভাৱত দিয়া আছে।
উপনয়ন অৰ্থ গুৰু-গৃহলৈ শিষ্যক বা ছাত্ৰক নিয়া। এই
বিলাক সাধাৰণ সকলো মানুহেই জানে। অন্ততঃ বাৰ

বছৰ কাল গুৰুৰ গৃহত থাকি শাস্ত্ৰ অধ্যয়ন কৰিব লাগে। গুৰুৰ ঘৰত গুৰুৰ গৃহস্থালীৰ সকলো কামকে কৰিব লাগে। তাত দেখি শুনি হাতে হাতে শিক্ষা হয়। সৰু বৰ নাই। সন্দীপনি মুনিৰ ঘৰত কৃষ্ণ আৰু সুদামৰ কথাই তাৰ জ্বলন্ত উদাহৰণ। গুৰুক সেই যুগত কেনেদৰে ভক্তি আৰু শ্ৰদ্ধা কৰিছিল আয়ুধৌম্য গুৰুৰ ঘৰত বেদ, আৰুণি আৰু উপমন্যুৰ উপখ্যানতে আমি বিচাৰি পাওঁ। শিক্ষাৰ উপায়— "তদ্বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেবায়"—গীতা ৪।৩৪। এই বিলাক কথা অলপ ভাবি চালেই স্তম্ভিত হব লাগে যে আজিকালিৰ কুৰি শতিকাৰ শিক্ষা বিজ্ঞানে যিবিলাক কথা কয় সেই বিলাক আচাৰ সেইবিলাক প্ৰনালী ব্ৰহ্মচৰ্য্যৰ কাৰণে মুনি ঋষি সকলে নিৰূপন কৰি থৈ গৈছিল। পাচৰ যুগত অৱশ্যে আন আন প্ৰকাৰৰ শিক্ষানুস্থান উদ্ভৱ হোৱা দেখা যায়। কিন্তু আৰ্য্য ধৰ্ম্মৰ ব্যৱস্থাপকসকলৰ মূল উদ্দেশ্য সেইটো নাছিল।

প্ৰাচীন আৰ্য্য শাস্ত্ৰ বিহিত চাৰি পুৰুষাৰ্থ আৰু চাৰি আশ্ৰমৰ বিষয় মতদ্বৈধ বৰ নাই। সকলোৱে স্বীকাৰ কৰে যে সময় চাই আৰু সমাজ চাই এই দুইবিধ চতুৰাশ্ৰম কাৰ্য্যকৰী হোৱা সম্ভৱ। কিন্তু চতুবৰ্ণ লৈ আজি কালিৰ বিশেষ পশ্চিমীয়া, শিক্ষিত লোকসকল প্ৰায়েই আৰ্য্য ধৰ্ম্মৰ ব্যৱস্থা নিন্দা কৰে। এই নিন্দাৰ মূলত বৰ্ণ শব্দটো আৰু পৰৰ্ব্বতী-যুগত ধৰা তাৰ অৰ্থটো। চাৰিবৰ্ণ শব্দৰ পৰা আমি

আজি কালি ব্রাহ্মণ-ক্ষত্রিয়, বৈশ্য-শূদ্র এই চাৰি জাতি বুজো, আৰু এই জাতি জন্মগত অধিকাৰ বুলি ভাবো ইয়াত মই জাতি ভেদৰ দোষ-গুণ বিচাৰ কৰিব খোজা নাই কেৱল চাৰিবৰ্ণ শব্দ আৰ্য্য ধৰ্ম প্ৰতিষ্ঠাতাসকলে আদিতে যি অৰ্থত ব্যৱহাৰ কৰিছিল তাৰ কথাহে কব খুজিছোঁ।

"চাতুৰ্বন্যং ময়াস্বৃষ্টং গুণকৰ্ম বিভাগশঃ।
তথ্য কৰ্তাৰমপি মাং বিদ্ধ্যকৰ্তাৰমব্যয়ম ॥" ৪।১৩

তাৰ আগৰ পাছৰ শ্লোক দুটামান অলপ চাবলগীয়া।

যে যথা মাং প্ৰপদ্যন্তে তাংগুণৈব ভজাম্যহম্।
মম বৰ্ত্মানুবৰ্তন্তে মনুষ্যাং পাৰ্থ অৰ্বশঃ ॥ ৪।১১
কাঙ্ক্ষন্তঃ কৰ্মণাং সিদ্ধিং যজন্ত ইহ দেবতাঃ।
ক্ষিপ্ৰং হি মানুষে লোকে সিদ্ধিৰ্ভবতি কৰ্মজা ॥৪।১২
ন মাং কৰ্মানি নিশান্তি নমে কৰ্মফলে স্পৃহা।
ইতি মাং যোহভিজাতি কৰ্মভিৰ্ন য বদ্ধ্যতি ॥ ৪।১৪

ইয়াত ভগবানে কৈছে যে গুণ আৰু কৰ্মৰ বিভাগ অনুসৰি তেৱেঁই চাৰিবৰ্ণ সৃষ্টি কৰিলে। তাৰ পূৰ্ব্বে কলে যে যি যেনেকৈ মোক পাব খোজে তাক মই সেইদৰে ভজোঁ বা তাক সেইদৰেই মোৰ আৰধনা কৰিবলৈ দিওঁ। অৰ্থ এই যে এই চাৰিবৰ্ণ ই মই বিভাগ কৰি দিয়া গুণ কৰ্ম অনুসৰি কাৰ্য কৰিলেই মোক পাব পাৰে।

ন বিশেৰোহস্তি বৰ্ণামাং সৰ্বম্ ব্ৰহমমিদমজগৎ।
ব্ৰহমণা পূৰ্ব্ব স্বৃষ্টং হি কৰ্মভিৰ্বৰ্ণতাংগতঃ।
[ মহাভাৰত শান্তিপৰ্ব্ব।

এনেকুৱা শাস্ত্র বচন ভূৰি ভূৰি পোৱা যায়। ইয়াৰ পৰা প্ৰতীতি হয় বৰ্ণ ধৰ্ম সঙ্কীৰ্ণ কৰি—"জাতি"ৰ অৰ্থত ব্যহৱাৰ হোৱা নাছিল। কৰ্ম্ম ব্যৱসায় জীৱিকাৰ্জনৰ উপায়—এনেকুৱা অৰ্থত হে বৰ্ণ শব্দ প্ৰথম ব্যৱহাৰ হয়। "জন্মনা জায়তে শূদ্ৰঃ সংস্কাৰাৎ দ্বিজ উচ্যতে।" ইত্যাদি শাস্ত্র বাক্যয়ো বৰ্ণ শব্দৰ অৰ্থ যে জাতি নাছিল এই কথাকে সমৰ্থন কৰে। চাৰিবৰ্ণৰ কৰ্ত্তব্য বিলাক ভগাই দিয়া আছে। তাক সকলোৱে জানে। ব্ৰাহ্মণৰ অধ্যয়ন, অধ্যাপনা, দান, তপ-যজ্ঞ আদি কৰ্ত্তব্য। কিন্তু ধন ঘটা আৰু ধন সঞ্চয় কৰা তেওঁলোকৰ ধৰ্ম্ম বিৰোধী। ক্ষত্ৰিয়ৰ প্ৰজা পালন ধৰ্ম্ম। বৈশ্যৰ ধৰ্ম্ম ব্যৱসায় আৰু অৰ্থোপাৰ্জন। আৰু শূদ্ৰৰ কৰ্ত্তব্য সমাজ-ৰক্ষণৰ এইবোৰ অৱশ্য কৰ্ত্তব্য কৰ্ম্মত আন তিনি বৰ্ণক সহায় কৰা। অলপ বিবেচনা কৰিলেই বুজা যাব যে যদিহে বৰ্ণ বা জাতি জন্মগত নহই ব্যৱসায় আৰু গুণত হয়—গুণ কৰ্ম বিভাগশঃ—হয় তেনেহলে কোনো সমাজেই এই চাৰিবিধ লোক নোহোৱা কৰি তিষ্ঠি থাকিব নোৱাৰে। আৰু সকলো সমাজ ব্যৱস্থাতে এই চাৰি শ্ৰেণীৰ লোক থাকিবই লাগিব।

এয়ে সংক্ষেপতে বৰ্ণাশ্ৰম ধৰ্ম্ম।

এতিয়া প্ৰশ্ন হৈছে,—প্ৰথম, এই বৰ্ণাশ্ৰম ধৰ্ম্ম আচৰণৰ পৰা প্ৰাচীন আৰ্য্য সমাজৰ কি ভাল হৈছিল, আৰু দ্বিতীয় যদি এই বৰ্ণাশ্ৰমৰ প্ৰথা ইমানেই সমাজৰ উপযোগী আছিল, তেনেহলে আৰ্য্য-সমাজৰ বা হিন্দু-সমাজ আজি ইমান অনুন্নত হল কিয়?

চাৰি পুৰুষাৰ্থৰ কথা নকওঁ। জীৱনৰ উদ্দেশ্য লৈ এই চাৰিপুৰাষাৰ্থৰ বাহিৰেও আন আন কথা কব পাৰি; অথবা সকলো কথাকে এই চাৰিবৰ্গৰ ভিতৰত পেলাব পাৰি। বৰ্ণাশ্ৰম ধৰ্ম্মৰ দোষ গুণ উভয়ে আছে। আদিতে যে এই ধৰ্ম্মই প্ৰতিজন মানুহৰ জীৱন সুনিয়মিত কৰি দি জীৱনত সুশীলতা আৰু সমাজত সুশৃংখলতা ৰক্ষা কৰিছিল ইয়াক সহজতে বুজা যায়। ছলি এটা জন্মিলেই কেতিয়া কি কৰিব লাগিব, কোন সময়ত পঢ়িব, কোন বয়সত পঢ়া শেষ কৰিব লাগিব, কেতিয়া বিয়া কৰাব, গাৰ্হস্থ্য জীৱন অতিবাহিত কৰি কেতিয়া বানপ্ৰস্থ অৱলম্বন কৰিব ইত্যাদি কথাত কাৰো একো ভাবিবলগীয়া নাছিল। "পঞ্চাশোৰ্দ্ধে বনং ব্ৰজেৎ"। আজিকালিৰ পেঞ্চন লোৱাৰ নিচিনা। তাৰ পাছত সন্ন্যাস। সকলো কাৰ্য্য পৰিত্যাগ কৰি ঈশ্বৰ চিন্তা।

সেইদৰে বৰ্ণধৰ্ম্মতো শিক্ষা সাং কৰি কি কৰিব লাগিব বুলি কাৰো বিমোৰত পৰাৰ আৱশ্যক নাছিল। সকলোৰে কাৰণে বৰ্ণ বা ব্যৱসায় নিৰূপিত আছে। নিজে নিজৰ ব্যৱসায় লৈ থাকিলেই জীৱন যাত্ৰাৰ কাৰণে ভাবিবলগীয়া একো নাছিল। অৱশ্যে নানান কাৰণত পৰবৰ্তী সময়ত এই ব্যৱস্থা ভাল ভাৱত চলিব নোৱাৰা হ'ল; বিশেষকৈ বৰ্ণ যেতিয়া জাতি হ'ল আৰু ব্যৱসায় হিচাবত বৰ্ণ নহৈ জন্মৰ দ্বাৰা জাতি নিৰ্ণীত হবলৈ ধৰিলে। তেতিয়া বিশিষ্ট

বুদ্ধিমন্ত লোকৰ পক্ষে "বৰ্ণ" নিজৰ বৃত্তিৰ সহায়ক নহই, উন্নতিৰ বাধক হ'ল। কিন্তু যি সময়ত আৰু যেতিয়ালৈকে আৰ্য্য ধৰ্ম্ম বিহোঁতাসকলৰ উদ্দেশ্যলৈ মন ৰাখি এই ব্যৱস্থা বিলাক চলি আছিল, তেতিয়ালৈ এই ব্যৱস্থা-বিলাক সমগ্ৰ সমাজৰ কাৰণে বিশেষ উপকাৰী আৰু উপযোগী আছিল।

সকলো ব্যৱস্থাকে বলবৎ ৰাখিবৰ কাৰণে ৰাজশক্তিৰ আৱশ্যক। ৰাজশক্তিৰ ৰক্ষণ ব্যতিৰেকে কোনো ব্যৱস্থা বহুদিনলৈ থাকিব নোৱাৰে। ক্ৰমে ক্ৰমে ভাৰতভূমিত ৰাজশক্তি এনে লোকৰ হাতলৈ গ'ল যি সকলে পূৰ্ব্বৰ বিধানত শ্ৰদ্ধা পোষণ কৰিবলৈ এৰিলে। ক্ৰমে ক্ৰমে আগৰ আচাৰ বিলাক নামত পালন কৰা হল। তাৰ অৰ্থ নুবুজা হল, প্ৰকৃত নিয়ম বোৰ শিথিল হৈ আছিল। উদাহৰণ স্বৰূপে ইয়াত উল্লেখ কৰিব পাৰি যে উপনয়ন বা ব্ৰাহ্মণৰ দ্বিজাতিৰ প্ৰধান অনুষ্ঠানটো আজি কালি মাত্ৰ লৌকিকতাত পৰিবৰ্ত্তন হৈছে। ঐতিহাসিক কাৰণতো আৰু আচৰণৰ শিথিলতাতো ৰাজশক্তিও আনৰ হাতত গল। জাতিৰ তথা সমাজ ব্যবস্থাৰ অধঃপতন ঘটিল।

আমাৰ সমাজত যিবিলাক দুখৰ উদ্ভৱ হৈছে তাৰ মূল কাৰণ দুটা বুলিব পাৰি—(১) কৰ্মহীন জীৱন আৰু (২) অৰ্থৰ বৈষম্য। আমাৰ মাজত এনে এক শ্ৰেণীৰ মানুহৰ উদ্ভৱ হৈছে যিবিলাকৰ নিৰ্দ্দিষ্ট কাম নাই। তেওঁলোকে

কোনো প্ৰকাৰে খাই বৈ থাকে; কোনো এটা উদ্দেশ্যলৈ কোনো কামকে কৰিব নোৱাৰে বা কৰিবৰ দিহা নাপায়। তেওঁলোকৰ পৰা সমাজত অশান্তিৰ সৃষ্টি হয়। দ্বিতীয় কথাটো এই যে কোনো মানুহ বৰ ধনী বা সম্পত্তিশালী আৰু কোনো কোনোৱে দিন-ৰাতি খাটিও পেটৰ ভাতকে মুকলি কৰিব নোৱাৰে। এই দুয়োটা সমস্যাকে আৰ্য্য ধৰ্মৰ বৰ্ণাশ্ৰম ব্যৱস্থাৰ দ্বাৰা সমাধান কৰা হৈছিল।

কিন্তু সম্পূৰ্ণৰূপে আজি কালি বৰ্ণাশ্ৰম ধৰ্ম পুনৰ স্থাপন কৰিবলৈ গলে আমি এই কাৰ্য্যত কৃতকাৰ্য্য হব নোৱাৰিম। আজি কালিৰ সমাজৰ অৱস্থা আৰু এই পৰিবৰ্ত্তনৰ পাছত মানুহৰ ভাৱধাৰাই কি ৰূপ গ্ৰহণ কৰিব—এইবিলাক ভালদৰে ভাবিচিন্তি চাইহে আমাৰ কৰ্ত্তব্য নিৰ্ধাৰণ কৰিব লাগিব।

আজিকালি স্থাপিত হোৱা অনুষ্ঠান বিলাকে কৰিব লগীয়া কথা অনেক আছে আৰু বহুত কাম ইতিমধ্যে আৰম্ভ কৰি দিছেও। মই ইয়াত মাত্ৰ সামান্যভাৱে কেইটিমান বিষয়হে আলোচনা কৰিব খুজিছোঁ।

বিদ্যাৰ প্ৰতি আমাৰ দেশত বৰ আগ্ৰহ আছিল; আৰু বিদ্যাৰ পৰাই ধৰ্মাৰ্থ এই তিনি পুৰুষাৰ্থ সিদ্ধ হৈছিল।

"বিদ্যা দদাতি বিনয়ং বিনয়াদ যাতি পাত্ৰতাম।
পাত্ৰতাদ্ ধনমাদপ্ৰাতি ধনাদ্ধৰ্মঃ ততঃ সুখম॥"

বিদ্যাই—"শ্ৰিয়ঃ প্ৰদুগ্ধে বিপদং ৰুণদ্ধি যশাংসি সূতে
মলিনং প্ৰমাষ্টি।

সংস্কাৰ শৌচেন নৰং পূণীতে শুদ্ধাতি ভূমিঃ ঝিল কল্মধেমঃ"—

আৰু মাতেব ৰক্ষতি পিতেব ভিতে নিযুংক্তে

কান্তেব চাপি ৰময়ত্যপনীয় খেদম্।

লক্ষ্মীং তনোতি বিতনোতি চদিক্ষু

কীৰ্তিং কিং কিং ন সাধয়তি কল্পলতেব বিদ্যা।

বিদ্যাবিহীন পশু। কিন্তু—

যস্য নাস্তি বিবেকন্তু কেবলং যো বাহুশ্ৰুতঃ।

ন স জানাতি শাস্ত্ৰাৰ্থাম্ দবী পাকৰ সানিব ॥

সেই দেখি শাস্ত্ৰ পঢ়িও মানুহ মূৰ্খ হৈ থাকিব পাৰে। যি শাস্ত্ৰৰ উপদেশ কামত খটাই, যি ক্ৰিয়াবান সেয়েহে পুৰুষ।

পঠকঃ পাঠকশৈব যে চান্যে শাস্ত্ৰ পাঠকাঃ।

সৰ্বে ব্যসনিনো জ্ঞেয়া যঃ ক্ৰিয়াবান্ স পণ্ডিতঃ ॥

—মহাভাৰত তৃতীয়

সেইদেখি চৰিত্ৰ কৰ্ত্তব্য নিষ্ঠা গুণত আমাৰ শাস্ত্ৰই বিশেষ মন দিছিল—

"সাবিত্ৰীমাত্ৰ সাৰোহপি বৰং বিপ্ৰঃ সুখং ত্ৰিতঃ ॥

নাযন্ত্ৰিতস্ত্ৰিবেদোহপি সৰ্বাশী সৰ্ববিক্ৰয়ী ?

—মহাভাৰত

আৰ্য্যধৰ্মৰ আৰু এটা বিশেষ মতৰ অলপ কথা কবলগীয়া আছে—

"জায়মানো বৈ ব্ৰাহ্মণং ত্ৰিভিঃ ঋণৈ জায়াতে।

যজ্ঞেন দেবেভ্যো ব্ৰহ্মচৰ্যেম ঋষিভ্যো প্ৰজয়া পিতৃভ্যঃ ॥

এই তিনিঋণৰ অৰ্থ হল যে যজ্ঞৰ দ্বাৰা অৰ্থাৎ পূৰ্ব্বাপৰ আচৰিত আচাৰ সমূহ পালনৰ দ্বাৰা দেৱ ঋণ শোধ কৰিব লাগে। তাৰ পৰা মানুহৰ আচাৰ ব্যৱহাৰ অভ্যাস, স্বভাৱ-চৰিত্ৰ নিৰূপিত হয়। ব্ৰহ্মচৰ্য্যৰ দ্বাৰা অৰ্থাৎ ঋষি মুনি সকলে যি বিলাক তত্ব কথা লিপিবদ্ধ কৰি থৈ গৈছে তাক পঢ়ি শুনি তাৰ কথা ভালদৰে জানিব লাগে। জানিলে ঋষি-ঋণ শোধ হয়। অৰ্থাৎ পূৰ্ব্ব পুৰুষৰ লগত আমাৰ কৃষ্টিগত সম্পৰ্ক স্থায়ী হয়। অতীত পাহৰিলে ভবিষ্যতে নাথাকে আৰু সন্তান উৎপাদন কৰি পিতৃঋণ শোধ কৰিব লাগে বা বংশ ৰক্ষা কৰি সমাজক স্থায়ী কৰিব লাগে।

এতেকে আৰ্য্য ধৰ্ম্ম সংৰক্ষণ অৰ্থত সমাজক সুদৃঢ় ভেটিত স্থাপন কৰি যাতে সমাজৰ প্ৰতিজন লোকেই শান্তি পায়, সুখত থাকে, অভাৱত নপৰে, আৰু যাতে সমাজত বিশৃংখলা নঘটে, বিপ্লৱ নহয়, অসুয়া দ্বেষ আদি নাথাকে— এই বিলাক উদ্দেশ্য সিদ্ধিৰ কাৰণে প্ৰাচীন ঋষি-মুনি সকলে ত্ৰিবিধ চতুৰাশ্ৰয় আৰু ত্ৰিবিধ ঋণৰ শিক্ষা আমাক দি গৈছে। দেশ কাল পত্ৰ চাই আমি আমাৰ জীৱনত আৰু আমাৰ সময়ত খটাবৰ কাৰণে চেষ্টাৱান হব লাগে।

"ওঁ সৰ্ব্বস্তৰতু দুৰ্গাণি, সৰ্ব্বোভদ্ৰাণি পশ্যতু,
সৰ্ব্বঃ সদ্‌বুদ্ধি মাপ্ৰোতু, সৰ্ব্বঃ সৰ্ব্বত্ৰ নন্দতু"।

---

"কামৰূপ-আৰ্য্য-ধৰ্ম্ম-ৰক্ষিণী সভা"ত দিয়া সভাপতিৰ অভিভাষণ।

২৫।৩।৪৩

# বিহু-উৎসৱ

( ১ )

"বিষুব"ৰ পৰা বিহু হোৱা আদি কথা বহুদিনৰ পৰা ভালেমান লেখকে লেখিলে। সকলোৱে মুখে মুখে কোৱা-কুৱিও কৰে। আৰু বিহুৰ উৎসৱৰ বিশেষ বিৱৰণ আৰু অসমীয়াৰ বিহুৰ বৈশিষ্ট্য, তাৰ উপযোগীতা—ইত্যাদি বিষয়ক কথাও সকলোৱে জানে। এতেকে বিহুৰ বিষয় নতুন কিবা কথা লেখা অলপ।

"বিহু" বসন্তোৎসৱৰ এটা প্ৰকাৰ ভেদ। বিশেষ কৰি বহাগৰ বিহুত এই কথা খাটে। বসন্তোৎসৱ পৃথিবীৰ সকলো দেশতে আগৰ দিনত হৈছিল; আৰু এতিয়াও এটা নে এটা প্ৰকাৰে হয়। ইউৰোপৰ—বিশেষ কৰি স্কান্দিনেভিয়া দেশ সমূহৰ মে-পোল নাচ ( May Pole Dance ) এই জাতীয় উৎসৱ। ভাৰতৰ সকলো ঠাইত, দক্ষিণ ভাৰততো এনে উৎসৱ হয়। তথা-কথিত অসভ্য জাতিবোৰৰ মাজতো এনে উৎসৱৰ আভাস পোৱা যায়। মুঠতে কৃষি প্ৰধান সভ্যতাৰ যুগত সকলো দেশত খেতি উঠাত পিঠা খোৱা এটা উৎসৱ হোৱা দেখা যায়। আমাৰ বিহু উৎসৱ আৰম্ভ হয়—মাঘৰ দোমাহীৰ লগত। ইয়াক বঙালীয়ে পৌষ পাৰ্বন বোলে। ইংৰাজী ভাষাত বোলে Harvest Home অৰ্থাৎ খেতি উঠাৰ উৎসৱ। এই উৎসৱৰ প্ৰধান উপদান নানান

প্ৰকাৰ পিঠা, সন্দেহ আদি ভাজিপূৰি খোৱা। তাৰ লগত মেজি বা পুঁজি পোৰা, ইংৰাজীত Bon fire কৰা, ইও এই উৎসৱৰ অঙ্গ। খৃষ্টান পঞ্জিকাৰ বৰ দিন বা christmas উৎসৱ প্ৰকৃততে আদি যুগৰ Harvest Home ৰ ৰূপান্তৰ মাত্ৰ। খৃষ্টান পুৰোহিতসকলে খৃষ্টৰ জন্মৰ লগত তাৰ সম্বন্ধ ঘটাই দিলে। মোৰ বোধেৰে বৰ দিনৰ সময়ত দুই চাৰি টকা খৰছ কৰি অধিক লোকেই দুই এডোখৰ কেক খাই লয়। ইও আমাৰ তিল-পিঠা, ক্ষীৰ পিঠা আদিৰ ৰূপান্তৰ।

মেজি-পোৰাও বসন্তোৎসৱৰ এটা অঙ্গ। পৌৰাণিক ভাৰতত ফল্গুৎসৱৰ সময়তে বসন্তোৎসৱৰ পূৰ্ণ পৰিণতি হৈছিল, এই উৎসৱ আৰম্ভ হৈছিল বাসন্তী পঞ্চমী বা শ্ৰীশ্ৰীসৰস্বতী পূজাৰ দিনা। ফল্গুৎসৱ বা ফাকুৱা দৌল-পূৰ্ণিমাৰ ফাকুখেল নাচ, গান, আৰু অশ্লীলতাৰ ফালে ভাজ লোৱা আমোদ প্ৰমোদ—বসন্তোৎৱৰ এটা প্ৰধান অঙ্গ। কেবাখনো সংস্কৃত নাটক আৰু কাৰ্য্যত এই উৎসৱৰ বৰ্ণনা আছে। ইয়াত ৰজা ৰাণীৰ পৰা আৰম্ভ কৰি সকলো লোকে যোগ দি আনন্দ উপভোগ কৰিছিল। দৌল পূৰ্ণিমাৰ আগদিনা মেষদাহ বা ভেৰাঘৰ পোৰা এটা শাস্ত্ৰীয় অনুষ্ঠান। পুঁজি পোৰা কথাটো ইয়াৰ লগত মিলে। অনেক ঠাইত পুঁজি বা মেজি নুবুলি ভেৰাঘৰ বা ভেলাঘৰ পোৰাও বোলে। পশ্চিম ভাৰতত ইয়াকে হোলিকা পোৰা বোলে। হোলিকা বোলে ৰাৱণৰ ভগীয়েক আছিল।

এই পোৰা যাই উদ্দেশ্য পৃথিবীৰ সাৰ বৃদ্ধি কৰা। আজিও মেজিৰ আধাপোৰা বাহঁ আনি আমি কলৰ গছত আৰু খেতিৰ পথাৰত লগাই থওঁ।

ইফালে মাল-যুজ; কণী যুজোঁৱা, মহযুঁজ আদি উৎসবো এনে অনুষ্ঠানৰ লগত সকলো দেশতে আদিম সময়ৰ পৰা সংশ্লিষ্ট হৈ আহিছে।

(২)

বহাগৰ বিহুও এনে উৎসৱৰ ভিতৰতে। এই বিহুত খোৱা বোৱাৰ উপৰি গৰু ধুওৱা এটা অনুষ্ঠান। এই বিহুক গৰুৰ বিহু বোলা অন্যায় হোৱা নাই। প্ৰকৃততে এইদিনা বছেৰেকৰ ভিতৰত গৰুক বিশেষ আপডাল কৰা হয়। গৰু পূজা কৰা হয়, বুলিয়েই কব পাৰি।

অইন এটা উৎসৱ বিহুৰ সময়তে হয়। তাৰ নাম হৈছে ভঠেলি। কামৰূপৰ সকলো ঠাইতে আৰু মঙ্গলদৈ মহকুমাত এই উৎসৱ চলি আহিছে। কামৰূপৰ উত্তৰ পাৰে ইয়াক "ভঠেলি" বোলে। দক্ষিণ পাৰে বোলে "সোৰি" আৰু মঙ্গলদৈত কয়— "দেউল"। "সৰি" আৰু "দেউল" আচলতে দোলৎসৱ বা ফাকুৱাৰ নামান্তৰ মাত্ৰ। ইয়াৰ পৰা সহজতে অনুমান কৰিব পাৰি যে বসন্ত কালৰ ফল্গুৎসৱ বহাগৰ বিহুৰ ভঠেলিৰ লগত সান মিহলি হৈছে। উপৰ অসমৰ বিহুগীত, বিহুনাচ' আহি ফাকুৱা উৎসৱৰ পশ্চিম ভাৰতৰ তেনে নাচ-গান আদিৰ লগত মিলে। খৃষ্টান পঞ্জিকা মতে এই সময়তে ঈষ্টাৰ পৰ্ব।

ইও আচলতে প্ৰকৃতিৰ নতুন জীৱন দেখা দিয়াৰ ৰূপক। ঈষ্টাৰৰ সময়তে খৃষ্টৰ পূৰ্ণ দৰ্শন (Resurrection) হৈছিল। ঈষ্টাৰৰ দিনা সুপ্ত জীৱনৰ পুনৰাবিৰ্ভাবৰ এটা দ্যোতক। এই দৰে দেখা যায় যে বিহু উৎসৱ প্ৰকৃততে গোটেই মানৱ জাতিৰ কৃষি সভ্যতাৰ এটা উৎসৱৰ প্ৰতীক। নানান দেশত আৰু বহুযুগত এই উৎসৱেই ভিন ভিন আকাৰ ধাৰণ কৰিছে।

(৩)

ইয়াত ভঠেলিৰ বিষয়ে এক আখাৰ কথা কওঁ। কালিকা পুৰাণ, দেৱী পুৰাণ, মহাভাৰত আদিত শক্ৰধ্বজ বা ইন্দ্ৰধ্বজ উত্থান নামেৰে এটা অনুষ্ঠানৰ উল্লেখ দেখা যায়। ইয়াৰ উদ্দেশ্য, ৰাজাৰ ৰাজ্য বিজয় আৰু পৃথিবীৰ শষ্য বৃদ্ধি আৰু সমৃদ্ধি হব লাগে। আৰু ইয়াৰ প্ৰধান অঙ্গ বাহ বা কাঠৰ এটা ধ্বজ উত্তোলন। এই ধ্বজৰ লগতে কন্যকা আৰু মাতৃকা নামেৰে সৰু সৰু আৰু কেইটিমান ধ্বজ থাকে। এই ধ্বজ বিলাকক নানা প্ৰকাৰ ৰং বিৰঙৰ কাপোৰ পতাকা আদিৰ দ্বাৰা কাচিব লাগে। ভঠেলিত যি 'পাৰ' তোলা হয় সি সকলো প্ৰকাৰে এই ধ্বজৰ অনুৰূপ। কি কাঠৰ ধ্বজ তুলিব লাগে আৰু সি কিমান ওখ হব লাগে—ইত্যাদি কথা পুৰাণত বিশেষ কৰি উল্লেখ আছে।

এটা কথাত মুঠতে গৰমিল দেখা যায় যে শক্ৰধ্বজ উত্থান উৎসৱ ভাদ মাহত হৈছিল। ভঠেলি হয় বহাগ মাহত।

অনুমান কৰা যায় যে নানা বিধ বসন্তোৎসৱ, গো-পূজা শক্রধ্বজ উত্থান আদি পৌৰানিক ক্ৰিয়া এই সকলো বিলাক মিলি মাঘ মাহৰ পৰা আৰম্ভ কৰি বহাগ মাহলৈকে হোৱা উৎসৱ বোৰেই বিহু। এইবোৰৰ আতিগুৰি বিচাৰিলে মানৱ সভ্যতাৰ এক আদি যুগৰ কুষ্টিত উপস্থিত হোৱা যায়।

(৪)

অসমৰ প্ৰগতীবাদী সাহিত্যিক সকলে এই প্ৰকাৰ আমাৰ দেশৰ নানান পূজা, ব্ৰত, আচাৰ, অনুষ্ঠানৰ মূল বিচাৰি এই বিলাক ভালদৰে বুজাত আমাক সহায় কৰিব পাৰে।

( "জয়ন্তী" ৬ষ্ঠ বছৰ ৫ম সংখ্যা। )

——×——

# শিখ ধৰ্ম আৰু গুৰু গোবিন্দ সিংহ

## ১। জন্ম সপ্তমী

ইংৰাজী ১৬৬০ খৃষ্টাব্দৰ অৰ্থাৎ ২৮১ বছৰ আগেয়ে, আজিৰ তিথিত পুণ্যশ্লোক গুৰু গোবিন্দ সিংহৰ আবিৰ্ভাৱ হয়। তেতিয়া তেওঁৰ পিতৃ গুৰু তেগ বাহাদুৰ পাটনাত—প্ৰায় পলৰীয়া অৱস্থাত। পাটনা নগৰতে পুহ মাহৰ শুক্লা সপ্তমী তিথিৰ শেষ নিশাত ধনিষ্ঠা নক্ষত্ৰত গুৰুদেৱৰ জন্ম লাভ হয়। শিখসকলে এই তিথি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিৰ নিচিনা পালন কৰে। কিয় কৰে তাক বুজিবলৈ হলে শিখ সম্প্ৰদায় সংগঠনত গুৰু গোবিন্দ সিংহৰ যি অমূল্যদান তাক বিচাৰ কৰি চাব লাগে। এই কথা পাছত বহলাই আলোচনা কৰা হব।

## ২। নগাৱঁৰ শিখ

আমাৰ দেশত শিখ সম্প্ৰদায়ৰ কিছু লোক আছে। তেওঁ-লোকৰ অনেকে বেলেগ বেলেগ ঠাইত থাকি পৃত কৰ্ম কৰি জীৱিকা নিৰ্ব্বাহ কৰে। কিন্তু অনেকে পুৰুষানুক্ৰমে আমাৰ দেশতে বস বাস কৰি সম্পূৰ্ণৰূপ অসমীয়া জাতিৰ অঙ্গ আৰু শক্তি বৃদ্ধি কৰিছে। ১৯৪১ চনৰ চেঞ্চাচ অনুসৰি আমাৰ দেশত শিখ মানুহৰ সংখ্যা চাৰিহেজাৰ। ১৯৩১ চনৰ চেঞ্চাচ অনুসৰি নগাওঁ জিলাত ৬৩২ জন শিখৰ সংখ্যা দিয়া আছে। তাৰে ৩৩৯ জন মতা আৰু ২৯৩ জনী মাইকী। আন আন জিলাত পুৰুষৰ অনু-

পাতত তিৰোতাৰ সংখ্যা তাকৰ। তাৰে পৰা অনুমান কৰিব পাৰি যে নগাৰ্ত যেনেকৈ ঘৰ-বাৰী কৰি শিখসকলে অসমীয়া গাওঁ পাতি বাস কৰিছে, আন জিলাত তিমান দৰে থাকিবলৈ লোৱা নাই। *সেইদেখি নগাৱঁৰ এই গাৱঁতে এই উৎসৱ বিশেষ প্ৰকাৰে পাতা হয়।

* ১৯৩১ চনৰ চেঞ্চাচ

| | Persons | Males | Females |
|---|---|---|---|
| Assam | 2,729 | 1,918 | 811 |
| British Territory | 2,497 | 1,740 | 757 |
| Assam Valley Divison | 2.241 | 1,563 | 678 |
| Goalpara | 36 | 24 | 12 |
| Kamrup | 89 | 66 | 23 |
| Darrang | 147 | 97 | 50 |
| Nowgong | 632 | 339 | 293 |
| Sibsagar | 304 | 221 | 83 |
| Lakhimpur | 1,025 | 810 | 215 |
| Garo Hills | 8 | 6 | 2 |
| Sadiya Frontier Tract | 34 | 15 | 19 |
| Assam States | 232 | 178 | 54 |

### ৩। শিখ ধৰ্ম্মৰ মূল শিক্ষা।

শিখ ধৰ্ম্মৰ মূল কথা বুজিবলৈ অসমীয়া মানুহে বেচি প্ৰয়াস কৰিব নালাগে। কাৰণ মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত

বৈষ্ণৱ ধৰ্মৰ লগত শিখ ধৰ্ম্মৰ মূল তথ্য বিলাকৰ মিল দেখা যাব। গুৰু নানকৰ আবিৰ্ভাৱৰ কাল ১৪৬৯ খৃঃ আৰু তিৰোভাৱৰ কাল ১৫৩৯ খৃঃ—জীৱন কাল ৭০ বছৰ। গুৰু শঙ্কৰৰ আবিৰ্ভাৱ আৰু তিৰোভাৱ এই সময়ৰে আগ পিছা। শঙ্কৰদেৱ গুৰু নানকতকৈ কিছু ডাঙৰ; কিন্তু তেৰাৰ পৰলোক হয় প্ৰায় ৩০ বছৰ পাছত। এই সময়ত গোটাই ভাৰত তথা—পৃথিবীজুৰি—ধৰ্ম বিষয়ক সংস্কাৰৰ যি এটা ঢৌ উঠে, গুৰু নানকে পশ্চিম ভাৰতত আৰু শঙ্কৰে পূব ভাৰতত সেই ধৰ্ম ভাবৰ আলম লৈ সেই সেই ঠাইৰ জাতীয় আৰু সামাজিক জীৱনত একোটা নতুন প্ৰেৰণা দিয়ে।

শিখ শব্দৰ মূল অৰ্থ শিষ্য। শিখ ধৰ্মৰ কেইবাটিও বিশেষত্ব আছে। তাৰ ভিতৰত এই কেইটা প্ৰধান। ১। জাতিভেদ নামানে। হিন্দু মুচলমানৰো ভেদ নাই। ২। তেওঁলোক সম্পূৰ্ণ একেশ্বৰ বাদী। সকলে ধৰ্মৰে মূলতঃ মিল গুৰুৰ এই শিক্ষা আছিল। মুছলমান সম্প্ৰদায়ৰ লোক কিছুমানক উপদেশ দিওঁতে গুৰু নানকে কৈছিল—

> "প্ৰেমৰ মচজিদত বিশ্বাসৰ দলিচা পাৰি প্ৰাৰ্থনা
> কৰিবা। প্ৰথমে সত্যক আশ্ৰয় কৰিবা,
> দ্বিতীয়তে সদুপায়েৰে জীবিকা অৰ্জ্জন কৰিবা;
> তৃতীয়তে ঈশ্বৰৰ নামত ফল দিবা; চতুৰ্থতে
> সদুদ্দেশ্যত স্থিৰ থাকিবা আৰু পঞ্চমত
> ঈশ্বৰৰ নাম কীৰ্ত্তন কৰিবা। তুমি যদি
> মুছলমান হোৱা কলমা অনুসৰি চলিবা"।

৩। শিখ ধৰ্মৰ মতে জীৱাত্মা আৰু পৰমাত্মা একে বস্তু। পৰমাত্মাৰ সন্ধান পালে জীৱ মুক্ত হয়। কিন্তু যেতিয়ালৈ জীৱাত্মাই নিজক কৰ্মৰ কৰ্ত্তা বুলি জ্ঞান কৰি থাকে তেতিয়ালৈ জীৱাত্মাৰ পুনৰ্জন্ম হয়। মহাপুৰুষ মাধবদেৱৰ নাম ঘোষাৰ শিক্ষাও একে।

"তিনি গুণময় যত জ্ঞান কৰ্ম
কেৱল বন্ধকাৰণ
জানি তাক ত্যজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ। ২১২
কৰ্ম্মত বিশ্বাস যাৰ
হিয়াত থাকন্তে হৰি
অতিশয় দূৰহোন্ত তাৰ।
অহঙ্কাৰ থাকন্তেও
সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ কীৰ্ত্তণ ধৰ্ম যাৰ।"

৪। শিখ ধৰ্মও মায়াবাদী। সৃষ্টি ঈশ্বৰৰ লীলা, এটা ছায়া মাত্ৰ, অস্থায়ী। ই মায়াৰ পৰা জন্মে। সত্ব, ৰজঃ আৰু তমঃ এই ত্ৰিগুণেৰে সৃষ্টি প্ৰকাশ পায়। গুৰু নানকে কৈছে—

"বিশ্ব ব্ৰহ্মাণ্ড ঈশ্বৰৰ ছায়া মাত্ৰ ; ত্ৰিগুণান্বিত মায়াৰ মাজত সৃষ্টিৰ প্ৰকাশ পাইছে। এই সৃষ্টি জন্ম-মৃত্যুৰ অধীন।"

আমাৰ শাস্ত্ৰতো আছে—

"মায়া আদি কৰি
সমস্ত অসত্য
জানিবা জড় নিশ্চয়
হৰিমাত্ৰ সত্য চৈতন্য ঈশ্বৰ
পৰম তত্ব নিৰ্ণয়। ২০৫

এনে বিলাক শিক্ষা শিখ ধৰ্ম্মৰ মূল ভেটি। ইয়াত আচাৰ বিচাৰৰ কটকটীয়া নিয়ম নাই। এনেকি সামাজিক অনুষ্ঠান বিলাকতো শিখ গুৰুসকলৰ আস্থা নাছিল। সামাজিক আচাৰ ৰীতি অনুসৰি বহুতো বস্তু অপৱিত্ৰ বুলি কোৱা হয়। গুৰু নানকে অপৱিত্ৰ বস্তুৰ বাখ্যা কৰিছে—

"মনৰ মলি লোভ; জিভাৰ মলি অসত্য;
চকুৰ মলি পৰস্ত্ৰীৰ আৰু পৰ ধনৰ প্ৰতি
আকাঙ্খা; কানৰ মলি পৰনিন্দা শ্ৰৱণ।
গুৰু নানকে কয়, যি হিংসা ভাব
পোষণ কৰে, সি মৃত্যু লোকলৈ যায়।

এনে বিলাক শিক্ষাৰ গুণত গুৰু নানকৰ মতত অনেক লোক দীক্ষিত হল।

## ৪। শিখ ধৰ্ম্মৰ ক্ৰম বিকাশ:—

খৃষ্টাব্দ ১৫৮১ শকত অৰ্থাৎ গুৰু নানকৰ তিৰোভাৱৰ ৪২ বছৰ পাছত পঞ্চম গুৰু অৰ্জ্জুনদাস শিখ গুৰু হয়। এওঁ পূৰ্ব্ব পূৰ্ব্ব গুৰু সকলৰ বাণী বিলাক সনিবদ্ধ কৰি

আৰু নিজৰো শিক্ষা লিপিবদ্ধ কৰি আদি গ্ৰন্থ চাহেব গুৰু গ্ৰন্থ চাহেব সংগ্ৰহ কৰে। এওঁৰ দিনত শিখ সম্প্ৰদায়ক কিছু পৰিমাণে সংঘ বদ্ধ কৰা হয়; আৰু যাতে সকলো শিষ্যাই গুৰুক কৰ কাটাল দি সম্প্ৰদায় বল বৃদ্ধি কৰিবৰ উপায় কৰে তাৰ অৰ্থে এওঁ কিছুমান লোকক মচন্দ বিষয় দিয়ে। এওঁলোকৰ বাব আছিল আমাৰ-দেশৰ সত্ৰবিলাকৰ মেধিৰ দৰে। এওঁলোকে শিষ্যৰ ঘৰে ঘৰে গৈ গুৰু কৰ গোটাইছিল। কালক্ৰমত এওঁবিলাকৰ এই বিষয়ত বহুতো ক্ৰুটি-বিচ্যুতি ঘটিল। এই কাৰণে গুৰু গোবিন্দ সিংহৰ দিনত এওঁলোকৰ বিষয় উঠাই দিয়া হ'ল। অৰ্জ্জুন দাসৰ পুত্ৰ হৰগোবিন্দজী। এওঁ লৰা কালতে গুৰু পদ লাভ কৰে। এওঁৰ দিনত দেখা গল যে কেবল সাত্বিক ভাৱক আশ্ৰয় কৰি ঈশ্বৰ আৰাধনা কৰি থাকিলেই এটা সম্প্ৰদায়ৰ ৰক্ষা নহয়। গতিকে পোনতে এওঁৰ দিনতেই শিখ বিলাকক যুদ্ধবিদ্যা শিকোৱাৰ দিহা কৰা হয়। এওঁ ধৰ্ম গুৰু আৰু ৰাষ্ট্ৰ নায়ক হুয়ো ৰকমে থাকি শিখ সম্প্ৰদায়ক শক্তিশালী কৰি তোলে। স্বভাৱতেই তেতিয়াৰ সাৰ্বভৌম ৰাজক্ষমতাৰ লগত শিখ শক্তিৰ সংঘৰ্ষ হয়। নবম গুৰু তেগ বাহাদুৰ। তেওঁ ৰাজৰোষত প্ৰাণ ত্যাগ কৰিবলগীয়া হয়। তেওঁ কিছুকাল পূব দেশত আছিল। ধুবুৰীত এটা শিখৰ মন্দিৰ আছে। সেই মন্দিৰ তেগ বাহাদূৰৰ দিনত স্থাপিত

হোৱা বুলি প্ৰসিদ্ধ আছে ! এই ফালে থাকোতেই পাটনা নগৰত গুৰু গোবিন্দ সিংহৰ জন্ম হয় । পূৰ্বে কোৱা হৈছে।

## ৫। গুৰু গোবিন্দ সিংহ ।

১৬৭৫ খৃষ্টাব্দত তেগ বাহাদুৰ গুৰুজীৰ পৰলোক হয়। গুৰু গোবিন্দৰ সিংহৰ তেতিয়া পোন্ধৰ বছৰ বয়স। এই বয়সতে তেওঁ গুৰু পদৰ অধিকাৰী হয়। গুৰু গোবিন্দ সিংহৰ জীৱন নান প্ৰকাৰ বিচিত্ৰ আৰু ৰোমাঞ্চকৰ ঘটনাৰে পৰিপূৰ্ণ। তেওঁ শিখ সম্প্ৰদায়ক সকলো প্ৰকাৰ ত্যাগ, দৃঢ়মনা, সাহী আৰু বীৰ জাতি কৰি তুলিবলৈ সংকল্প কৰিছিল। আৰু সেই সাধনাত সিদ্ধি লাভ কৰিছিল। গুৰু গোবিন্দ সিংহৰ সংক্ষেপ জীৱনী এই—তেওঁৰ জন্ম হয় পাটনা নগৰত ১৬৬০ খৃঃত। ১৬৭৫ খৃঃত তেওঁ গুৰু পদ লাভ কৰে। তাৰ পাছত প্ৰায় কুৰি বছৰ কাল তেওঁ চাৰিওফালে শিখ-সংগঠনৰ নানা প্ৰকাৰ কাৰ্য্যত ঘূৰি ফুৰে। গুৰুৱে একসময়ত শিষ্য সকলৰ এখন দেৱান ( সমাজ ) পাতি শিষ্যসকলক কলে যে শিখ সম্প্ৰদায়ক গঢ়ি তুলিবলৈ নৰ-বলিৰ প্ৰয়োজন। শিষ্যসকলক প্ৰস্তুত হবলৈ কৈ গুৰুৱে মন্দিৰৰ অভ্যন্তৰত প্ৰৱেশ কৰিলে ! গুৰুৰ বাক্য শুনি তৎক্ষনাৎ এজন এজনকৈ পাঁচজন শিখ বলিৰ বাবে প্ৰস্তুত হৈ আহিল। এই উপায়েৰে গুৰুৱে শিষ্যসকলৰ সাহ, নিষ্ঠা আৰু দৃঢ় চিত্তৰ পৰীক্ষা কৰিলে মাত্ৰ। তেওঁ এই পাঁচজনকে মুল কৰি লৈ শিখৰ মাজত খালচা সম্প্ৰদায়ৰ আৰম্ভ কৰিলে। খালচা অৰ্থ সত্য, প্ৰকৃত।

সংগঠন কাৰ্য্যত ঘূৰি ফুৰোতে গুৰুৱে অনেক যুদ্ধ বাগৰ কৰিব লগীয়া হয়। যুদ্ধতে তেওঁৰ চাৰিজন পুত্ৰ মৰা পৰে। শেষত মোগল সম্ৰাট বাহাদূৰ চাহৰ লগত মিত্ৰতা হয়। ১৭০৮ খৃষ্টাব্দত তেওঁৰ পালিত এজন পাঠান ভৃত্যই তেওঁক হত্যা কৰে।

৬। শিখ সম্প্ৰদায়।

আজি কালি শিখৰ দুটা সম্প্ৰদায় আছে—কেশধাৰী আৰু সহজধাৰী। কেশধাৰী সকল খালচা; আৰু সহজ-ধাৰী সকল সাধাৰণ গৃহস্থ। কেশধাৰীসকলে কেশ, কৃপান, কচ্ছ (কৱছ) কাংখা আৰু কাৰা ককাৰাদি এই পাঁচ-বিধ বস্তু ধাৰণ কৰিব লাগে। অৰ্থাৎ তেওঁলোকে চুলি ৰাখিব লাগে, এখন লোৰ অস্ত্ৰ লগত ৰাখিব লাগে, সদায় কৱচ বা তলত সৰু পায়জামা পিন্ধিব লাগে, চুলিত এখন ফণী ৰাখিব লাগে আৰু হাতত এপাত লোহাৰ বালা পিন্ধিব লাগে। এয়ে খালচা বা যুঁজাৰু শিখৰ পোছাক। কোনো এটা Uniform পিন্ধা অৰ্থাৎ একে প্ৰকাৰে সাজেৰে ভূষিত হৈ থকাটো যেই সেই সঙ্ঘৰ একতাৰ কাৰণে কিমান আৱশ্যক তাক গুৰুৱে ভাল কৰি জানিছিল। এই বীৰ-বেশেৰে সাজি পাৰি থকাত খালচা শিখ সকলৰ মনৰ গতি বীৰত্ব ভাৱেৰে কিমান দূৰ অনুপ্ৰানিত হৈ থাকে তাক অলপ ভাবি চালেই বুজিব পাৰি।

৭। অমৃত-সংস্কাৰ।

এই বীৰত্বৰ আদৰ্শ যাতে ছলি অৱস্থাতে মটা-মাইকী নিৰ্বিশেষে শিখৰ মনত ভালদৰে সোমাই তাৰো দিহা কৰা

হৈছিল। শিখ সকলৰ অমৃত সংস্কাৰ বুলি এটা অনুষ্ঠান আছে। শিখ ধৰ্মত এই অনুষ্ঠান উপনয়ন' আদি অনুষ্ঠানৰ ঠাই অধিকাৰ কৰিছে।

অমৃত প্ৰস্তুত কৰাৰ নিয়ম এনে। বিশ্বাসী, সত্যবাদী আৰু আন সকলো প্ৰকাৰে উপযুক্ত পাঁচজন খালচা শিখ বাচি উলিওৱা হয়। এওঁলোক অনুষ্ঠানৰ কৰ্ত্তা। এটা লোহাৰ পাত্ৰত পানী থোৱা হয়। তাতে বাতচা কিছুমান দিব লাগে। এই পাঁচজনৰ প্ৰত্যেকে এজন এজন কৰি বাটিতো বাওঁহাতেৰে ধৰি থাকে, আৰু সোঁহাতত এখন দুইমুখীয়া কৃপান লৈ তাৰে বাতচা খিনি লৰাই দিয়ে। তেওঁলোকৰ ভিতৰত যিজনা সকলোতকৈ ডাঙৰ তেওঁ এইদৰে পানী লৰাই দিয়াৰ লগে লগে জপজী চাহেবৰ মন্ত্ৰ খিনি সম্পূৰ্ণ কৰি গায়। আন কেইজনে বীৰ-আসন কৰি বহি একান্ত ভাবে ধ্যান কৰি মন্ত্ৰ শুনি থাকে আৰু অমৃত প্ৰস্তুত কাৰ্য্যত সমস্ত মনোযোগ নিক্ষেপ কৰে। প্ৰথমজনৰ জপজী গোৱা হলে দ্বিতীয় জনে অনুৰূপে জাপ চাহেব গায়। দ্বিতীয় জনৰ পিচত তৃতীয় জনে দশম গুৰুৰ ( গোবিন্দ সিংহৰ ) ৰচিত দহোটা চেৱৰা বা শ্লোক গায়। চতুৰ্থ জনে চৌপই আৰু পঞ্চম জনে আনন্দ চাহেব গায়। চেৱৰা, চৌপই আৰু আনন্দ চাহেব গাওঁতেও প্ৰথম আৰু দ্বিতীয় জনৰ অনুৰূপে গোৱাৰ লগে লগে পাত্ৰৰ পানী লৰাই থাকে। * এইদৰে গোৱা শেষ হলে

* জপজী চাহেব, জাপ চাহেব, চেৱৰা, চৌপই, আনন্দ চাহেব আদি গ্ৰন্থ চাহেবৰ বেলেগ বেলেগ আধ্যায়ৰ নাম।

অমৃত প্রস্তুত শেষ হল।

লৰা-ছোৱালী উভয়কে দীক্ষা দিয়া হয়। শিখ-ধৰ্ম্মৰ সাধাৰণ কথা বুজিব পৰা হলে লৰা ছোৱালী বিলাকৰ দীক্ষাৰ কাৰণে উপস্থিত হয় আৰু দীক্ষা পাবলৈ প্ৰাৰ্থনা কৰে। যিজন শিখ আগেয়ে বচা পাঁচজন দীক্ষাদাতাৰ ভিতৰত প্ৰৱল তেওঁ দীক্ষা লব খোজাসকলক তলত দিয়া উপদেশ দিয়ে।

(১) গুৰু গ্ৰন্থ চাহেবক গুৰু বুলি বিশ্বাস কৰিবা আৰু দিনে শিখৰ প্ৰনালী মতে ঈশ্বৰ উপাসনা কৰিবা

(২) শিখৰ পাঁচবিধ বস্তু লগত ৰাখিবা।

(৩) সকলো শিখকে ভ্ৰাতৃ জ্ঞান কৰিবা।

(৪) নিজৰ সমাজ আৰু দেশৰ প্ৰতি কৰ্ত্তব্য কৰিবা।

(৫) যি গুৰুৰ মতে নচলে তাৰ সংগ নলবা।

(৬) কোনো মাদক দ্ৰব্য, ব্যৱহাৰ নকৰিবা আৰু ধপাতো নাখাবা।

(৭) স্ত্ৰীলোকক সন্মান ৰাখিবা।

(৮) নিজ পৰিশ্ৰমেৰে জীবিকা আৰ্জিবা।

(৯) “অকাল” অৰ্থাৎ অনন্ত এক ঈশ্বৰক হে পূজা কৰিবা।

(১০) গুন-মন্ত্ৰত বিশ্বাস নকৰিবা।—অৰ্থাৎ কুসংস্কাৰৰ পৰা মুক্ত থাকিব।

(১১) জাঠা-বন্দী (শিখ-সংঘ) ৰ নিয়ম মানি চলিবা।

(১২) শিক্ষা আৰু শিল্পৰ উন্নতি কৰিবলৈ যত্ন কৰিবা।

(১৩) গুৰু গোবিন্দ সিংহক পিতা আৰু মাতা চাহেব কুৱাৰক মাতা বুলি জ্ঞান কৰিবা, আৰু অমৃত সংস্কাৰ হোৱা লোকক নিজৰ ভ্ৰাতঃ বুলি ভাবিবা।

(১৪) নিয়মৰ বাহিৰা কোনো কাম নকৰিবা।

(১৫) যি টকা নিজে সঞ্চিত কৰিব পাৰা তাৰে দহ-ভাগৰ এভাগ দান কৰিবা।

(১৬) সদাই অস্ত্ৰ বিদ্যা চৰ্চ্চা কৰিবা; আৰু গুৰু মন্ত্ৰ (অৰ্থাৎ শিখ সম্প্ৰদায়ৰ) হকে প্ৰাণকো বিসৰ্জ্জন দিবলৈ প্ৰস্তুত থাকিবা।

এইবিলাক প্ৰতিজ্ঞাই বয়-স্কাউটৰ আৰু মধ্য যুগৰ নাইট সকলৰ প্ৰতিজ্ঞা বিলাক মনত পেলাই দিয়ে। কোমল বয়সতে এনেবোৰ শিক্ষা মনৰ মাজত বদ্ধমূল কৰি দিলে যি জাতি গঠিত হব পাৰে তাৰ নমুনা আজি আমি শিখ যোদ্ধা, শিখ কৰ্ম্মী, শিখ কৃষক এই সকলৰ মাজত দেখিছো। চুলি-দাৰি-গোৰু-পাগুৰীৰে সুশোভিত শিখ এজনক দেখিলেও আমাৰ মনলৈ সাহ আহে। তাৰ মূলত গুৰু গোবিন্দসিংহৰ এনে শিক্ষা।

ওপৰৰ কথাবিলাক ভালদৰে বুজাই দিয়াৰ পাছত দীক্ষা লব অহা লৰা ছোৱালী বিলাকে এই শিক্ষা বিলাক পালন কৰিব বুলি প্ৰতিজ্ঞা কৰে। তেওঁলোকে বীৰ-আসন পাতি বহে আৰু দীক্ষা দাতা পাঁচ জনৰ ভিতৰৰ প্ৰধানজনে তেওঁলোকে হাতৰ তলত অলুপ অলপ অমৃত ঢালি দিয়ে; আৰু

তেওঁলোকে পৰম আস্থা কৰি পান কৰে। এনেকৈ অমৃত পাঁচ বাৰ পান কৰোৱা হয়। পান কৰাৰ লগে লগে এইবচন শাৰী গায়, “ৱাহে গুৰুজীকা খালচা শ্ৰীৱাহে গুৰুজীকা ফতে।” তাৰ পাছত দীক্ষিত হোৱা সকলে প্ৰধান শিখজনৰ চকুৰ ফালে স্থিৰ দৃষ্টিৰে চাব লাগে; তেতিয়া তেওঁ কিছু অমৃত এওঁলোকৰ চকুলৈ ছটিয়াই দিয়ে। এই সময়ত চকু মুদ খাব নালাগে বা নিমিষ কৰিব নালাগে। এতিয়াও আগৰ বচন ফাকি গাব লাগে। তাৰ পাছত পাগুৰীৰ অলপ সোলোকাই মূৰত অমৃত সিঞ্চন কৰা হয়। তেতিয়াও বচন ফাকি গাব লাগে। এইদৰে এজন এজন কৰি দীক্ষা দিয়া হলে, পাত্ৰটোত যি অলপ অমৃত থাকে তাক সকলোৱে সেই একেটা পাত্ৰৰে পৰা খাব লাগে।

তাৰ পাছত সকলোৱে আনন্দ চাহেব কীৰ্ত্তন কৰে; আৰু সমশেষত কাঘা প্ৰসাদ * বিতৰণ হয়। আৰু সমাজৰ লোক সকল ঘৰাঘৰি যায়।

অমৃত সংস্কাৰৰ কথা বহলাই কোৱা হল, শিখৰ শিক্ষা আৰু আদৰ্শ কেনে তাক দেখুৱাবলৈ।

শিখ সম্প্ৰদায়ক বীৰ, পৰাক্ৰমী আৰু এটা কৰ্মী জাতি কৰি তোলাত এই আদৰ্শ আৰু এনে শিক্ষাই কিমান সহায় কৰিছে তাক সহজতে বুজিব পাৰি।

---

* সমান পৰিমাণ আতা বা চুজি, ঘিউ আৰু চেনি লব। পানী ইয়াৰ তিনিগুণ লব লাগে। ঘিউত চুজি ৰঙা পৰি সুবাস ওলোৱালৈকে ভাজিব; আৰু তাত চেনি আৰু পানী দিব। আমাৰ দেশত এই বস্তুকে মোহনভোগ বোলে।

সৰ্বশেষ দশমগুৰু গোবিন্দ সিংহৰ শিখ ধৰ্মৰ প্ৰতি এইটিয়ে অপূৰ্ব্ব দান। এনে শিক্ষাৰ গুণত শিখ জাতি আজিও সংঙ্ঘবদ্ধ হৈ সংখ্যাত তাকৰ হৈয়ো পৃথিবীত লেখত লবলগীয়া হৈ আছে।

## ৮। আদি গ্ৰন্থ চাহেব।

গুৰু গোবিন্দ সিংহৰ দ্বিতীয় দানটো হৈছে—শিখ ধৰ্ম আৰু জাতিক চিৰকাললৈ কোনো এজন মানুহৰ মতামতৰ অধীনতাৰ পৰা সম্পূৰ্ণৰূপে উদ্ধাৰ কৰি প্ৰকৃত জনমতৰ ওপৰত স্থাপন কৰা। গুৰু গোবিন্দ সিংহৰ অন্তিম কালত তেওঁক সোধা হল যে তেওঁৰ পাছত কোন গুৰু হব। তেওঁৰ উপদেশ হল যে তেওঁৰ পাছত আৰু কোনো মানুহ গুৰু হবৰ আৱশ্যক নাথাকিব, আদি গ্ৰন্থ চাহেবকে সকলোৱে গুৰু বুলি মানিব। এখন শাস্ত্ৰক দেৱতা আৰু গুৰুৰ স্থানত থাপনা কৰাৰ আৰু এটা উদাহৰণ আছে—সি হৈছে আমাৰ দেশত। কীৰ্ত্তন শাস্ত্ৰ বা ভাগবত শাস্ত্ৰ আজিকোপতি আমাৰ দেশত এইদৰে থাপনা কৰা হয়।

গ্ৰন্থ চাহেব থাপনা কৰাৰ নিয়ম এনে। যেই সেই খোটালী বা ঘৰতে গ্ৰন্থ-চাহেব থাপনা কৰিব পাৰি ; মুঠে ঘৰটো পৰিষ্কাৰ পৰিচ্ছন্ন হব লাগে। ভাক লোপ পুছিলৈ কঠ, পাটী বা কাপোৰ পাৰিব লাগে ; তাৰে একাষত এখন ছাল-পীৰাৰ ওপৰত এখন ঠগী বা তেনে পাত্ৰ থাকিব লাগে। তাতে গ্ৰন্থ চাহেবক থব লাগে। থওঁতে পাটৰ বা কিংখাপৰ

বহুমূলীয়া কাপোৰেৰে তাক মেৰাই বা ঢাকি থব লাগে। ওপৰত এখন চাঁদোৱা তৰিব লাগে। আমাৰ কীৰ্ত্তন পুথি থাপনা কৰা প্ৰনালীৰ লগত এই পদ্ধতিৰ হুবহু মিল আছে।

যিজনে গ্ৰন্থ চাহেব পাঠ কৰে তেওঁক গ্ৰন্থী বোলে। পুৰুষ-তিৰোতা নিৰ্বিশেষে গ্ৰন্থী হব পাৰে। শিখৰ কোনো ধৰ্মানুষ্ঠান গ্ৰন্থ-চাহেবৰ সন্মুখত ব্যাতিৰেকে হব নোৱাৰে।

"মচন্দ" বিলাকৰ বিষয় গুচাই ধৰ্মৰ নামত অন্যায় আচৰণ ৰোধ কৰাৰ কথা আগত কোৱা হৈছে। আদিগ্ৰন্থ চাহেবক গুৰু বুলি মানিবলৈ আদেশ দি গুৰু গোবিন্দ সিংহই শিখ সম্প্ৰদায়ৰ আন এটা কল্যান সাধন কৰিলে যে সিসকল, যিমানেই উচ্ছ নহক কোনো এজন মানুহৰ আদেশৰ তলত থাকিব লগীয়া হৈ নাথাকিল।

এই দুই কথাৰে গুৰু গোবিন্দ সিংহই শিখ সম্প্ৰদায়ক বহুদিনলৈ এটা সংঘত দৃঢ়কৈ গঠন কৰিব পাৰিলে। গুৰুজীৰ এই কৰ্মৰ কাৰণে আমি সকলোৱে তেওঁৰ চৰণত প্ৰণতি কৰোঁ।

**৯। অসমীয়া শিখ আৰু অসমীয়া জাতি গঠনঃ—**

অসমত বাস কৰা শিখসকলৰ অংশ বিশেষত্ব আছে। সেই বিষয়ে ইয়াত চমু আলোচনা কৰিবলৈ চেষ্টা কৰা হব।

অসমদেশখন এক অপূৰ্ব দেশ। অসম বা আসাম বা অবম শব্দৰ প্ৰকৃত বাখ্যা যিয়েই নহক সেই দেশৰ সমান দেশ নাই বুলি কলে বৰ বঢ়াই কোৱা নহব।

অতীতৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে বৈদিক যুগতো এই দেশখন সভ্য দেশ আছিল, ইয়াৰ এটা সংস্কৃতি আছিল। ৰামায়ণ মহাভাৰতৰ দিনত এই খ্যাতি গোটাই ভাৰত বিয়পি পৰিছিল। বৌদ্ধ যুগৰ অসমৰ বিষয়ে বৰ বেছি আলোচনা এতিয়াও হোৱা নাই। তথাপিতো এইটো সিদ্ধান্ত হৈছে যে সেই দিনতো এই দেশ শিক্ষা—শিল্প ধৰ্মালোচনাত এখন উন্নত দেশ আছিল। ভাস্কৰবৰ্মা আৰু তেওঁৰ পূৰ্ব পুৰুষৰ দিনত এই দেশৰ সভ্যতা আৰু সংস্কৃতি ভাৰতবৰ্ষৰ কোনো ঠাইতকৈ কম নাছিল। তাৰ পাচত ৰজাসকলৰ দিনতো এই দেশৰ সভ্যতা-বৈভৱ কম বেছি হৈ আছিল যদিও কেতিয়াও লোপ পোৱা নাছিল।

এই প্ৰায় আঢ়ৈ হাজাৰ বছৰ একে মানুহেই বা একে জাতিৰ মানুহেই এই দেশত বাস কৰি থকা নাই। যুগে যুগে নতুন নতুন মানুহ আহি আছে; আৰু এই দেশত বসবাস কৰি থাকিছে। ৬০।৭০।১০০ বছৰ আগেয়েও আন ঠাইৰ পৰা এই দেশলৈ মানুহ আহি সম্পূৰ্ণৰূপে অসমীয়া মানুহ হৈ যোৱাৰ লেখ আমাৰ চকুত আৰু মনত অনেক পৰিব। প্ৰৱাদ আছে বোলে কামৰূপ কামাখ্যাৰ দেশ। ইয়ালৈ আহিলে ইয়াৰ প্ৰাকৃতিক সম্পদত মানুহ ইমান মুগ্ধ হৈ যায়, যে সি ইয়াতে থাকিয়েই যায়, নিজৰ আগৰ ঠাইলৈ পাহৰে।

আমাৰ শিখ ভাইসকলো ইয়াৰে এটা উদাহৰণ। তেওঁলোক নানা প্ৰকাৰ ব্যৱসায় উপলক্ষ কৰি আমাৰ

দেশলৈ আহিল। আহি ইয়াতে বসবাস কৰিবলৈ ললে। তেওঁলোকে নিজৰ ধৰ্মৰ সকলো প্ৰকাৰ আচাৰ অনুষ্ঠান পালন কৰিছে; এনেকি তেওঁলোকৰ সাজ-পাৰৰ বৈশিষ্ট্যও ৰক্ষা কৰি আছে। অথচ তেওঁলোক সৰ্বপ্ৰকাৰে অসমীয়া। অসম তেওঁলোকৰ জন্মভূমি, মাতৃভূমি। তেওঁলোকে অসমীয়া বুলি পৰিচয় দি গৌৰৱ কৰে, অসমীয়া ভাষা সাহিত্যক আদৰ কৰি আলোচনা কৰে, তাতে গৰ্ব অনুভৱ কৰে আৰু আনন্দ পায়। অসমীয়াৰ যিবিলাক সমস্যা তাৰ বাহিৰে তেওঁলোকৰ স্বকীয়া সমস্যা নাই।

শিখ সম্প্ৰদায়ৰ এই উদাহৰণে আমাক জাতি গঠন বিষয়ত এটা ডাঙৰ শিক্ষা দিছে। সম্প্ৰতি আমাৰ মাজত আন আন ঠাইৰ পৰা নতুন মানুহ কিছুমান আহিছে। তেওঁলোকক আমি আদৰ কৰি আমাৰ মাজত ঠাই দিছোঁ। তেওঁলোকৰ প্ৰতি আমাৰ এটা অনুৰোধ—তেওঁলোকৰ আৰু আমাৰো ভবিষ্যত কল্যাণ কামনা কৰি— যে তেওঁলোক আমাৰ মাজত সম্পূৰ্ণৰূপে মিলি যাক। তেওঁলোকে এই অসমকে নিজৰ জন্মভূমি-মাতৃভূমি বুলি নিসংকোচ চিত্তে গ্ৰহণ কৰক; তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰক; অসমীয়া সাহিত্য আলোচনা আৰু চৰ্চ্চা কৰক; তেওঁলোক সম্পূৰ্ণৰূপে অসমীয়া হক। আজি শিখ সম্প্ৰদায়ৰ এমুঠি লোক আমাৰ মাজত পাই আমি যেনে সন্তোষ পাইছো, তেওঁলোককো আমাৰ নিজা কৰি আমাৰ মাজত পালে আমাৰ সন্তোষ

সেই পৰিমাণে বাঢ়িব ; আৰু অসম মাতৃয়ে এই সকলোকে নিজৰ বিস্তীৰ্ণ কোলাত সামাৰি লৈ গৌৰৱ আৰু আনন্দ পাব।

মই আগতে কৈছো যে আমাৰ মাজত শিখ সম্প্ৰদায়ৰ লোক ১৯৬১ চনত ৩০০০ (তিনি) হাজাৰতো কম আছিল। সেই সংখ্যা এতিয়া বাঢ়ি চাৰি হাজাৰৰ অধিক হোৱা নাই, সংখ্যাত তাকৰ হৈয়ো আমাৰ জাতি গঠনত তেওঁলোকে যি বিশিষ্ট দান দিছে তাৰে এটা মাত্ৰ উল্লেখ কৰিলোঁ। তেওঁলোকৰ দ্বিতীয় দানো তেনেকুৱা বহুমূলীয়া। সেইটো হৈছে দক্ষতাৰ উদাহৰণ। মই জনাত কোনো শিখ ডেকা কাম নোহোৱা কৰি থাকিব লগীয়া হোৱা নাই। কিবা নে কিবা কাৰে তেওঁলোকে নিজে নিজৰ জীৱিকা আৰ্জে। এইটোও তেওঁলোকৰ শিক্ষাৰ এটা আদৰ্শ। আশা কৰোঁ আন অসমীয়া ডেকাৱো এই আদৰ্শ অনুসৰণ কৰিবলৈ যত্ন কৰিব।

## ১০। সাধাৰণ শিক্ষা।

এটা ডাঙৰ কথা কব থাকিল। সেইটো শিক্ষাৰ কথা, আমাৰ মাজত শিক্ষাৰ প্ৰচাৰ যথেষ্ট হোৱা নাই—সকলোৱে জানে। শিখ সকলৰ মাজতো শিক্ষাৰ যথেষ্ট প্ৰচাৰ হোৱা নাই—বিশেষ কৰি ছোৱালী শিক্ষাৰ। তাৰ কাৰণে চৰকাৰে কিছু যত্ন কৰিছে। কিন্তু চৰকাৰৰ যত্নৰ পৰাই সকলো কাম হব নোৱাৰে।

আমাৰ সকলো প্ৰকাৰ অপায় অমঙ্গলৰ প্ৰতিবিধান কৰ্ত্তা আমি নিজে হব লাগে। আত্মবলেই হে পৰম বল। এতেকে অকল চৰকাৰ বা যাৰে তাৰে মুখলৈ নাচাই আমি নিজে নিজে যত্ন কৰিব লাগে যাতে আমাৰ মাজৰ পৰা অজ্ঞতা দোষ দূৰ হয়। কুৰি বছৰ আগলৈকে সৰ্ব্ব সাধাৰণৰ মাজত কানি খোৱা এটা দোষৰ বা পাপৰ কথা বুলি ভাৱ হোৱা নাছিল। এনেকি কানীয়া বিলাকে কানীয়া ভকত বুলি অনেকৰ পৰা দয়া মৰম পাইছিল আৰু মাজে মাজে মানুহে কানীয়া সেৱা পাতি ধৰ্ম্ম আৰ্জ্জিছে বুলি ভাবিছিল। এই কুৰি বছৰৰ ভিতৰত কানি যে বৰ বিহ, তাক সকলোৱে বৰ্জ্জন কৰিব লাগে এই কথা জনাজাত হল; আৰু গৱৰ্ণমেণ্টে সম্পূৰ্ণৰূপে কানি বন্ধ কৰিলে অজ্ঞতা, আখৰ নিচিনা এইবিলাক কথাতো আমাৰ তেনে জনমত হব লাগে। তেতিয়া আমাৰ মাজৰ পৰা এইদোষ আতঁৰ হব। সংস্কাৰ বিষয়ত গুৰু গোবিন্দ সিংহৰ আদৰ্শ, দৃঢ় সংকল্প, শিক্ষা, সাধনা আৰু সিদ্ধি আমাৰ উদাহৰণ হক। তেওঁৰ আৰু তেওঁৰ দৰে গুৰু সকলৰ আশীৰ্ব্বাদত আৰু ভগৱন্তৰ কৃপাত আমি অসমীয়া মানুহ প্ৰকৃততে এটা অসম জাতি হৈ উঠো—এই মোৰ একান্ত প্ৰাৰ্থনা।

———×———

নগাওঁ, চাপৰমুখত গুৰু গোবিন্দ সিংহৰ জন্মোৎসৱত সভাপতি ৰূপে দিয়া ভাষণ।

২৫।১২।৪১

# আমাৰ দেশত আয়ুৰ্বেদ চৰ্চা ।

মই নিজেও এক প্ৰকাৰ চিকিৎসা ব্যৱসায়ী, যদিও শাৰীৰিক চিকিৎসা নকৰি আমি যথাসাধ্য মনৰ চিকিৎসা কৰোঁ। মনত এই বিশ্বাস জন্মা বাবেহে আজি চিকিৎসা বিষয় কবলৈ প্ৰত্যয় জন্মিছে।

বেদ জগতৰ প্ৰাচীনতম গ্ৰন্থ আৰু আয়ুৰ্বেদ বেদৰেই অঙ্গ বিশেষ বুলি কথিত। জগতক ৰোগ, চিকিৎসা আৰু স্বাস্থ্যৰ বাণী পোন প্ৰথমে ভাৰতীয় আয়ুৰ্বেদেই শুনাইছিল বুলি কব পাৰি। আয়ুৰ্বেদ ব্ৰহ্মাৰ মুখৰ পৰা ওলাই কেনেকৈ জগতত প্ৰচাৰ হলহি পুনৰাই সেই কথা কোৱা নিষ্প্ৰয়োজন। মই নিজে আয়ুৰ্বেদৰ পণ্ডিত নহওঁ যদিও ভক্ত হওঁ। আয়ুৰ্বেদীয় চিকিৎসা পদ্ধতিৰ প্ৰতি মোৰ গভীৰ বিশ্বাস। কিন্তু দুখৰ কথা আমি অনেকেই জানিবলৈ চেষ্টা নকৰো আমাৰ আয়ুৰ্বেদত কি আছে। আমেৰিকাৰ বিখ্যাত ডাক্তৰ Mr George Clarke এ কয়, " As I go over each fasciculus I arrive at one conclusion and that is this— if the physicians of the present day would drop from the pharmacopia all the modern drugs. and chemicals, and treat their patients according to the method of Charaka there

would be less work for under takers, and fewer chromic invalids in the world" অর্থাৎ মই চৰকৰ প্ৰত্যেক আধ্যায় পঢ়ি এই সিদ্ধান্তত উপনীত হৈছোঁ। যে যদি আজি কালিৰ চিকিৎসক সকলে আধুনিক ফাৰ্মাকোপিয়া এৰি চৰকৰ মতে চিকিৎসা কৰিবলৈ আৰম্ভ কৰে, তেনেহলে জগতৰ পৰা অকাল মৃত্যু আৰু জযাপ্য ৰোগৰ সংখ্যা বহুতো কমি যাব।

Dr. Royal নামৰ পণ্ডিত এজনে Essay on the Antiquity of Hindu Medicine নামৰ কিতাপত লিখিছে, "Sharaka and Sasrad as the Arabian called them (evidently corruptions of the names Charaka and Sushruta), were translated into Persian by Persian Scholars and the Greek by the physicins of Greece attending the covrts of Alam-hazar and Harnu Ul rasid of Baghdad, each of whom severally held an international congress of medical men in central India" আয়ুৰ্বেদে কেনেকৈ জগতত প্ৰভাব বিস্তাৰ কৰিছিল, আয়ুৰ্বেদৰ গৌৰব ৰবি কিমান ওপৰলৈ উঠিছিল, এইবোৰেই তাৰ প্ৰমাণ।

বহুতৰ মতে বৌদ্ধ-যুগৰ পৰাই আয়ুৰ্বেদৰ অবনতি আৰম্ভ হৈছে। কিন্তু সেই সময়ৰ মহাৰাজ অশোকে নানা ঠাইত

চিকিৎসালয় স্থাপন কৰা আৰু সিংহল আদি ঠাইলৈ আয়ুৰ্বেদ প্ৰচাৰক পঠিওৱা প্ৰমাণ পোৱা যায়। সম্ভৱতঃ সেই সময়ৰ পৰাই কেইটামান অঙ্গৰ চৰ্চ্চা কমি আহিল। কিন্তু কায় চিকিৎসা আদিৰ কোনো ক্ষতি হোৱা নাছিল।

কোনো সভ্যতা, কৃষ্টি বা বিজ্ঞান সুপ্ৰতিষ্ঠিত হৈ তিষ্ঠি থাকিবলৈ ৰাজকীয় পৃষ্ঠপোষকতাৰ বিশেষ আৱশ্যক। মুছলমান সকল ভাৰতৰ অধীশ্বৰ হোৱাৰ পাছৰ পৰাই আয়ুৰ্ব্বেদে এই পৃষ্ঠপোষকতা স্বভাৱতে কিছু পৰিমাণে হেৰুৱালে। সেই সময়ত ৰাজানুমোদিত চিকিৎসা প্ৰণালী আছিল হেকিমি আৰু ইউনানি। তাৰ পিচতেই ইংৰাজ আমোলত আহিল ডাক্তৰী বা চিকিৎসাৰ দিন। পাশ্চাত্য ৰাজানুমোদিত নোহোৱা বাবে স্বভাৱতঃ দেশৰ কৃতী লোকসকলে আয়ুৰ্ব্বেদিৰ প্ৰতি আওকান কৰিলে। এই সুযোগতে অৰ্থলোভী, অযোগ্য লোক এই ব্যৱসায় প্ৰবেশ কৰি আয়ুৰ্বেদৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস আৰু আস্থা হ্ৰাস কৰিলে, লগে লগে বিদেশী চিকিৎসাৰ প্ৰতিপত্তি বিশেষ ৰূপে বৰ্দ্ধিত হোৱাৰ সুবিধা হল। এই দৰে আজি কেবা শ বছৰে আয়ুৰ্বেদৰ প্ৰতি আস্থা আৰু বিশ্বাস কমি অহাৰ ফলত উনৈশ শতিকাৰ শেষ ভাগত এই চিকিৎসা প্ৰায় লুপ্ত হৈছিল।

আমাৰ দেশীয় চিকিৎসা, দেশীয় ঔষধ আমাৰ শৰীৰৰ ধাতু। আমাৰ দেশৰ জলবায়ু, আমাৰ আহাৰ-বিহাৰৰ

পক্ষে বেচি অনুকুল। এই কথা অনেক ডাঙৰ ডাঙৰ বিদ্বান লোকে মুক্তকণ্ঠে স্বীকাৰ কৰিছে। এই বাবেই আজি অসমৰ বাহিৰে ভাৰতৰ প্ৰায় সকলো দেশতেই আয়ুৰ্ব্বেদীয় চিকিৎসা পদ্ধতি গৱৰ্ণমেণ্টে অনুমোদন কৰিছে আৰু ইয়াৰ উন্নতিৰ ব্যৱস্থা কৰিব ধৰিছে।

আজি কবিৰাজী চিকিৎসা বন্ধ কৰি দিলে ভাৰতৰ সৰহ ভাগ মানুহে কোনো প্ৰকাৰ চিকিৎসাই নাপাব। ভাৰতৰ প্ৰত্যেক মানুহেই ডাক্তৰী চিকিৎসা পাব পৰাকৈ ডাক্তৰ ওলাবলৈ এতিয়াও বহুদিন বাকী।

আয়ুৰ্ব্বেদ বিষয়ত ভাৰতৰ অইন ঠাই অসমৰ অলপ ভিন্নতা আছে। অসমত মুছলমান প্ৰভাৱ বিস্তাৰৰ সুবিধা হোৱা নাছিল। পাশ্চাত্য চিকিৎসাও অসমত প্ৰৱেশ কৰাৰ সৰহ দিন হোৱা নাই। প্ৰকৃতিয়ে অসম দেশখন আয়ুৰ্ব্বেদৰ এখন বিশেষ ক্ষেত্ৰ কৰি ৰাখিছে। অসমৰ হাবি-বননি পৰ্ব্বত, পাহাৰ বনৌষধিৰে পৰিপূৰ্ণ। এই বিষয়ৰ খবৰ ৰাখোতা সকলৰ মতে—একেখন প্ৰদেশতে ইমান বনৌষধি ভাৰতৰ অইন কতো নাই। ইয়াত নোহোৱা বহুতো বনৌষধি চেষ্টা কৰিলে উৎপন্নও কৰিব পাৰি।

আমাৰ আহোম ৰজা সকলে এই দেশৰ বৈদ্য সকলক কেৱল আয়ুৰ্ব্বেদ চৰ্চ্চাৰ সুবিধাৰ অৰ্থে অৰ্থ আৰু অন্ন চিন্তাগ্ৰস্ত হব নলগীয়াকৈ ৰাখিছিল। এইবাবেই আজিও অসমৰ পুৰণা কবিৰাজ সকলৰ ঘৰত এনে কিছুমান মূল্যবান পুথি আছে,

যিবিলাক অইন কতো নাই। ইয়াৰ ভিতৰত “ৰাজবল্লভ” আৰু “বৈদ্য কল্পতৰু” বিশেষ উল্লেখ যোগ্য। “ৰাজবল্লভ” “অসম আয়ুৰ্ব্বেদ মহাসভাৰ” সম্পাদক কবিৰাজ শ্ৰীযুত তাৰানাথ চক্ৰবৰ্ত্তী কাব্যবিনোদ মহাশয়ে সম্পাদন কৰি উলিয়াইছে। আশাকৰোঁ কোনো যোগ্যজনে ইখন গ্ৰন্থও প্ৰকাশ কৰিবলৈ যত্নপৰ হব। আমাৰ দেশৰ আনুবংশিক বৈদ্যসকলৰ ঘৰত এনে কিছুমান প্ৰত্যক্ষ-ফল-দৰ্শী ঔষধ আছে যে সেই বোৰকো ৰক্ষা কৰিবলৈ আমি তৎপৰ হোৱা উচিত। এইবোৰ কথালৈ লক্ষ কৰিলে আজি ভাৰতৰ অইন ঠাইতকৈ অসমত আয়ুৰ্ব্বেদ উন্নতৰ অৱস্থাত থাকিব লাগিছিল। কিন্তু দুখৰ বিষয়, এই বিষয়ত অসমেই ভাৰতৰ ভিতৰত সকলোতকৈ পিচ পৰা।

বৰ্ত্তমান যুগ—বৈজ্ঞানিক যুগ। দিনে দিনে সকলো কথাৰেই পৰিবৰ্ত্তন আৰু উন্নতি হব লাগিছে। কবিৰাজ সকলেও যুগধৰ্ম মানি এই পৰিবৰ্ত্তনৰ লগত সমানে চলিবলৈ চেষ্টা কৰা উচিত। অষ্টাঙ্গ আয়ুৰ্ব্বেদৰ প্ৰায় বিলাক অঙ্গই কালৰ গতিত লুপ্ত প্ৰায়! শৰীৰ, শল্য, শালাক, প্ৰসূতি তন্ত্ৰ আদি অত্যাৱশ্যকীয় অঙ্গবোৰৰ ব্যাৱহাৰিক শিক্ষাৰ (Practical training) বিশেষ আৱশ্যক। এই বিষয় বিলাকৰ প্ৰত্যক্ষ জ্ঞানহীন সম্পাদক সকলৰ দোষত আয়ুৰ্ব্বেদৰ প্ৰাচীন গ্ৰন্থ চৰক, সুশ্ৰুত আদিত অনেক ভ্ৰমাত্মক আৰু প্ৰক্ষিপ্ত কথা প্ৰবেশ কৰিছে বুলি এই বিষয়ৰ বিশেষজ্ঞ মহামহোপধ্যায় গণনাথ সেনে কয়। এনে বিলাক ভ্ৰম-প্ৰমাদ

আৰু লুপ্ত প্ৰায় অঙ্গবোৰ আধুনিক বিজ্ঞানৰ সহায় লৈ পূৰ্ণ কৰি লোৱাৰ ব্যৱস্থা কৰা আৱশ্যক। আপোনালোকৰ আয়ুৰ্ব্বেদ শাস্ত্ৰই কৈছে—"কৃৎস্নোহি লোকো বুদ্ধি মতা মাচাৰ্য্যঃ।" আচাৰ্য্যসকলে ভাল কথা সকলোৰে পৰাই শ্ৰবন কৰিবলৈ উপদেশ দিছে।

যুগ আৰু সভ্যতাৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ শৰীৰ; স্বাস্থ্য, আহাৰ-বিহাৰ আৰু জলবায়ুৰ পৰিবৰ্ত্তন অনিবাৰ্য্য ৰকমে হৈ আছে তাৰ ফলত সংসাৰত অনেক নতুন ৰোগৰ আবিৰ্ভাব হৈছে লগে লগে তাৰ নতুন নতুন চিকিৎসাও ওলাব লাগিছে। সেইবোৰ আয়ুৰ্বেদৰ অন্তৰ্ভুক্ত কৰিলৈহে আয়ুৰ্বেদৰ মৰ্য্যাদা ৰক্ষা কৰি জগতৰ লগত চলিব পাৰা যাব। মহৰ্ষি আগ্নিবেনে লিখেছে—"ইতি বাত পিত্ত কফ ৰোগানাং অপৰিসংখ্যেয়ানং আবিষ্কৃত তমাঃ ব্যাখাতাঃ" অৰ্থাৎ সেই মই যি লিখিলোঁ এয়েই সংসাৰৰ ৰোগ আৰু চিকিৎসাৰ শেষ নহয়॥ যিমান বোৰ আবিস্কাৰ কৰিব পৰা হৈছে সেই-বোৰ হে ইয়াত লিখা হৈছে। অনাবিষ্কৃত আৰু নবাবিৰ্ভূত ৰোগ আৰু চিকিৎসা বৈদ্যই নিজে আবিস্কাৰ কৰি লব। চৰকেই লিখিছে "তদেব যুক্তং ভৈষজ্যং যদাৰোগ্যায় কল্পতে" অৰ্থাৎ যি ৰোগ আৰোগ্য কৰিব পাৰে সেয়েই উপযুক্ত ঔষধ। কেৱেল তাহানিখনতে আয়ুৰ্বেদ শাস্ত্ৰত থাকা ঔষধ কেইটাই একমাত্ৰ ঔষধ নহয়। গতিকে ম্যালেৰিয়াত কুইনাইন দিয়া বা প্ৰসুতিৰোগত Ergot দিয়াটো শাস্ত্ৰবিৰুদ্ধ বা দোষৰ

কথা নহয়। অৱশ্যে এইবোৰ কৰিবলৈ যোৱাৰ আগতে উপযুক্ত শিক্ষাৰ অৱশ্যক।

যি কোনো চিকিতৎসাই নহক, প্ৰত্যক্ষ ফল দেখিলে মানুহৰ তাৰ প্ৰতি আস্থা নোহোৱাকৈ নাথাকে। মোৰ দৃঢ় বিশ্বাস—উপযুক্ত আয়ুৰ্বেদীয় চিকিৎসাই মানুহৰ আস্থা আকৰ্ষণ কৰিব পাৰে।

আয়ুৰ্বেদীয় চিকিৎসাৰ অৱনতিৰ কাৰণ,—প্ৰাচীন কবিৰাজসকলক বাদ দি—নতুনকৈ কোনো শিক্ষিত লোকে এই বিষয়ত একানপতীয়া ভাৱে মন দিয়া নাই। নতুনকৈ যিদুই এজন ডেকালৰাই অলপ ভালদৰে পঢ়ি শুনি আহিছে তেওঁলোকে বৈদ্য সমাজৰ পৰা আৰু ৰাইজৰ পৰা কোনো প্ৰকাৰ সহানুভূতি বা উৎসাহ পোৱা নাই।

অইন ঠাইৰ বিজ্ঞ ডাক্তৰ সকলে আয়ুৰ্ব্বেদক অৱজ্ঞাৰ চকুৰে নাচায়। প্ৰায় ডাক্তৰেই ডাক্তৰি পঢ়ি উঠি আয়ুৰ্ব্বেদত কি আছে জানিবলৈ চেষ্টা কৰে। ভাৰতৰ বহুতো সুশিক্ষিত ডাক্তৰে ডাক্তৰীতকৈ কবিৰাজিৰ ওপৰত বেছি মূল্য দিয়ে, আনকি তেওঁলোকে নিজেও কবিৰাজি চিকিৎসাহে কৰে। তেওঁলোকে নানা চেষ্টা কৰি নিজৰ নিজৰ প্ৰদেশত আধুনিক প্ৰণালীত আয়ুৰ্ব্বেদীয় বিদ্যালয় আৰু সিকিৎসালয় স্থাপন কৰি আয়ুৰ্ব্বেদৰ অষ্টাঙ্গ পুনঃ প্ৰবৰ্ত্তনৰ ব্যৱস্থা কৰিব ধৰিছে।

সংযুক্ত প্ৰদেশ, মাদ্ৰাজ, বম্বে মধ্যপ্ৰদেশ বিহাৰ আদিত বহুতো আয়ুৰ্ব্বেদীয় দাতব্য ঔষধালয় আৰু বিদ্যালয় স্থাপিত

হৈছে। এই প্ৰাপ্তিস্থান বোৰৰ কিছুমান সম্পূৰ্ণৰূপে প্ৰাদেশিক গবৰ্ণমেণ্টে চলায়, কিছুমান কৰ্পোৰেশন, মিউনিচিপ্যাল বোৰ্ড আৰু ডিষ্ট্ৰিক্ট বোৰ্ডে চলায়। ৰাইজ আৰু ধনী মানী লোকৰ দ্বাৰা প্ৰতিস্থিত বহুতো অনুস্থান গবৰ্ণমেণ্ট আৰু বোৰ্ড সমূহৰ পৰা যথেষ্ট আৰ্থিক সাহায্য আৰু উৎসাহ পায়।

সংযুক্ত প্ৰদেশ আৰু মাদ্ৰাজত গবৰ্ণমেণ্টে আইন কৰি অযোগ্য লোকক আয়ুৰ্বেদীয় চিকিৎসাৰ পৰা নিবৃত্ত কৰি—আয়ুৰ্বেদৰ কলঙ্ক দূৰ কৰাৰ ব্যৱস্থা কৰিছে। বৰ্ত্তমান এই ব্যৱস্থা মধ্য প্ৰাদেশ, বম্বেতো প্ৰবৰ্তন কৰা হৈছে। অইন প্ৰদেশ বোৰতো এনে ব্যৱস্থা কৰাৰ আয়োজন হব ধৰিছে।

অইন ঠাইৰ দৰে আমাৰ দেশতো লব্ধ প্ৰতিষ্ঠ ডাক্তৰ কবিৰাজ সকলে, গন্য মান্য লোক সকলে আৰু ৰাইজে মন কৰিলে তেনে বিলাক অনুষ্ঠান আৰু ব্যৱস্থা হব পাৰে। অইন ঠাইত কি হৈছে দেখুৱাই দিলে, আমাৰ গবৰ্ণমেণ্ট আৰু বোৰ্ড বোৰেও তেনেবোৰ কাম হাতত লবলৈ বাধ্য। আমাৰ বোৰ্ডবোৰ আৰু গৱৰ্ণমেণ্টে অইন প্ৰদেশৰ নিচিনা চহকী নহলেও, অইন প্ৰদেশে আয়ুৰ্বেদ চৰ্চ্চাৰ বাবে যিমান খৰছ কৰে তাৰ দহভাগৰ এভাগ খৰছ কৰিব পাৰে।

আমাৰ ইয়াত অন্তঃত এখন, কাশীহিন্দু বিশ্ববিদ্যালয়ৰ নিচিনা আয়ুৰ্বেদ কলেজ বা মাদ্ৰাজৰ Govt. School of Indian medicine ৰ নিচিনা বিদ্যালয় হোৱা আৱশ্যক। * অন্তত: প্ৰতি নগৰতেএখন আৰু প্ৰতি মৌজাতে এখনকৈ

আয়ুৰ্ব্বেদীয় দাতব্য ঔষধালয় লাগে । ডাক্তৰ সকলৰ ৰেজিষ্ট্ৰেচন কৰাৰ দৰে কবিৰাজৰো ৰেজিষ্ট্ৰেচনৰ ব্যৱস্থা হব লাগে । আৰু আইন কৰি অশিক্ষিত লোকক এই ব্যৱসায়ৰ পৰা বিৰত ৰাখিব লাগে ।

কিন্তু এইবোৰ একোৱেই নহয়, অইন ঠাইতো আপোনা আপুনি হোৱা নাই । যদি সচাকৈয়ে আমি আয়ুৰ্ব্বেদৰ পূৰ্ব্ব গৌৰৱ ঘূৰাই আনিব খোজো তেনে হলে মনৰ সংকীণতা এৰি, ত্যাগ স্বীকাৰ কৰি চেষ্টা কৰিব লাগিব । অইন ঠাইৰ লোকে উপলব্ধি কৰক, অসমতো আয়ুৰ্ব্বেদৰ উন্নত চৰ্চ্চাৰ ব্যৱস্থা আছে ।

———— × ————

নলবাৰীত অনুষ্ঠিত"অসম আয়ুৰ্ব্বেদ মহাসভাৰ" দ্বিতীয় অধিবেশনত সভাপতিৰূপে দিয়া ভাষণ ।

২৬।১২।৩৯

---

* বৰ্ত্তমান অসম চৰকাৰে গুৱাহাটীতে "অসম আয়ুৰ্ব্বেদ কলেজ স্থাপনৰ যো জা কৰিছে । আৰু অইন প্ৰদেশৰ আয়ুৰ্ব্বেদ কলেজ-বোৰ চাই অভিজ্ঞ লোকৰ দ্বাৰা আঁচনি প্ৰস্তুত কৰিছে । আয়ুৰ্ব্বেদ কলেজৰ অধক্ষও নিযুক্ত হৈছে ।

১৪।৩।৪৮

# ছাত্র-সকলৈ তিনি আখৰ কথা।

আজি পুৰা ন মান বজাত যেতিয়া এজনা মেট্রিকুলেছন পৰীক্ষাৰ্থীয়ে কলে গৈ, যে তেওঁলোকে আজিৰ গধূলিৰ এই মিলন পাতিবৰ যো-জা কৰিছে! আৰু তাত মই তেওঁ-বিলাকক দুই আখাৰমান ভাল কথা শুনাব লাগে, তেতিয়া প্ৰথমতে মই এই গুৰুভাৰ লবলৈ অসন্মত হব খুজিও, সন্মত যে হলোঁ, তাৰ কাৰণ এই নহয় যে মই উপদেশ দিবৰ যোগ্য; কিন্তু আচল কাৰণ এই যে আমাৰ উঠি অহা ডেকা সকলক কবলৈ মোৰ কেইটামান কথা আছে; (অৱশ্যে সেই কথা আগেয়ে অনেক অনেকে প্ৰকাৰে কৈ যোৱা) আৰু সেই কেইটা কথা কোৱাৰ ইয়াত কৰি ভাল সুযোগ বা ভাল সময় হব নোৱাৰে।

যি সকলে আজি মেট্রিক সমূদ্ৰৰ পৰা উদ্ধাৰ পোৱা যেন ভাবিছে আচলতে ইয়াতকৈ আৰু মহত্বৰ আৰু গৌৰৱময়, আনপক্ষে বিপদ সঙ্কুল সমুদ্ৰলৈকে জীৱনৰ নাওঁ চলাবলৈ খুজিছে। যি সকলে ইয়াৰ পিচতেই পঢ়া-শুনা এৰিব, সেই সকলৰ পক্ষে সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰা যেনে এটা সমস্যা, যি সকলে পঢ়া শুনা নেৰি কলেজ বা কোনো টেক্‌নিকেল স্কুলৰ শিক্ষা কৰিব গৈ, সেইসকলৰ পক্ষেও পাঠ্যকাল ডোখৰ ভালকৈ কটাই লাগতিয়াল বিদ্যা আৰু চৰিত্ৰ অৰ্জন কৰাও তেনে এটি জটিল সমস্যা। এই সমস্যাৰ

মীমাংসা আজি পৰ্য্যন্ত কোনোৱে কৰিব পৰা নাই। মই মুঠতে এনে দুটামান কথা কব খুজিছোঁ, যি মোৰ অভিজ্ঞতা অনুসৰি এই সমস্যা সমাধাত সহায় কৰিব পাৰিব বুলি মই ভাবোঁ।

মূলতে আটাইকেইটা কথা সংক্ষেপতে কব পাৰেঁা— আটায়ে মানুহ হক। বিশ্ববিদ্যালয়ৰ ডিগ্ৰীতকৈও আমাৰ আৱশ্যক হৈছে মানুহৰ হে।

অলপ বিশেষকৈ কওঁ—প্ৰথম কথাটো সকলোৱে কৈ ফুৰা কথা আৰু শুনিবলৈ নিচেই হীন যেন লাগে। এইটো হৈছে ডাক্তৰ ৰায়ৰ ভাষাত "অন্ন সমস্যা" হাৰ্বাট স্পেন্সাৰ নিতান্ত জড়বাদী দাৰ্শনিক পণ্ডিত নাছিল। তেওঁৱো মানুহৰ কৰ্তব্য কৰ্ম পাঁচ ভাগত ভাগ কৰি প্ৰথম তিনিটা ভাগ অন্ন সমস্যাত সুমাই থৈছে। "ধৰ্মাৰ্থ কাম মোক্ষানাং প্ৰানং সংস্থিতি হেতবঃ।" প্ৰান শক্তি নহলে অকল কলং-মলং কৰি থকা আধামৰা জীউটো থাকিলেই নহয়; জীৱনত আনন্দ কৰ্মত আগ্ৰহ, শৰীৰত এটা চলন্ত প্ৰেৰণা নহলে কোনো কামেই কেতিয়াও সিদ্ধ নহয়, আৰু ঘৰত খোৱা মুঠিৰ অভাৱ হলেই এই একো থাকিব নোৱাৰে। গতিকে মানুহ মাত্ৰৰেই প্ৰথম কৰ্তব্য হৈছে এই "অন্ন সমস্যা'ৰ এটা সমাধান কৰা, নিজৰ অৰ্জন ক্ষমতা বেচি কৰা, কাৰো মুখাপেক্ষী নোহোৱাকৈ নিজৰ ভাত মুঠা মুকলি কৰাৰ দিহা কৰা। ইয়াকে কৰিব নোৱাৰিলে শিক্ষাৰ প্ৰথম কাম,

মানুহৰ প্ৰধান কৰ্তব্য নকৰা হৈ থাকিল বুজিব লাগিব। ডিগ্ৰীটোৰ মূল্য নাই বুলি নকওঁ, কিন্তু সি ডিগ্ৰীয়ে নিজৰ ভাত মুঠা মুকলি কৰি খাবৰ উপায় দিব নোৱাৰে, তাৰ মূল্য তিমান বেচিও বুলিব নোৱাৰো। আমাৰ বৰ্ত্তিমান শিক্ষাৰ উপকাৰ নাই বুলিও নকওঁ, কিন্তু প্ৰায় ২০ বছৰ ধৰি শৰীৰৰ তেজক পানী কৰি আৰু অন্ত দেৱতাৰ মাহাত্ম্য খৰ্ব কৰি যি শিক্ষা পাওঁ, সেই শিক্ষাই যেতিয়া আমাক সাধাৰণ ঘৰামী বা মিস্ত্ৰীৰিত কৰি বেছি অৰ্জনক্ষম কৰি তুলিব নোৱাৰে, তেতিয়া সেই শিক্ষাৰ যে কোনো ঠাইত কেৰোণ বৰ বেয়াকৈ লাগিছে, এই ভাৱে আপোনা আপুনি আমাৰ মনত খুখুন্দিয়াকৈ নাথাকে। এই কেৰোণ হৈছে ইয়াতে যে আমাৰ শিক্ষা উদ্দেশ্য বিহীন। এক উদ্দেশ্য বা অনুদেশ্য কেৱল পৰীক্ষা পাছ, আৰু পৰীক্ষা পাছৰ উদ্দেশ্য চাকৰী; কিন্তু চাকৰী যে আৰু নাই। যি দুটা এটা ওলায় তাৰ মূল্য কিমান? কোনো কোনো লৰাই কলেজত মাহে যিমান খৰছ কৰে, কলেজৰ পৰা ওলাই আহি তিমান টকা দৰমহাৰ চাকৰী নাপায়।

প্ৰশ্ন উঠিব পাৰে, এনে অৱস্থাত কলেজত পঢ়া উচিতনে অনুচিত অথবা কলেজৰ বিদ্যাৰ একো দৰকাৰ নাই নেকি? নিশ্চয়, কলেজৰ বিদ্যাৰ দৰকাৰ আছে, আৰু কলেজত পঢ়াও উচিত। কিন্তু তাতকৈয়ো বেছি দৰকাৰ হৈছে অৰ্থৰ; আৰু টকা অৰ্জনৰ ক্ষমতাৰ প্ৰধান কথা, প্ৰত্যেকে নিজে নিজে

অৰ্জন কৰিব লাগিব সেই দিনাৰ পৰা, যিদিনাৰ পৰা আমি আমাৰ শিক্ষা সাং কৰোঁ। টকা আৰ্জিবৰ অনেক উপায় আছে—খেতি কৰিব পাৰি, বেপাৰ কৰিব পাৰি, ঠিকাদাৰ হব পাৰি, মিস্তিৰী হব পাৰি, সদাগৰ হব পাৰি, কিন্তু সকলোতে ধৈৰ্য্য, সাহ আৰু পিত অৰ্থাৎ ডাঙৰ মন লাগে। আসামত খেতি কৰি সদাগৰ হৈছে কোন ? অসমীয়া নহয়। আমাৰ দেশৰ ধান-চাউলৰ, মাহ-সৰিয়হৰ, মুগা-এৰিৰ বেপাৰ কাৰ হাতত ? অসমীয়াৰ হাতত নহয়। ঠিকা কোনে কৰে ? অসমীয়াই নকৰে। হাতীৰ মহল লয় ঘাইকৈ চাহাবে। আমি হওঁ চাহ বাগিছাৰ কেৰাণী, কেঞ্চাৰ ঠিকাদাৰৰ মহৰী, হাতীমহলৰ চৰ্দাৰ, এইবোৰ। এই ব্যৱসায় বিলাক যেতিয়ালৈকে আমাৰ হাতলৈ নাহে, যেতিয়ালৈ আমাৰ দেশৰ প্ৰত্যেক ব্যক্তি চহকী হৈ দেশক আগবঢ়াই নিব নোৱাৰে তেতিয়ালৈকে দেশ দুখীয়া হৈ থাকিব আৰু দুখীয়া দেশে বুৰঞ্জীৰ কোনো যুগতে উন্নতি কৰিব পৰা নাই।

মই বেছিকৈ বুজিছোঁ যে আজিৰ এই মিলনত ডাঙৰ ডাঙৰ শব্দেৰে ভৰা আৰু প্ৰায় অৰ্থহীন বিশেষণেৰে কথিত নৈতিক জীৱন, দেশপ্ৰেম আদিৰ কথা নকৈ, নিতান্ত চহা সমাজৰ আলোচ্য টকাৰ কথা কোৱাত আনকেই মোৰ প্ৰতি অপ্ৰসন্ন হব পাৰে। কিন্তু সংসাৰৰ অভিজ্ঞতাই ইয়াকে কৈছে, যে আৰ্জিব নোৱাৰা মানুহৰ বিদ্যা-বুদ্ধি শক্তিৰ পৰা কাচিৎ হে কিবা উপকাৰ হোৱা দেখা যায়; আৰু নিৰ্ধন দেশে

কোনো বিষয়ত উন্নতি কৰিব নোৱাৰে। এইবাবে আমাৰ নিজৰ উন্নতিৰ বাবে, আৰু দেশৰ হঁকে, আমাৰ প্ৰথম আৱশ্যক হৈছে অৰ্থ। সেইদেখি আজি মুয়ো মোৰ ক্ষুদ্ৰ শক্তিৰে দেশৰ ডেকা সকলক এইটো কব খুজিছোঁ যে আমাৰ সকলোৰে অভাৱ আছে সচাঁ কিন্তু প্ৰধান অভাৱ অৰ্থৰ ; বিদ্যা আৰ্জন কৰা উচিত, সকলোৰে যশো হওঁক কিন্তু অৰ্থলৈ পাহৰা উচিত নহয়, অৰ্থবান হলেই দেশত সেই অৰ্থৰে বিদ্যা, যশ, গৌৰৱ আনিব পৰা যাব।

কিন্তু এইটো ভাবিলে ভূল হব যে অৰ্থহলেই মানুহৰ সকলো হ'ল। আজি কালি "Business is Business" বুলি কৈ মানুহে অনেক সময়ত অনেকক ঠগে আৰু নিতান্ত শলাগৰ পাত্ৰৰ ওচৰতো অকৃতজ্ঞ হবলৈ লাজ নাপায়। এইদৰে মনুষ্যত্বৰ সকলো মহত্ব খৰ্ব কৰি অৰ্থ আৰ্জা পিশাচৰ কাম। অৰ্থ আৰ্জিব লাগে নিজ হাতে নিজৰ বুদ্ধিৰে, নিজৰ শক্তিৰে আৰু সজ উপায়েৰে। আনক চল কৰি ফাঁকি দি বা বিপদত পেলাই আনে আৰ্জা অৰ্থ ভোগ কৰা আৰু চোৰৰ অৰ্থ উপাৰ্জন একে কথা। মোৰ দ্বিতীয় কথা—আমাৰ দেশৰ ডেকাসকলক স্বাস্থ্যবান হবলৈ কোৱা। স্বাস্থ্যবান নহলে জীৱনৰ যি আনন্দ তাক উপভোগ কৰিব নোৱাৰে। আৰু জীৱনৰ আনন্দ নোহোৱাৰ কাৰণে আমি অকাল বৃদ্ধ হওঁ। দহ বছৰীয়ৰা হৈ আশী বছৰীয়াৰ আচৰণ লওঁ। চাহাব লোকলৈ মন কৰক, কিমান স্ফুৰ্ত্তি তেওঁলো-

কৰ, কিমান কামৰ ক্ষমতা। বুঢ়া চাহাব এটায়ো ফুটবলত দৌৰে, ক্রিকেট খেলে, লৰাৰ লগত লৰা হৈ ধেমালি কৰে, আৰু আমি? আমি কলেজৰ পৰা ওলাই দীঘল দীঘল চালাম দি চাকৰী এটা পালেই, বা দীঘল দীঘল চোলা পিন্ধি ওকালতী ব্যৱসায়ত সোমাব পাৰিলেই ফেচাঁৰ নিচিনা গুৰু গম্ভীৰ হৈ বহি থাকো, বা ধীৰ সুস্থে গজেন্দ্র গমণ ধৰি চৰাঘৰৰ পৰা পদূলিৰ মূৰলৈ ওলাই আহো আৰু তাৰ পৰা ফিৰি গৈ ভিতৰত শুই থাকোঁ। ইয়াৰো কাৰণ আমাৰ শিক্ষা। স্কুলৰ পৰা বা কলেজৰ পৰা ছুটি পাই আমাৰ ছাত্রই খেলৰ ঠাইলৈ দৌৰি গৈ লৰা ধপৰা মাৰা-মাৰি নকৰে; হয় চুকত বহি ধপাত চুৰট খায়, নহয় তাচ পাশা খেলে, নহয় Gossiping অর্থাৎ আড্ডা মাৰে। আৰু যাক আমি নিতান্ত "গো বেচাৰী" ভাল লৰা বোলো সি একো উপায় নাপাএ চকু কণা আৰু মূৰ ঘোলা কৰি কৰি কিতাপ পঢ়ে। বৰ বেছি, দুই চাৰি জনে ফুৰিবলৈ ওলায় অথবা নিজৰ বা পৰৰ কবিতা আওৰায়। ঘৰৰ শিক্ষাও আমাৰ তেনে। যিটো লৰাই অলপ দৌৰা-দৌৰি কৰে, গৰু আহিলে খেদি যায়, কুকুৰৰ নেজত ধৰি টানে, মেকুৰীটোক তুলি নি আফাল মাৰে, সি আমাৰ মনত বৰ দুষ্ট, বাৱন কি বধাসুৰৰ কলিযুগৰ অৱতাৰ; আৰু যিমতে থৈ আহোঁ হাত-ভৰি লৰচৰ নকৰাকৈ জড়ৰ দৰে ঠিয় হৈ ফেকুৰি কান্দে সি সজ আৰু সন্তৰ প্রথম গজালি! কি

পৰিতাপৰ কথা যে এইটো কোনোৱে নাভাবে, যে যাৰ গাত জীৱনি শক্তি আছে সি দৌৰিবই, সি কুকুৰকো মাৰিব গৰুকো খেদিব, কান্দিবও হাওমাও কৰি আকাশ ফাটাই। যাৰ জীৱনী শক্তি নাই সিহে লাহে লাহে কাঠ ডোখৰৰ দৰে হৈ যাব পাৰে। অথচ, এই দেশতেই শিশুৰ আদৰ্শ আছিল মহা মহা দগাবাজ শ্ৰীকৃষ্ণ, আৰু তাৰকা ৰাক্ষসীক মাৰা আৰু জোনলৈ গাউৰী ধৰা শ্ৰীৰামচন্দ্ৰ। এই active habits, সদায় কাম কৰিবলৈ আৰু অঙ্গ চালনা কৰিবলৈ অভ্যাস, আমি আয়ত্ব কৰিব লাগে। আমি যে কোনো ক্ষেত্ৰতে আজি পৰ্য্যন্ত বিশেষ কৃতিত্ব দেখুৱাব পাৰা নাই, তাঁৰ প্ৰধান কাৰণ আমাৰ এলাহ; আমাৰ active habitsৰ অভাৱ। বন্ধৰ দিনা আমি শোঁ, picnic খাবলৈ দলে দলে ব্ৰহ্মপুত্ৰৰ বালিলৈ নাযাওঁ; আৰু কামৰ দিনা ৮ বজাৰ পৰা ৰাতি দহ বজালৈ কেলধেপ কেলধেপ কৰি অফিছ কৰোঁ। চাহাব লোকে আমাতকৈ বেছি কাম কৰে, অথচ সিহঁতে খেলেও, ক্লাবো কৰে, হাঁহেও, দৌৰেও। বৃটিছ সাম্ৰাজ্যৰ মহামন্ত্ৰীতকৈ বা যোৱা মহাযুদ্ধৰ প্ৰধান সেনাপতি "মাৰ্ছাল ফছ"ৰ দৰে কেইজনে কাম কৰে অথচ তেওঁলোকে গল্‌ফো খেলে, ডিনাৰো খায়, বক্তৃতাও দিয়ে আৰু কেতিয়াবা শুনা যায় বেমাৰ আদি পৰিলে বিশ্ৰামো লয়। আমি কোনোৱে মাষ্টাৰী কৰি সময় নাপাওঁ, কোনোৱে কেৰাণী কৰি ১৪ ঘণ্টা আৰু কোনোৱে হাকিমী কৰি দুশুই

নাখাই ফাইল ঘাটো। কিয় ? আমাৰ বুদ্ধি নোহোৱা নহয় ; বুদ্ধি আছে কিন্তু খটাব নোৱাৰোঁ। খৰকৈ অথচ ধীৰেৰে একাদিক্রমে কাম কৰিব নাজানোঁ ; কোনো কথাৰ মীমাংসা একে কথাতে কৰিব নাজানোঁ, সাধাৰণ চিঠি এখন লিখোঁতে দহবাৰ ভাবিব লগা হওঁ এইবিলাক দোষত। খেলৰ ঠাইত ক্ষিপ্রকাৰিতা গুণবিলাক বাঢ়ে ; আৰু বহি থাকিলে অকলেই বা লগতে যিবিলাক অসৎ চিন্তা আহি মনত উদয় হয়, সেই বিলাকৰ ঠাই নোহোৱা হয়। জীৱনৰ যি আনন্দ, এই active habitৰ পৰা তাক উপভোগ কৰিব পাৰি ; আৰু ইয়াৰ পৰা কামৰ ক্ষমতা, তুৰন্তে মীমাংসা ( quick decision ) কৰিবৰ শক্তি অনেক গুণে বেছি হয়।

বন্ধত কি কৰি কটাওঁ ? আমি নিজৰ মনতে চিন্তা কৰিলে দেখিম হয় তাছ খেলি নহয় শুই কটাওঁ। কিন্তু মোৰ বিশ্বাস আমি তাছ খেলি বা শুই সময় নকটায় ফুট বল খেলি, ক্রিকেট খেলি অভাৱ হলে হাও খেলি, দৌৰি, সাতুৰি, নাও বৈ; ঘোৰাট উঠি, বাইচিকল দৌৰাই, মালযুজিহে সময় কটোৱা উচিত। সময় বুজি কেতিয়াবা তাছো খেলিম, নভেলো পঢ়িম আৰু শুমো। কিন্তু নিজৰ সময় কটাবলৈ অথচ সমাজৰো উপকাৰ হয় এনে ধৰণৰ বহুতো কাম আছে। একেৰাহে বহি ২৪ ঘণ্টা তাছ খেলা শিক্ষিত লোক কেজন-মানৰ কথা মই জানোঁ আৰু ইয়াকো জানোঁ, যে দুইজন পৰম বন্ধুৱে তাছৰ খেলত বহি মাৰামাৰি কৰিছিল। এনে

অভ্যাসক ভাং-কানিৰ ৰাগিৰ দৰে নকৈ আন কি কব পাৰি ? কলেজত অনেকে ডাবা খেলে, সভ্য সমাজতো ডাবা খেলটোৰ এটা গৌৰৱৰ আসন আছে। কিন্তু সভ্য সমাজে তাক ভাল বুলিলে যে ভাল হল এনে ভাবিব নালাগ। এই খেলৰ ৰাগিটো বৰ বেয়া। মোৰ এজন উকীল বন্ধুৱে ডাবা খেলাত ইমান মত্ত যে নিজৰ ওকালতিও পাহৰি যায়। এনে ৰাগিয়ে নিজৰ আৰু সমাজৰ অহিত কৰে।

মোৰ তৃতীয় আৰু শেষ কথা উচ্চাকাঙ্খা মনত লৈ বিদ্যা আৰ্জন কৰা উচিত। বিদ্যা মানে বি, এ, এম, এ ডিগ্ৰী নহয়। বি, এ পাছ কৰিলেই বিদ্যা নহয় আৰু বি, এ ফেল কৰা মানুহেও বিদ্যা আৰ্জিব পাৰে। পুথিগত বিদ্যা; পাছ কৰা বিদ্যা আমাৰ অনেক পৰিমানে হৈছে। Original বিদ্যা লাগে এতিয়া আমাক। কোন অসমীয়াই প্ৰশ্নতত্ব, দৰ্শন, বিজ্ঞান, গণিত, সাহিত্য, বুৰঞ্জী আদিত আচলতে কৃত্তী হৈ উঠিব পাৰিছে। কিয় নোৱাৰে ? আকৌ কওঁ, অসমীয়াৰ বুদ্ধিৰ অভাব ইয়াৰ কাৰণ নহয়। ইয়াৰ একমাত্ৰ কাৰণ আমাৰ applicationৰ, ধৈৰ্য্য ধৰি এটা কাম কৰিব পাৰা শক্তিৰ অভাৱ। এটা উদাহৰণ—ডাক্টৰ জ্ঞানচন্দ্ৰ ঘোষৰ নাম আজি সকলোৰে পৰিচিত। তেওঁৰ লগত প্ৰেচিডেন্সি কলেজত বি, এ, ক্লাচত পঢ়া এজন মোৰ অসমীয়া বন্ধু আছে। তেখেত বৰ্ত্তমানে যোৰহাটত থাকে। তেখেতে কৈছিল, যে ডক্টৰ ঘোষ কলেজত পঢ়া দিনত বৰ বুদ্ধিমান

বা বিচক্ষন নাচিল। এতিয়া বাৰ বছৰ পিচত প্ৰভেদ ভাবিব নোৱাৰি। অধ্যাপক ঘোষ নিজৰ বিদ্যা বুদ্ধিঃৰ গোটেই জগতত প্ৰখ্যাত হৈ থাকিল আৰু তেওঁৰ লগৰীয়া বিলাকৰ নাম থাকিল কলেজৰ ৰেজীষ্টৰীৰ বুকত। এনে উদাহৰণ আমাৰ তৰপৰ প্ৰত্যেকৰে জানা আছে। আমি আটায়ে বি, এ, পাছ কৰি শিক্ষাৰ সমাপন কৰোঁ কিন্তু কৃত্তী দেশৰ কৃত্তী সন্তানে ডিগ্ৰী লৈ আচল শিক্ষাৰ বাট মুকলি কৰি নতুনকৈ শিক্ষাৰ আৰম্ভণ কৰে। কলেজৰ পৰা ওলাই আহি আমি খবৰৰ আৰু দুই এক নভেলত বাদে আন serious কিতাপৰ লগত সংশ্ৰৱ ত্যাগ কৰো ; আৰু কলেজতো পাৰ্য্যমানে পৰীক্ষাত নালাগা আন কিতাপ নপঢ়িবলৈও চেষ্টা কৰোঁ। কেৱল নোট আৰু গাইড বহি পঢ়ি প্ৰশ্নোত্তৰৰ প্ৰশ্ন মুখস্থ কৰি পৰিক্ষা পাছ কৰা সম্ভৱ ; কিন্তু তেনে পঢ়াই বিদ্যা দিব নোৱাৰে। এইদৰে সৰস্বতীক আৰধনা কৰাৰ অৰ্থ প্ৰায় সৰস্বতী দেবীৰ Post mortem examination ৰ দৰে। দেশৰ ভবিষ্যত পৰিচালকসকলে পৰিক্ষাত পাছ ফেললৈ সিমান ধতব্য নকৰি বিদ্যাত, যশত কৰ্ম্মত সকলো পিনে কৃত্তী হবলৈ চেষ্টা কৰা উচিত।

প্ৰশ্ন স্বভাৱিকতে আমাৰ মনত উদয় হয় যে বিশ্ৰামৰ দিন কেইবাটাও খেলা ধুলা কৰিয়েই কটোৱা উচিত জানো মই যদি মোৰ মনৰ ভাৱ ওপৰত পৰিস্কাৰ কৈ কব পাৰিছোঁ তোনহলে এইটো বোধ হয় স্পষ্টঃ হৈ উঠিছে

যে এই খেলা ধুলাকো মই সাংসাৰিক জীৱনৰ কাৰণে প্ৰস্তুত হোৱা বুলি ভাবোঁ। ইয়াৰ বাহিৰে আগ্ৰহ জন্মিলে সহস্ৰ সহস্ৰ কাম আগত উপস্থিত হবহি। ৰোগ, ক্ষুধা আৰু অভাৱত আতুৰ দেশ-মাতৃকাৰ প্ৰতি চকু মেলি চাব লাগিব—আমাৰ দেশ ভবিষ্যত গঢ় দিওঁতাসকলে। হাজাৰ জনে ইনফ্লুয়েঞ্জা, মেলেৰীয়া, কলেৰাত প্ৰাণ এৰিছে, দহ হাজাৰ ক্ষুধাৰ যন্ত্ৰনাত অস্থিৰ আৰু প্ৰত্যেক হাজাৰ অভাৱৰ উৎপীড়নত মৰ্ম্মাহত। সেই বিলাকক আমি নাচালে কোনে চাব। অৰ্থ দি নহয়—কাম কৰি দি, গাৱঁৰ স্বাস্থ্যোন্নতিৰ উপায় দি, সমবেত চেষ্টাৰ ফলত যি হব পাৰে তাৰ উপদেশ আদৰ্শ দি, কানি ভাঙৰ উপকাৰীতা বুজাই দি, ৰোগীক পতি কৰি আৰু পতি কৰিবলৈ দেখুৱাই দি, এই দৰৰ সহস্ৰ উপায়ে বিশ্ৰামৰ সময় কৰ্ম্মত পূৰ্ণ কৰি নিজেও তৃপ্তি পায় আনৰো উপকাৰ সধা হয়। অন্তৰৰ প্ৰেৰণা যদি জাগি উঠে, উপায়ৰ অভাৱ নহব।

দেশৰ ভবিষ্যত বংশধৰ সকল, ইমানতেই মই মোৰ বক্তব্যৰ সামৰণি মাৰিব ইচ্ছা কৰোঁ। কথাৰ অভাৱ নাই; কিন্তু আমাৰ সকলোৰে বৰ্ত্তমান কৰ্ত্তব্য হৈছে কাম কৰা, কথা কোৱা নহয়। ছাত্ৰ জীৱনৰ এই Critical কালখিনি ভালদৰে চলাবলৈ কি কি কৰিব লাগে তাৰ পূৰ্ণ তালিকা দিয়াৰ প্ৰয়োজনো নাই। আৰু তাক কৰবলৈ মই চেষ্টাও কৰা নাই। মুঠে যি কথা শিকিবলৈ আপোনালোকে আগবাঢ়িব

লাগে তাৰে তিনিটা প্ৰধান কথা হে ছাত্ৰসকলৰ আগত কৈছো।

শেষ কৰাৰ আগতে আৰু এক আষাৰ বৰ পুৰণি আৰু সেইদেখিয়ে মূল্যৱান কথা কব খুজিছো। দেশৰ একমাত্ৰ সম্বল, দেশৰ উঠি অহা ডেকা সকল—তেওঁবিলাক নিজে নিজৰ মালিক নহয়। তেওঁবিলাক তেওঁলোকৰ দেশৰ তাতকৈ অনেক গুণে বেছি মূল্যৰ সামগ্ৰী। তেওঁবিলাকে ইচ্ছা কৰি নিজৰ কোনো শক্তি বা সামৰ্থ্য অপব্যয় কৰিব নোৱাৰে; কৰিলে দেশৰ মহামূল্য সম্পত্তি নষ্ট কৰাৰ পাপত পাপী হব। মোৰ নিতান্ত অনুৰোধ, ছাত্ৰসকলে যেন সকলো কথাতে এই নতুন গৌৰৱ আৰু নতুন দায়ীত্বৰ কথা মনত ৰাখে। তেতিয়া ভালমতে চলিবলৈ অন্তৰ দেৱতাই ছাত্ৰসকলক প্ৰেৰণা দিব, কাৰো উপদেশৰ আৱশ্যক নকৰিব। দেশৰ শুভ লক্ষণ যে ছাত্ৰসকলৰ কৰ্মৰ স্পৃহা হৈছে। আমি মুঠেই আশা কৰো ছাত্ৰসকল কৃতী হওঁক, যশস্বী হওক, তেজস্বী হওক। আমাৰ ডেকাৰ মাজৰ পৰা পেষ্টিওৰ, ইনষ্টিন, কাৰ্ণেজি, লয়েড্ জৰ্জৰ দৰে সকলো ক্ষেত্ৰত অপৰিসীম শক্তিশালী লোকৰ উদ্ভৱ হওক! দেশ ধন্য হওক!

"চেতনা" দশম সংখ্যা ১৮৪২ জেঠ।

---

যোৰহাট কেন্দ্ৰৰ মেট্ৰিকুলেছন পৰীক্ষাৰ্থী সকলৰ মিলনত কোৱা কথাৰ সাৰাংশ।

# সংস্কৃত শিক্ষাৰ চৰ্চা

আমাৰ জাতীয় শিক্ষাৰ আন আন শাখা প্ৰশাখাৰ লগতে সংস্কৃত শিক্ষা বিষয়েও অলপ ভাৱ-চিন্তা কৰিবলৈ মোৰ কিছু সুযোগ ঘটিছে। ইয়াৰ ফলত আন আন শিক্ষাৰ বিষয়ৰ দৰে সংস্কৃত শিক্ষাৰ বিষয়েও মোৰ মনত কিছুমান প্ৰশ্নৰ উদয় হৈছে।

মোৰ প্ৰথম কথা—সংস্কৃত শিক্ষাৰ সাৰ্থকতা সম্পৰ্কে। সংস্কৃত শিক্ষা বোলোতে মই আমাৰ টোলবিলাকত যি প্ৰকাৰ শিক্ষা দিয়া হয় তাৰ কথাহে কৈছোঁ। সংস্কৃত ভাষা সাহিত্য দৰ্শন আদিৰ যি বিষয়ে চৰ্চা কলেজ বা বিশ্ববিদ্যালয় আদিত হয় তাৰ কথা কোৱা নাই। সংস্কৃত বা টোল শিক্ষাৰ সম্পৰ্কে প্ৰথম আপত্তি—এই শিক্ষা অৰ্থ-কাৰিণী নহয়। অৰ্থ উপাৰ্জন শিক্ষাৰ প্ৰধান লক্ষ নহলেও ইও যে এবিধ লক্ষ তাত কাৰো দ্বিমত নাই। হাইস্কুল আৰু কলেজত ছাত্ৰৰ সমাগম দেখিলে আচৰিত হব লাগে। তাৰ কাৰণ, সচাঁই হক বা মিছাই হক, হাইস্কুল আৰু কলেজৰ পৰীক্ষা পাছ কৰিব পাৰিলে, মানুহ কোনো দৰমহা থকা চাকৰিৰ উপযুক্ত হয় বুলি সাধাৰণৰ বিশ্বাস। কিন্তু সংস্কৃতৰ উপাধি পাছ কৰি, সংস্কৃত টোলৰ অধ্যাপকৰ অনিশ্চিত কেইটামান বৃত্তি বাদ দিলে, কোনো চাকৰি পাব লগীয়া নাই—তেনেহলে সংস্কৃত পঢ়ি লাভ কি ?

এই শিক্ষাৰ সম্পৰ্কে দ্বিতীয় আপত্তি সংস্কৃত শিক্ষাৰ পৰা—আজি কালিৰ দিনত চলিবৰ জোখাই সাধাৰণ জ্ঞানো পোৱা নাযায়। বুৰঞ্জী, ভূগোল, অৰ্থনীতি, সমাজনীতি, গণিত বিজ্ঞান আদি যিবিলাক বিষয়ৰ সামান্য হলেও কিছুমান আজি কালিৰ দিনৰ শিক্ষাত লোক মাত্ৰৰে অতি আৱশ্যকীয় বুলি বিবেচনা কৰা হয়, তেনেবিলাক বিষয়ৰ জ্ঞান সংস্কৃত শিক্ষাৰ পৰা পোৱা নেযায়। পুৰাণৰ ভূগোল আজি কালিৰ পৃথিবীৰ বিবৰণৰ লগত নিমিলে। পুৰাণৰ চন্দ্ৰলোক সূৰ্য্য লোক আদিৰ অৱস্থান আৰু পৰিমাণ আজি কালিৰ বিজ্ঞানে স্বীকাৰ নকৰে। পুৰাণৰ ৰাজাবলি আৰু বংশানুচৰিত পঢ়ি প্ৰাচীন ইতিহাসো সম্যক ৰূপে জানা নাযায়; বৰ্ত্তমান ইতিহাস সস্কৃত ভাষাত ৰচিত হোৱা নাই। বিজ্ঞান, গণিত আদি প্ৰাচীন কালত যদিবা অলপ আছিল এতিয়া তাকো টোলত শিক্ষা দিয়া নহয়। বিশেষতঃ, এই বিলাক বিষয় এতিয়া বহুতো উন্নত হ'ল। এইবিলাক কাৰণৰ পৰা সংস্কৃত পণ্ডিত সংসাৰৰ অলায়ক হৈ পৰে; বৰ্ত্তমানৰ সমাজত সিবিলাকৰ স্থান নাই।

সংস্কৃতানুৰাগী লোকসকলৰ পক্ষে ওপৰৰ কথাবিলাক এনে স্পষ্ট ভাৱত প্ৰকাশ হোৱা কিছু অপ্ৰীতিকৰ হব পাৰে। কিন্তু এইটো তেখেতসকলেও জানে যে আমাৰ মাজত আজি কালিৰ বেছি ভাগ শিক্ষিত লোকে ওপৰত কোৱা আপত্তি-বিলাক তুলি টোলৰ শিক্ষা অনাৱশ্যক বুলি বাখ্যা কৰে।

তেওঁবিলাকৰ এইবিলাক আপত্তি তেনেই অযৌক্তিক বুলি উৰাই দিব নোৱাৰি।

তেওঁবিলাকৰ মাজতো যুক্তিবাদী সকলে দুটা বিষয়ত সংস্কৃত শিক্ষা আৱশ্যকীয় বুলি স্বীকাৰ কৰে। প্ৰথম হৈছে, সামাজিক বিষয়ত অৰ্থাৎ সংক্ষেপতে কবলৈ হলে পৌৰোহিত্য কাৰ্য্য শিক্ষাৰ কাৰণে সংস্কৃত শিক্ষাৰ প্ৰয়োজন ; আৰু দ্বিতীয় গবেষণাৰ অৰ্থে—অৰ্থাৎ প্ৰাচীন কালত সংস্কৃত কৃষ্টি আৰু সভ্যতা নো কেনে প্ৰকাৰৰ আছিল, আজিকালিৰ কৃষ্টি আৰু সভ্যতাৰ পৰা কিমান পৃথক বা তাৰ লগত কিমান মিল, ইত্যাদি বিলাক আলোচনাৰ অৰ্থে। এনে আলোচনাৰ বিশেষ ব্যৱহাৰিক প্ৰয়োজন আছে বুলি অনেকে স্বীকাৰকে নকৰে। কিন্তু বিদ্যা চৰ্চাৰ অৰ্থে আৰু প্ৰাচীন সামাজিক ৰীতি নীতিৰ জ্ঞান পাব পাৰি বুলি এনে আলোচনাৰ সমূলি মুল্য নাই বুলিও নকয়। কিন্তু শাস্ত্ৰৰ গভীৰ আলোচনাৰ অৰ্থে তেওঁ-লোকে টোলৰ আৱশ্যকতা নেদেখে। স্কুল কলেজ বিশ্ববিদ্যালয়ত সংস্কৃত শিক্ষা দিয়া হয়। যিবিলাক লোকে এই ভাষাত থাকা পুথি পত্ৰাদি আলোচনা কৰিব খোজে, তেওঁলোকে কলেজীয়া শিক্ষাৰ দ্বাৰাহে এই কাৰ্যলৈ প্ৰস্তুত হব পাৰে ; আৰু এনে আলোচনাৰ অৰ্থে পশ্চিমী সাচৰ বিশ্ববিদ্যালয়হে প্ৰকৃত ঠাই। টোল বিলাকত তেনে শিক্ষা দিয়া নহয়, তেনে সুবিধা নাই ; আৰু তেনে ধৰণৰ চেষ্টা কৰাও অসম্ভৱ। তেওঁ-লোকে আৰু দেখুৱাইছে যে সংস্কৃত বিদ্যা সম্পৰ্কে যিমানবিলাক

আলোচনা হৈছে, তাৰ শতকৰা ৯৯ ভাগ পশ্চিমীয়া পণ্ডিত আৰু পশ্চিমীয়া ৰীতিত শিক্ষিত ভাৰতীয় পণ্ডিতসকলৰ দ্বাৰা হে হৈছে। ম্যাক্স-মুলাৰ, ওৱেব, ভাণ্ডাৰকাৰ বা ৰাধা কিষানৰ দৰে পণ্ডিতলোক টোলৰ শিক্ষাৰ পৰা উদ্ভৱ হোৱা নাই।

গতিকে বুজা যায়—নতুন শিক্ষিতলোক সকলৰ কিছুমানে টোল শিক্ষাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰে একমাত্ৰ পৌৰোহিত্য কাৰ্য্য শিক্ষাৰ অৰ্থেহে। এই বিষয়তো অনেকৰ মনৰ ভাৱ— যে পৌৰোহিত্য কাৰ্য্য অৰ্থাৎ পূজা পাৰ্বন শ্ৰাদ্ধাদি একান্ত অনাৱশ্যক। এইবিলাক উদাৰ ধৰ্ম্ম বিৰোধী, ব্ৰাহ্মণৰ ছল-চক্ৰান্ত মাত্ৰ আৰু অৰ্থনীতিৰ হিচাবত জাতীয় উন্নতিৰ পৰিপন্থী। ফলত এই ধাৰণা কিছুমান উচ্চ শিক্ষিত মানুহৰ মনতো বদ্ধমূল হৈছে যে টোলশিক্ষাৰ কোনো উপকাৰিতা বা সাৰ্থকতা নাই। ইয়াৰ পৰা কেৱল উন্নতি বিৰোধী সংৰক্ষণশীল টিকিৱালা ব্ৰাহ্মণ পণ্ডিতৰ দল এটাহে সৃষ্টি হয়। এওঁলোকে অকল জাতীয় উন্নতিত সহায় কৰিব নোৱাৰে এনে নহয়, এওঁলোকৰ পৰা জাতীয় উন্নতিত অনেক বাধা হে পোৱা যায়। এই অভিযোগ-বোৰৰ উত্তৰ সংস্কৃতানুৰাগী লোকসকলে দিব নোৱাৰিলে, বিশেষ কৰি নিজৰ জীৱনৰ আদৰ্শৰে দেখুৱাব নোৱাৰিলে যে এনেবোৰ আশঙ্কা অমূলক, তেনেহলে টোল শিক্ষাৰ দিন টুটি আহিল বুলি জানিব।

মোৰ নিজৰ মনত এনে আশঙ্কা নাই। মোৰ বিশ্বাস মতে ওপৰৰ এইবিলাক আপত্তি উঠে এটা মূল কথাৰ পৰা। আমাৰ

ধাৰণা যে শিক্ষাৰ একমাত্র উদেশ্য অর্থ উপার্জন। এই ধাৰণা আমাৰ সমাজত প্রচলিত হৈছে দুটা কথাৰ পৰা—প্রথম পশ্চিমীয়া শিক্ষাৰ আৰম্ভ হল আমাৰ দিনত চাকৰিৰ কাৰণে উপযুক্ত মানুহ তৈয়াৰ কৰিবলৈ। তাৰপৰা দেখা গল যে যি লোকে এই ৰীতিত শিক্ষিত হৈ উঠে সেয়ে ধন আৰ্জিব পাৰে। প্ৰায় ৫০।৬০ বছৰ পূর্বে লিখা বঙালি শিশু-পাঠত মদন মোহন তর্কালঙ্কাৰে লিখিছিল——"লেখা পড়া কৰে যে।

গাৰী ঘোড়া চড়ে সে।"

ওপৰৰ এই পদ ফাকিত সেই সময়ৰ শিক্ষাৰ উদেশ্যৰ সম্বন্ধে কেনে ধাৰণা সহজ ভাষাত পোনপতীয়া কৈ কোৱা হৈছে। লেখা-পঢ়া কৰি গাৰী ঘোৰাত উঠি ফুৰাই হৈ উঠিল শিক্ষাৰ লক্ষ্য। দ্বিতীয়তে, আমাৰ দেশত জীৱিকা সমস্যাটো দিনক দিনে ইমান জটিল আৰু কঠিন হৈ উঠিছে যে আমি সকলোৱে স্কুলত সোমাবৰ দিন ধৰি ভাবিবলগীয়া হয় কেনেকৈনো ভবিষ্যতে আমাৰ পেটৰ ভাত, গাৰ কাপোৰ আৰ্জিব পাৰিম। এই দুই কথাৰ পৰা অর্থ উপার্জ্জন শিক্ষাৰ একমাত্র উদ্দেশ্য বুলি আমাৰ এটা ভ্রান্ত বিশ্বাস হৈছে। "ভ্রান্ত" বুলি কৈয়ো এটা কথালৈ মই দৃষ্টি আকর্ষণ কৰিব খোজোঁ। জীৱিকা-অর্জ্জন শিক্ষাৰ এটা প্রধান লক্ষ হোৱা উচিত—এই কথা পাহৰিলে আমি বিপথত যাব লাগিব, কিন্তু ই শিক্ষাৰ একমাত্র লক্ষ হব নোৱাৰে, একমাত্র লক্ষণ বুলি ভাবিলে ভুল কৰা হব।

প্ৰাচীন কালৰ পৰা আজিলৈ যিমানবিলাক চিন্তাশীল লোকে মানব জীৱনৰ তথা শিক্ষাৰ উদেশ্য ব্যাখ্যা কৰিছে, তেওঁবিলাক সকলোৱে স্বীকাৰ কৰিছে যে সমগ্ৰ মানৱত্বৰ বিকাশ, বা আত্মাৰ উন্নতি, self knowldge and self-culture এয়ে হৈছে জীৱনৰ তথা শিক্ষাৰ উদেশ্য। বিষ্ণু পুৰাণৰ ধ্ৰুব চৰিত্ৰত—এই উদেশ্য এইদৰে ব্যক্ত কৰা হৈছে :—

"সুশীলো ভব ধৰ্মাত্মা মৈত্ৰঃ প্ৰাণিহিতেৰবঃ।
নিমং যথাপঃ প্ৰবণাঃ প্ৰাত্ৰমায়ান্তি সম্পদঃ ॥

চাণক্যৰ শ্লোকতো—

"বিদ্যা দদাতি বিনয়ং বিনয়াদ যাতি পাত্ৰতাম।
পাত্ৰতাদ্ ধন যদপ্নাতি ধনাদ্ ধৰ্মঃ ততঃ সুখম্"।

সংস্কৃত সাহিত্যত এনে দৰৰ কথাৰ সীমা সংখ্যা নাই। এইবোৰত লক্ষ্য কৰিব লগীয়া এই যে সুশীল হোৱা, ধৰ্মাত্মা হোৱা, বিদ্যা আৰ্জ্জা, তেতিয়া ধন সোণৰ কাৰণে ভাবিব নালাগে। পানী যেনেকৈ তললৈ আপোনা-আপুনি বৈ আহে সম্পদো উপযুক্ত পাত্ৰলৈ আহিব। তাৎপৰ্য্য এই যোগ্যতা আৰ্জ্জন কৰা। তোমাৰ যিবিলাক ঈশ্বৰৰ দত্ত বৃত্তি আছে সেইবিলাকৰ সম্যক কৰ্ষণ কৰা, সংযম শিক্ষা কৰা, তেতিয়া তুমি এনে শিক্ষাৰ গুণত যি শক্তি আৰ্জ্জন কৰিছা তাৰ বলতে সহজতে অৰ্থ উপাৰ্জ্জন কৰিব পাৰিবা। বিংশ শত্বিকাৰ শিক্ষাবিদ, মনোবিজ্ঞানবিদ পণ্ডিতসকলেও এই কথাকে কৈছে। Devolope the full man—

মানৱত্বৰ সম্পূৰ্ণ স্বত্বা প্ৰকাশ এয়ে শিক্ষাৰ উদ্দেশ্য ।

Teacher's world নামেৰে এখন সপ্তাহিক ইংৰাজী কাকতৰ এটি সংখ্যাত "What is an Educated man" [ এগৰাকী শিক্ষিত পুৰুষ কি ] এই প্ৰশ্নটোৰ উত্তৰ কিছুমান ডাঙৰ লোকৰ পৰা আনি প্ৰকাশ কৰিছিল। তাৰে Viscountess Snowden ( ভাইকাউণ্টেচ স্নোডেন ) মহোদয়াই দিয়া উত্তৰ এইঃ—

"I would define an educated man as one who has acehieved Sele knowldge, Self feverrence and Self control, and is filled with good will to all men and kindness to animals." [ যি জনৰ আত্মসন্মান, আত্মজ্ঞান আৰু সংযম শক্তি আছে তেওঁকেই মই শিক্ষিত বুলিম । তেওঁ সকলো মানুহৰ প্ৰতি সদভ্ভাৱাপন্ন আৰু জগতৰ সকলো জন্তুৰে প্ৰতি দয়াশীল । ] ওপৰত কোৱা বিষ্ণু পুৰাণৰ শ্লোকটোৰ লগত ৰিজাই চালে মই দেখিব পাওঁ—দেশ কাল জাতি শিক্ষা কৃষ্টিৰ ইমান বিভেদ থকা স্বত্বেও দুয়োটা উক্তিতে ঠিক একে কথাকে শিক্ষাৰ উদেশ্ত বুলি কৈছে ।

দেখাত অবান্তৰ, ইমান খিনি কথাৰ জোলোঙা মেলাৰ অৰ্থ হল এই যে অৰ্থসংগ্ৰহৰ সামৰ্থ্যৰ পৰিমান বঢ়োৱা শিক্ষাৰ প্ৰকৃত উদেশ্য বুলি কোনো মনিষী নকয় ; বা বৰ্ত্তমান দিনৰ মানুহৰ সংখ্যা, দেশৰ নাম, ৰাজধানীৰ কথা বা ৰাজা বা

শাসক সকলৰ নামৰ তালিকা মুখস্থ কৰা, অথবা চিনেমাৰ অভিনেত্রীসকলৰ নাম-ধন, জাতি-গোত্র, বা আহাৰ পৰিচ্ছদ আদি বিষয়ৰ তন্ন তন্ন কথা শিকাও শিক্ষাৰ উদ্দেশ্য বুলি নকয়।

শিক্ষা লাগে সজ মানুহ হবলৈ, কৰ্ম্মী হবলৈ, দয়াশীল হবলৈ. পৰোপকাৰী হবলৈ, হাতভৰি আদি অঙ্গ প্রত্যঙ্গাদি চলাত স্বাস্থ্য আৰ্জিবলৈ, শৰীৰ মন আৰু আত্মাৰ উন্নতি কৰিবলৈ। এই উদ্দেশ্য সাধনত টোলৰ শিক্ষা স্কুলৰ শিক্ষাতকৈ কম উপযোগী হব লাগে—এনে কোনো কাৰণ নাই।

অর্থ উপার্জনৰ পিনৰ পৰা চালেও দেখা যায় স্কুল কলেজৰ শিক্ষিত মাত্রই অর্থ উপার্জন কৰিব পাৰেনে ? হাইস্কুলৰ কেইটামান শ্রেণীলৈ পঢ়া, প্রৱেশিকাত অকৃতকাৰ্য্য হোৱা, কলেজত কিছুদিন পঢ়া শ, শ ডেকা লৰাই কেনে অকামিলা জীৱন নিয়ায় ! বি. এ, এম, এ, পাছ কৰা সকলোৰে বা অর্থ উপার্জনৰ কিমান যোগ্যতা ! অথচ একোজন লৰাক পশ্চিমীয়া শিক্ষা দিবৰ কাৰণে একো ঘৰ গিৰি সর্বস্বান্ত হবলগীয়া হয়।

ইফালে, বর্ত্তমান দিনৰ উপযোগী জ্ঞানৰ কথাতো প্রায় এই নিচিনাই। কোনো কেৰাণী পদৰ পৰীক্ষাত, কেইবছৰমান আগেয়ে কেবাজনো গ্রেজুয়েটে 'চেক্রেটৰী অব ষ্টেট'ৰ নাম সোধাত অসম গভর্ণমেণ্টৰ তেতিয়াৰ Second Secretary জনৰ নাম লিখি দিছিল। নিউয়র্ক কি কব নোৱাৰা

গ্রেজুয়েটৰ আৰু মানচিত্ৰত লণ্ডন কোন অংশত তাক নাজানা তথাকথিত শিক্ষিত ডেকাৰ সংখ্যা বৰ কম নহয় ।

এইবিলাক কথা কোৱাৰ মোৰ উদ্দেশ্য—কোনো শিক্ষা প্ৰণালীক নিন্দা কৰা নহয় ; বা কাকো সৰু বৰ কৰা নহয় । মই মুঠে ইয়াকেহে কব বিচাৰিছোঁ যে টোল শিক্ষাৰ পৰাও আমাৰ চৰিত্ৰ গঠিত হব পাৰে ; আমি প্ৰকৃত শিক্ষা পাব পাৰোঁ । আজি কালিৰ স্কুলৰ শিক্ষাৰ পৰাও আমাৰ ব্যৱহাৰিক জ্ঞান বৰ বেছি নহয় । ব্যৱহাৰিক জ্ঞান হয়, নিজে কাম কৰি, নিজৰ চকু-কাণ আদি ইন্দ্ৰিয়ৰ ব্যৱহাৰ কৰি, খবৰৰ কাগজ আদি পঢ়ি । এনে শিক্ষাৰ সুযোগ স্কুলত বা টোলত সমানে ব্যৱস্থা কৰিব পাৰা হয় ।

উচ্চ শিক্ষাৰ মানতো সংস্কৃত শিক্ষাৰ বিশেষ দোষ দেখা নাপাব । পশ্চিমীয়া ৰীতিত উচ্চতম শিক্ষিত লোক এজন আৰু টোলৰীতিত শিক্ষিত তেনে লোক এজনৰ ভিতৰত কথা-বাৰ্তা--ৰীতি-নীতি সামাজিকতা আদি গুণত বিশেষ প্ৰভেদ নেদেখি ।

সংস্কৃত শিক্ষাই ভাৰতবৰ্ষৰ প্ৰাচীন কৃষ্টি ৰক্ষা কৰি আছে । এই শিক্ষাত শিক্ষকসকলে অধ্যাপনা কৰে অধ্যাপনা কৰ্ত্তব্যৰ এটা অংশ বুলি ; অৰ্থলোভত নহয় । শিক্ষিতসকলেও শিক্ষা পায় হাজাৰ হাজাৰ টকা খৰছ কৰি নহয়, প্ৰকৃততে একো খৰছ নকৰাকৈ । এই শিক্ষাৰ পৰা হিন্দু ধৰ্মৰ ক্ৰিয়াপূত হৈ থাকিব পাৰিছে । এই শিক্ষা পোৱা উচ্চ শিক্ষিত লোক

সকল হয় বিনয়ী, সাধু, আচাৰ-পৰায়ণ—আৰু স্বল্প-সন্তুষ্ট। সামান্য অৰ্থব্যয় কৰি যি প্ৰণালীৰ পৰা এনে শিক্ষা পাৰি, সেই শিক্ষা প্ৰণালীৰ সাৰ্থকতা নাই বুলি অতি পক্ষপাতী লোকেও ক'ব নোৱাৰে।

এই বুলি টোল শিক্ষাৰ একো দোষ নাই মই এনে কথাকো কব নুখুজোঁ। কোনো শিক্ষা প্ৰণালী দোষ শূন্য নহয় আৰু হব নোৱাৰে। কাৰণ, মানুহে সদাই উন্নতি কৰিবলৈ চেষ্টা কৰে। গতিকে মানুহৰ যি অনুষ্ঠানেই নহক, তাকো ভাল কৰিবৰ অনবৰত চেষ্টা চলি থাকে। টোল শিক্ষাৰো উন্নতি হব পাৰে; আৰু তাকো উন্নত কৰিবলৈ যত্ন কৰা যুগুত।

টোল শিক্ষাৰ প্ৰথম দোষ যে ভূগোল বুৰঞ্জী আদি আজি কালিৰ বিষয় বিলাকৰ জ্ঞান পোৱা নাযায়। স্কুলতো যথেষ্ট পোৱা নাযায় বুলি আগতে কোৱা হৈছে। কিন্তু সেই বুলি পাব নালাগে এনে নহয়। বৰঞ্চ স্কুলতো এনে জ্ঞান শিক্ষাৰ দিহা হব লাগে; আৰু টোলতো হব লাগে। অনেকে কয় যে ভূগোল আদি বিষয় টোলৰ পাঠ্য কৰিব লাগে। মোৰ মনেৰে এইটো কৰা ভুল হব। টোলৰ গুণ হৈছে এই যে ই প্ৰাচীন ৰীতি এটা জীৱন্ত কৰি ৰাখি অনেক পৰিমানে মুকলি মুৰীয়া হৈ অধ্যায়ণ আৰু অধ্যাপনা কৰিবলৈ সুচল দিয়ে। বিষয়ৰ সংখ্যা বঢ়াই দিলে টোলে·পতি দুজন তিনিজন শিক্ষক লাগিব। তেতিয়া নিয়মিত সময়, হাজিৰা, পৰিদৰ্শন

ইত্যাদি বিলাকৰ উৎপাত আৰম্ভ হব ; আৰু টোল স্কুলৰ এটা নিকৃষ্ট সংস্কৰণ হৈ উঠিব । সেই দেখি মোৰ মনেৰে টোলত আজি কালি মজলীয়া পৰিক্ষা উত্তীৰ্ণ হোৱা বা মজলীয়া স্কুলৰ উচ্চতম শ্ৰেণীলৈ পঢ়া লৰাতকৈ কম পঢ়া লৰাক ভৰ্ত্তি নকৰা হলে ভাল হয় । আজি কালি এনে লৰাৰ সংখ্যা বাঢ়িছে ; টোলত পঢ়িবলৈ তেনে লৰাৰ অভাৱ নহব । টোলত খবৰৰ কাগজ সংগ্ৰহ, লাইব্ৰেৰী স্থাপন আদি কৰিবলৈ যত্নপৰ হলে, ইয়াৰ পৰাও এই দোষ অনেক পৰিমানে কমিব।

দ্বিতীয় কথা, শাৰীৰিক শ্ৰম খেল আদিৰ কাৰণে টোলত একো যত্ন লোৱা নহয় । ইয়াৰো অলপ ব্যৱস্থা থাকিব লাগে । টোল আশ্ৰমৰ দৰে সুশোভন কৰি লবলৈ যত্ন ললে, অৰ্থাৎ টোলৰ চৌহাতে ফুলনি আৰু শাকনি কৰি ললে, শাৰীৰিক শ্ৰম, সৌন্দৰ্য্য-কৰ্ষণ আৰু আহাৰৰ যোগাৰ—এই সকলো বিলাক হব পাৰে ।

তৃতীয়তে, টোলৰ ছাত্ৰৰ স্বভাৱ - চৰিত্ৰৰ প্ৰতি, আচাৰ পালন, সন্ধ্যা-উপাসনাৰ প্ৰতি এতিয়া যিমান চকু দিয়া হয় তাতকৈ অনেক পৰিমাণে বেছি দৃষ্টিৰ আৱশ্যক । নিয়ম-কানুন কৰি এই বিলাক পালন কৰোৱা বৰ সহজ নহয় । অধ্যাপকে আৰু ওজা ছাত্ৰ বিলাকে নিজ নিজ আদৰ্শৰ দ্বাৰা আন আন ছাত্ৰক অনুপ্ৰাণিত কৰিব পাৰিব লাগিব । আগত কৈ এই নিয়ম বিলাকত এতিয়া যথেষ্ট শৈথিল্যই দেখা দিছে আৰু লৌকিকতাৰ স্থান বেছি হৈছে ।

সংস্কৃত শিক্ষাৰ ছাত্ৰ আৰু অধ্যাপক সকলক মই এটি অনুৰোধ জনাওঁ। আগেয়ে টোলৰ শিক্ষাৰ কিছুমান ভাল ৰীতি আজি কালি এৰা পৰিছে। এই কথা উচিত হোৱা নাই। টোল শিক্ষাৰ ৰীতি বহুদিনীয়া; গতিকে বহুত অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ যিবিলাক গুণকাৰী ৰীতি তাক হঠাৎ এৰি পেলোৱা বেয়া। পুৰণি ৰীতি এটা ওজা ছাত্ৰৰ। এই ৰীতিৰ পৰাই বিন এ্যাণ্ড ল্যাঙ্কাচাৰে ইংলণ্ডত Pupil Teachers System (ছাত্ৰ-শিক্ষকৰ ব্যৱস্থা) প্ৰৱৰ্ত্তন কৰি ইংলণ্ডত প্ৰাথমিক শিক্ষা বিস্তাৰত বহুত সহায় কৰিছিল। টোল বিলাকে এই ৰীতি প্ৰায় এৰিলে। উপাধি পৰীক্ষাৰ পাঠ্য দুই বছৰত শেষ কৰিব লাগে। গতিকে আনক পঢ়াৰ সময় নাই। ইও এই ৰীতি এৰা পৰাৰ এটা কাৰণ।

আগেয়ে "চৈত" ফুৰা এটা নিয়ম আছিল। বছেৰেকৰ পাঠ্যৰ শেষত চ'ত মাহৰ এটা সপ্তাহ ছাত্ৰ বিলাকে চাৰিও ফালে ঘুৰি ঘুৰি টোলৰ কাৰণে অৰ্থ সংগ্ৰহ কৰিছিল। আজি কালি এই ৰীতি কিমান পৰিমাণে আছে নাজানোঁ। কিন্তু মোৰ হলে "চৈত" ফুৰা ছাত্ৰ এতিয়া চকুত পৰা নাই। ইয়াৰ পৰা যে অকল টোললৈ দুটা টকা আনিছিল এনে নহয়, ছাত্ৰবিলাকে নিজৰ দেশৰ সকলো ফালে ফুৰাৰ সুযোগ হৈছিল, সাধাৰণ মানুহৰ মাজত বিদ্যাশিক্ষাৰ কথা প্ৰছাৰ কৰা হৈছিল, আৰু আজি কালি বিশেষকৈ পশ্চিম দেশত Hiking আৰু

Camping ৰ পৰা স্বাস্থ্য, আত্মাৱলম্বন আদি যিবিলাক গুণ শিক্ষা হয়, সেই বিলাক গুণ শিক্ষা হৈছিল। আজি কালি ভৰিৰ ওপৰত ঠিয় দিয়াৰ (Self Supporting Education) এটা ঘোষা উঠিছে। এনেকুৱা শিক্ষাৰ কাৰণে এই ৰীতি কিছু সহায়কৰ হৈছিল। চৈত ফুৰাৰ পাছত টোলৰ প্ৰীতি ভোজ আৰু অধ্যাপক-সেৱা এটা সৌষ্ঠব-পূৰ্ণ বিতোপন অনুষ্ঠান আছিল। এই অনুষ্ঠান এতিয়াও সম্পূৰ্ণ উঠি যোৱা নাই বোধকৰোঁ। ইয়াৰ পূৰ্ণজীৱিত কৰা কৰ্ত্তব্য আৰু তাক অনুকৰণ কৰা স্কুলবিলাকৰ পক্ষেও উপ-কাৰী হব।

আন এটা কথা আছিল সংস্কৃতত কথা কোৱা অভ্যাস। এই অভ্যাস হৈছিল, বিয়া সভা আদিত সংস্কৃত "দিয়া"ৰ পৰা। এই অভ্যাস এতিয়া গুচিল। বিয়াত সংস্কৃত "দিয়া" এটা ভাল ৰীতি আছিল। তাৰপৰা সাধাৰণৰ মাজত শিক্ষাৰ আদৰ বাঢ়িছিল। এনে কি ভাল মানুহৰ ঘৰৰ বুদ্ধিমান চাকৰ-বাকৰে আৰু ধুলীয়া-খুলীয়াৰ ভাৱৰীয়া বিলাকে সংস্কৃত শ্লোক মুখস্থ কৰি সংস্কৃত দি দৰ্শকৰ আনন্দ বঢ়াইছিল। আজিকালি তুই এজন পণ্ডিতেহে সৰল সংস্কৃতত বক্তৃতা কৰিব পাৰে। এই বিলাক ৰীতিৰ পূনঃ প্ৰৱৰ্ত্তন হোৱা ভাল। ইয়াৰ পৰা বিদ্যা টোলঘৰত আৰু অধ্যাপক আৰু ছাত্ৰৰ পুথিৰ ভিতৰত আৱদ্ধ নাথাকি জনসমাজত প্ৰচাৰ হৈ পৰিছিল।

আৰু এটা কথা মই লক্ষ কৰিছো। বোধকৰো আগেয়ে অকল ব্যাকৰণ বা ভাগৱত পঢ়ি পুৰণি পণ্ডিতসকলে আন আন শাস্ত্ৰো যিমান গভীৰজ্ঞান আৰ্জিছিল আজি কালিৰ উপাধিৰ পাঠ্য পঢ়ি তিমান জ্ঞান পোৱা নাযায়। সংস্কৃত শিক্ষা ইয়াত কৰি গভীৰ হলে ভাল। কোনো পুথি পঢ়াত টীকা টিপুনি সহ আতিগুৰি লগাই পঢ়া ৰীতি প্ৰৱৰ্ত্তন হব লাগে। সেয়ে হব লাগিলে উপযুক্ত অধ্যাপকেহে বিশেষ বিশেষ শাস্ত্ৰৰ অধ্যাপনা হাতত লোৱা উচিত।

ইয়াতে মই সংস্কৃতানুৰাগীসকলক এটা কথা সোঁৱৰাই দিব খোজো। টোল শিক্ষাৰ আৱশ্যকতা আছে আৰু তাৰপৰা সমাজত এক শ্ৰেণীৰ বিশিষ্ট শিক্ষিত লোক আমি পাইছো—যিবিলাকে প্ৰাচীন ভাৰতীয় আদৰ্শ তথা হিন্দু-ধৰ্মৰ আচাৰ অনুষ্ঠানবিলাক সজীৱিত কৰি ৰাখিছে। এই কথা সকলোৱে স্বীকাৰ কৰিব। কিন্তু সেইবুলি এই শিক্ষাৰ ৰীতি দেশত অতি বহুল ভাৱে প্ৰচলিত হওঁক এনে কথা মই কব নোখোজো। বৰ্ত্তমান আমাৰ যিমানখিনি টোল আছে তাত কৰি টোলৰ সংখ্যা বঢ়া উচিত যদিও, গাৱেঁ গাৱেঁ টোল স্থাপিত হক, বা প্ৰাইমাৰী আৰু মজলীয়া স্কুলৰ পৰিবৰ্ত্তে আমি টোল পাতোহঁক, এনে কল্পনা আমাৰ দেশৰ শিক্ষাৰ উন্নতিৰ পক্ষে উচিত নহব। টোল শিক্ষা এটা বিশিষ্ট প্ৰণালীৰ শিক্ষা। ইয়াত খৰচ নাই; অথচ ইয়াৰ-পৰা যথেষ্ট সুশিক্ষা পোৱা যাব পাৰে। ইত্যাদি বিলাক

স্বীকার্য্য। কিন্তু ইয়াকো আমি পাহৰিব নালাগে যে এনে শিক্ষাত শিক্ষিত লোক আজি কালিৰ জীৱনৰ সকলো কৰ্মৰ বাবে উপযুক্ত হৈ নুঠে। ইঞ্জিনিয়াৰিং শিক্ষাৰ বা ডাক্তৰী শিক্ষাৰ আমাৰ আৱশ্যক আছে। সেইবুলি আজি গাৱেঁ গাৱেঁ বা মৌজাই মৌজাই ইঞ্জিনিয়াৰিং স্কুল বা ডাক্তৰী শিক্ষাৰ কলেজ পাতিব নোখোজো আৰু তেনেকৈ পতাৰো আৱশ্যক নাই। টোল শিক্ষাৰ কথাও সেই ৰকম। টোল শিক্ষা লাগে; কিন্তু অকল টোল শিক্ষাই নালাগে; বা এই শিক্ষা অনাৱশ্যক ৰূপে বৃদ্ধিও হব নালাগে।

কিন্তু সম্প্ৰতি চৰকাৰে টোল শিক্ষাৰ কাৰণে যি খৰছ কৰে তাতকৈ অন্ততঃ পাঁচগুণমান বেচি খৰছ কৰা উচিত। অধ্যাপক সকলৰ দৰমহা অনেকৰ নাই; যাৰ আছে তাৰো অত্যন্তঃ কম; আন দেশৰ সংস্কৃতৰ কেন্দ্ৰবিলাকলৈ গৈ উচ্চ শিক্ষাৰ কাৰণে কোনো বৃত্তিৰ ব্যৱস্থা নাই; টোলঘৰ আদি কৰিবলৈ কোনো প্ৰকাৰ সহায় পাব নোৱাৰি; পুথি-পত্ৰ আদি প্ৰায় টোলতে নাই। এইবিলাক দিহা কৰিবৰ কাৰণে বছৰি অন্তঃত এক লাখমান টকাৰ আৱশ্যক। চৰকাৰে সম্প্ৰতি অসম সংস্কৃত বোৰ্ডক কুৰি হাজাৰত কৰিও কম টকাহে দিয়ে।

আৰু এটা কথা আছে—সংস্কৃত বিষয়ক গৱেষণা। কামৰূপ প্ৰাচীন দেশ আৰু অন্ততঃ দুই হাজাৰ বছৰৰ পৰাই এই দেশত সংস্কৃত চৰ্চা চলিছে। কামৰূপৰ বিদ্যাবত্তাৰ প্ৰমাণ প্ৰাচীন গ্ৰন্থাদিত পোৱা যায়। ইয়াত ৰচিত আৰু প্ৰকাশিত

গ্ৰন্থাদি কেনেকৈ লোপ পালে এইবিলাক আলোচনাৰ যোগ্য বিষয়। সংস্কৃত সঞ্জীৱনী সভাই প্ৰায় আঢ়ৈশমান এনেকুৱা পুথিৰ এখন descriptive catalouge প্ৰস্তুত কৰিছে। এনেকুৱা আৰু বহুতো পুথি আমাৰ দেশত থকা সম্ভৱ। তাৰ উপৰি আমাৰ দেশৰ প্ৰখ্যাত পণ্ডিত সকলৰ জীৱনি সংগ্ৰহো এটা কাম। এইবিলাক কাৰ্য্য সংস্কৃতানুৰাগী লোক আৰু ছাত্ৰসকলে হাতত ললে দেশৰ কাম কৰা হব, বিদ্যা চৰ্চাও হব, আৰু দেশৰ গৌৰৱ-সমৃদ্ধিও বৃদ্ধি হব।

——×——

সংস্কৃত ছাত্ৰ সন্মিলনত দিয়া ভাষণ।

৫।১১।৩৭